জানুৱাৰী 2002 Rs. 10/-

চান্দমামা



নৱবৰ্ষৰ প্ৰীতি আৰু শুভেচ্ছাৰে


Are you a fan of Garuda, the masked hero with magical powers?
Enjoy the exciting exploits of Garuda!
Garuda
The Invincible
Don't miss the Garuda comics in Chandamama anymore!
Subscribe to Chandamama today!
Chandamama Annual Subscription within India Rs. 120/-
Send your remittances by DD or MO favouring CHANDAMAMA INDIA LIMITED, to
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.
E-mail : subscription@chandamama.org

A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
HERO CYCLES
HTA.5979.2001
V
W
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING

এই সংখ্যাত আছে বৰ্ষ : ২৯ জানুৱাৰী ২০০২ সংখ্যা - ১

ভাৰত কথা

৪৭



ৰহস্যজনক মৌনতা (বেতাল কথা)

১৯

যক্ষ পৰ্বত

১১

দেৱী ভাগৱত

৫১

এই মাহৰ বিশেষ আকৰ্ষণ

★ সময়ৰ মূল্য ...৭ ★ যক্ষ পৰ্বত-১১ ...১১ ★ কাল কুঠৰী ...১৮
★ ৰহস্যজনক মৌনতা (বেতাল কথা) ...১৯ ★ গণেশ ...২৫
★ সংবাদ বিচিত্ৰা ...৩০ ★ ৰসিক ব্যক্তি--বীৰবল ...৩২
★ কথক ...৩৪ ★ মকৰ সংক্ৰান্তি ...৩৬ ★ ঘোল আৰু পঁইতা ভাত ...৪০ ★ ভাৰতৰ বিষয়ে জানি লোৱা ...৪৬
★ ভাৰত কথা ...৪৭ ★ দেৱী ভাগৱত ...৫১
★ সদা সুখী ...৫৬ ★ অদ্ভুত সপোন ...৫৯
★ অজেয় গৰুড় ...৬২
★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements @chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

Gautam Goswami
3-1-2002

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

অধিকাৰৰ আগতে কৰ্ত্তব্য

আমি আজি ২০02 চনৰ দুৱাৰদলিত ভৰি দি সোঁৱৰণ কৰিব পাৰিছো, আজিৰ পৰা ৫০ বছৰ আগতে পণ্ডিত জৱাহৰলাল নেহৰুৰ নেতৃত্বত দেশত প্ৰথম গণতান্ত্ৰিকভাবে নিৰ্বাচিত চৰকাৰ এখন পাইছিলো । এই চৰকাৰখন পাইছিলো সংবিধান ৰচনা হোৱাৰ প্ৰায় দুবছৰ পিছতহে । ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতবৰ্ষক সাৰ্বভৌম গণৰাজ্য হিচাবে ঘোষণা কৰা হৈছিল । দেশত সাধাৰণ নিৰ্বাচন পতা হৈছিল ১৯৫১ চনৰ অক্টোবৰৰ পৰা ১৯৫২ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত ।

আমাৰ সংবিধানে দেশৰ সাৰ্বভৌমত্ব, ঐক্য আৰু সংহতি ৰক্ষাৰ কাৰণে প্ৰতিজন নাগৰিকৰ ওপৰতে দায়িত্ব ন্যাস্ত কৰিছে । যেনেদৰে সকলো লোকৰে নিজ পিতৃ-মাতৃ আৰু ঘৰখনৰ প্ৰতি একোটা কৰ্ত্তব্য আছে, সেইদৰে সকলো নাগৰিকৰে নিজ মাতৃভূমিৰ প্ৰতি এইটো এটা বাধ্যতামূলক কৰ্ত্তব্য ।

আমাৰ সংবিধানে নাগৰিক সকলক কথা কোৱাৰ আৰু মত ব্যক্তকৰাৰ স্বাধীনতা, স্বইচ্ছাৰে ধৰ্ম গ্ৰহণ কৰাৰ স্বাধীনতা, যিকোনো বৃত্তিৰ অনুসন্ধান আৰু যিকোনো ব্যৱসায় কৰাৰ স্বাধীনতাৰ দৰে কেইটামান মৌলিক অধিকাৰো প্ৰদান কৰিছে । আমাৰ সংবিধানৰ এক অতুলনীয় বৈশিষ্ট্য হ'ল, এই অধিকাৰবোৰৰ লগতে দেশৰ নাগৰিকসকলৰ কিছুমান কৰ্ত্তব্যৰ কথাও উল্লেখ কৰিছে । মহাত্মা গান্ধীয়ে কৈছিল, আমি আমাৰ অধিকাৰবোৰ প্ৰয়োগ কৰাৰ আগতে প্ৰথমতে আমি আমাৰ কৰ্ত্তব্যবোৰ পালন কৰিব লাগিব ।

বৰ্ত্তমানে আমাৰ দেশখনে সকলো দিশৰ পৰাই বিভিন্ন প্ৰকাৰৰ চাপৰ মাজেৰে সময় পাৰ কৰিব লগা হৈছে । সেয়েহে, দেশৰ ঐক্য আৰু সংহতিৰ ভেটি শক্তিশালী কৰিবলৈ এই নতুন বছৰৰ আৰম্ভণিতে আমি প্ৰত্যেকে নিস্বাৰ্থভাবে মাতৃভূমিৰ সেৱা কৰি যাবলৈ প্ৰতিজ্ঞাবদ্ধ হওঁ আহা ।

সম্পাদক : বিশ্বম

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া - ৪

আধুনিক ভাৰতৰ বিভিন্ন দিশৰ কাৰ্য্যক্ষেত্ৰতো বহুতো হিৰো আছে । আজিৰ কুইজ সেই আধুনিক হিৰো-বোৰৰ ওপৰতে ।

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব । *

1. তেওঁ আছিল এচিয়াৰ ভিতৰতে সাহিত্যত প্ৰথম নবেল বঁটা বিজয়ী । তেওঁৰ গানে ভাৰতৰ স্বাধীনতা আন্দোলনত যুঁজাৰ বাবে বহুতকে অনুপ্ৰাণিত কৰিছিল । তেওঁ কোন তুমি জানানে ?

----

2. ভাৰতৰ পোখৰান পৰমাণু পৰীক্ষাৰ কথা ভাবিলে কাৰ নাম প্ৰথমতে তোমাৰ মনলৈ আহে ? ভাৰত ৰত্ন প্ৰাপ্ত এই বিজ্ঞানীজন প্ৰতিৰক্ষা প্ৰযুক্তি গৱেষণাৰ বাবে অতি বিখ্যাত । বিজ্ঞানীজনৰ নাম কি ?



3. নবেল বঁটা বিজেতাসকলক শ্ৰদ্ধা নিবেদন কৰি আমি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত জাতীয় বিজ্ঞান দিবস পালন কৰো । ১৯২৮ চনত এই বিজ্ঞানীজনে পদাৰ্থ বিজ্ঞানত নবেল বঁটা লাভ কৰিছিল । বিজ্ঞানীজনৰ নাম অনুমান কৰিব পাৰিছানে ?

----

4. এই চিতাৰ বাদকজনক ইংলণ্ডৰ ৰাণীয়ে নাইট উপাধিৰে সন্মানিত কৰিছিল । তেওঁ কোন তুমি জানানে ?

----

5. লক্ষজনৰ হৃদয়ত আবেগ সৃষ্টিকাৰী এই ব্যক্তিজনৰ নামত ক'লকাতাত এটা মন্দিৰ আছে । বৰ্তমানে তেওঁ টিভিৰ এখন অতি জনপ্ৰিয় খেলৰ পৰিচালক । তেওঁ কোন বাৰু?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা । এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা আধুনিক হিৰো কোনজন আৰু কিয় ভাললাগে ? মোৰ ভাললগা আধুনিক হিৰোজন হ'ল --এই বিষয়ে ১০ টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম...

বয়স.........................শ্ৰেণী.............................

ঠিকনা..

পিন..........................ফোন...............................

প্ৰতিযোগীৰ চহী..

দেউতাক/মাকৰ চহী..

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz-4
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

৫ ফেব্ৰুৱাৰী, ২০০২ তাৰিখৰ আগতে পোৱাটৈক পঠাবা ।

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।
২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব । বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব ।
৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।
৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব ।
৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব ।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES



সময়ৰ মূল্য

এখন গাঁৱত দীক্ষিত নামৰ এজন সুপ্ৰসিদ্ধ বৈদ্য আছিল । সকলো লোকে কয় যে তেওঁ এজন অতি বুদ্ধিমান ব্যক্তি আৰু তেওঁ খুব ভাল চিকিৎসা কৰে । এদিন কমল মহাজন নামৰ এজন সুতখোৰ তেওঁক দেখা কৰিবলৈ গ'ল ।

কমল মহাজনক দেখিয়ে দীক্ষিতে কলে, "আহক মহাজন, আহক । অলপ সময় মোৰ ইয়াতে বহি যাওক ।" এইবুলি কৈ তেওঁ ঔষধৰ টোপোলাটো ভিতৰত থৈ দিলে ।

অলপ পিছতে বাহিৰত এজন ভিখাৰীৰ চিঞৰ শুনা গ'ল -"মালিক, মই এজন খোৰা, খোজকাঢ়িব নোৱাৰো, দুচকুৰে দেখাও নাপাও । দয়া কৰি এই খোৰা আৰু অন্ধক দান দিয়ক ।"

দীক্ষিতে তাক তাৰপৰা গুচি যাবলৈ কলে। ভিখাৰীটো তাৰপৰা গুচি গ'ল ।

কমল মহাজনে কিবা কব খুজিছিল, এনেতে বাহিৰত আৰু এজন ভিখাৰীৰ চিঞৰ শুনা গ'ল, "বাবু, বুঢ়া মানুহ । একো কাম-বণ কৰিব নোৱাৰো । দয়া কৰি এটা পইচা দিয়ক, পূণ্য হব ।"

দীক্ষিতে এইবাৰ ধমকিৰ সুৰত কলে-"যা যা, ইয়াৰ পৰা গুচি যা ।" এইবুলি কোৱাত বুঢ়া ভিখাৰীটো তাৰপৰা গুচি গ'ল ।

তেতিয়া কমল মহাজনে কলে, "দীক্ষিত ডাঙৰীয়া, মই ইয়ালৈ এইবাবে আহিছো ..." কথাটো শেষ কৰাৰ আগতে বাহিৰত জোৰে জোৰে কোবোৱা ঢোলৰ শব্দ শুনা গ'ল ।

এজন শকত আবত মানুহে গাত কিছুমান ৰং সানি চাবুকেৰে নিজৰ দেহত কোবাই আছে । কাষতে এজনী তিৰোতাই কান্ধত এটা ঢোল লৈ বজাই আছে । সিহঁতক দেখিয়েই দীক্ষিতে তৎক্ষণাত বাহিৰলৈ ওলাই আহি পকেটৰ পৰা টকা এটা উলিয়াই ঢোল বজাই থকা তিৰোতাজনীৰ হাতত

-কাশীৰাম-

দিলে । তেতিয়া সিহঁত তাৰপৰা গুচি গ'ল। দীক্ষিতে উভতি আহি চকীত বহি লৈ কলে, "এতিয়া কওক মহাজন, আপোনাৰ কি কবলগা আছে ।"

যি হৈ গ'ল, তাত আশ্চৰ্য্য প্ৰকাশ কৰি মহাজনে কলে, "মোৰ মনত এক সামান্য সন্দেহ আছে ।"

"সন্দেহতো সন্দেহেই । তাত আৰু কি সামান্য অসামান্য আছে । যিয়েই নহওক, কওক, আপোনাৰ কি সন্দেহ আছে । দীক্ষিতে কলে ।

প্ৰথমতে যি দুজন ভিখাৰী আহিছিল সিহঁতক আপুনি একো নিদিলে । কিন্তু পিছত অহা মানুহজন আৰু ঢোল বজোৱা তিৰোতাজনীক এটকা দিলে । প্ৰথমতে যি খোৰা আৰু বুঢ়াজন আহিছিল, তেওঁলোক কাম কৰিবলৈ অসমৰ্থ আছিল । কিন্তু পিছত অহা দুজন হৃষ্ট-পুষ্ট আছিল, শৰীৰৰ কোনো অঙ্গত ক্ষতি-খুনো নাছিল । অপুনি উপযুক্ত ব্যক্তিক দান নিদি অযোগ্যক দান দিলে । মই জানিব পাৰোনে আপুনি এনে কাম কিয় কৰিলে ?"

"আপুনি ঠিকেই প্ৰশ্ন কৰিছে মহাজন, আচলতে মই ভিক্ষা দিবই নোখোজো । মইতো এতিয়া কাকো ভিক্ষা নিদিও । যদি মই সেই খোৰা আৰু বুঢ়াজনক ভিক্ষা নিদিও সিহঁত কি মৰি যাব ! অন্য কোনো ঠাইত সিহঁতে খুজি খাব । মই ঢোল বজোৱাজনীক যি দিছো, সেয়া ভিক্ষা নহয়েই ।" দীক্ষিতে কলে ।

"তেতিয়াহলে তাক কি বুলি কয় ? মহাজনে সুধিলে ।

"তেনেহলে শুনক । শেষত যিদুজন আহিছিল সিহঁত ভিখাৰী নহয় । সিহঁতৰ বিকৃত ঢোলৰ শব্দ শুনিব আৰু চাবুকেৰে নিজৰ শৰীৰত কোবাই থকা দৃশ্য মই চাব বিচৰা নাছিলো । যদি মই পইচা নিদিলোহেতেন সিহঁতে মোৰ ঘৰৰ সন্মুখত তাকে কৰি থাকিলহেতেন আৰু শেষত অসভ্য গলি পাৰি গুচি গ'লহেতেন । সেই কাৰণে মই তৎক্ষণাত ওলাই আহি টকাটো দি পঠাই দিলো । পোন্ধাৰ মিনিট সময়ো বচালো, লগতে মনৰ শান্তিও ৰাখিলো ।" দীক্ষিতে কলে ।

হঠাতে কমল মহাজনে কিবা কথা মনত পৰাৰ দৰে পকেটত কিবা বিচাৰিবলৈ ধৰিলে আৰু পকেটৰ পৰা টকা এটা উলিয়াই লৈ কলে, "এই টকাটো লওক । মোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ আপুনি পোন্ধৰ মিনিট সময় খৰছ কৰিলে আৰু সেই সময় আপোনাৰ বাবে মহা মূল্যবান ।"

দীক্ষিতে সেই টকা নললে । তেওঁ মহাজনৰ ফালে অলপ আগবাঢ়ি আহি কলে, "চাওক মহাজন, আপুনি ভুল বুজিছে । মই ভিখাৰীৰ পৰাহে সময় কিনিছো । কোনো অৱস্থাতে মই সিহঁতক এটকাতকৈ বেচি নিদিও । সেই কাৰণে মই এটকা খৰছ কৰিছো । কিন্তু আপুনি কিনিব বিচাৰিছে এজন বৈদ্যৰ মূল্যবান সময়, যিয়ে বৃত্তিত এজন ভাল চিকিৎসক । সেয়েহে এই টকাৰে যথেষ্ট নহব । ইয়াৰ মূল্য কিমান হব সেইটো নিৰ্ধাৰণ কৰিম আপোনাৰ কথা শুনাৰ পিছত, আপুনি কি কামত আহিছে এই কথা জনাৰ পিছত ।

তেতিয়াহে মহাজনৰ মনত খেলালে, তেওঁ যি কামত আহিছিল সেই কথা পাহৰিয়ে গৈছে । দীক্ষিতে এটা জোৰেৰে হাঁহি মাৰি কলে, "আপুনি আহিছে পাহৰা স্বভাৱৰ কাৰণে ঔষধ নিবলৈ । মই ঠিক কথা কৈছো নে?"

তেতিয়া কমল মহাজানে আনন্দিত হৈ কলে, "হাঁ, হাঁ, এতিয়াহে মনত পৰিছে । আজি কালি মই প্ৰায়ে পাহৰি যোৱা হৈছে ।"



ORISSA
The soul of India

তোমালোকৰ বাবে কুইজ

কটক

উৰিষ্যাৰ কটক চহৰ, যিখন চহৰে ইতিমধ্যে হাজাৰ বছৰ পূৰ্ত্তিৰ অনুষ্ঠান পালন কৰিছে, সেই চহৰখনে পৰ্য্যটক, ব্যৱসায়ী, বনভোজৰ দল, প্ৰকৃতি প্ৰেমী আৰু অন্যান্য সকলো লোকৰে হেপাহ পূৰণ কৰিব পাৰিব !

'Cuttack' চহৰখনক আগতে 'Katak' হিচাবে জনা গৈছিল । এইখন উৰিষ্যাৰ প্ৰধান চহৰ আছিল । বিভিন্ন বংশৰ ৰজাই শাসন কৰা এই চহৰখনৰ এক বিচিত্ৰ ইতিহাস আছে । গঙ্গা বংশই নিৰ্মাণ কৰা বাৰাবতী দুৰ্গৰ ধবংসাৱশেষে ঐতিসিকসকলক এতিয়াও আকৃষ্ট কৰে ।

তীৰ্থ যাত্ৰালৈ যাবানেকি ? তেতিয়াহলে এই চহৰত বহুতো দেৱ দেৱীৰ মন্দিৰ আছে । কাদাম-ই-ৰচুল, হিন্দু আৰু মুছলমান উভয়ৰ বাবে এখন পবিত্ৰ ঠাই । ইয়াতে প্ৰফেট মহম্মদৰ পদচিহ্ন থকা এটা ঘূৰণীয়া শিল থকা বুলি বিশ্বাস কৰা হয়।

ইয়াৰে অনচুপা হ্ৰদৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোৰম । শীতকালত ইয়ালৈ বহুতো পৰ্য্যটক চৰাই আহে ।

পৰ্বতাৰোহীসকল ! আশোকাঝাৰ অভিযানলৈ যাবলৈ পাহৰি নাযাবা কিন্তু । মহানদী নদীৰ নদী দ্বীপ ধৱলেশ্বৰ এখন অতি সুন্দৰ ঠাই ।

সোণ-ৰূপৰ মিহি গুণাৰ কাম, ৰূপৰ বাচন, শিং আৰু পিতলৰ কাম, কপাহী আৰু পাটৰ কাপোৰৰ বাবে কটক অতি বিখ্যাত ।

তোমালোকৰ বাবে কুইজ

১৪ বছৰৰ তলৰ শিশুৰ বাবে

প্ৰতিযোগিতা-৫

১. পুৰীৰ ৰঘুৰাজপুৰ, এক অসামান্য ধৰণৰ চিত্ৰৰ বাবে বিখ্যাত । কি চিত্ৰৰ বাবে ?

----

২. উৰিষ্যাৰ কোনখন চহৰ ষ্টীল প্লান্টৰ বাবে বিখ্যাত ?

----

৩. উৰিষ্যাৰ ক'ত উঁআকোথি বন্য প্ৰাণী অভয়াৰণ্যখন অৱস্থিত ?

প্ৰশ্নৰ তলত দিয়া খালী ঠাইত উত্তৰবোৰ স্পষ্টকৈ লিখিবা । তলত দিয়া কুপণখন পূৰ্ণ কৰি এই ঠিকনালৈ পঠাবা-

Orissa Tourism Quiz Contest
Chandamama India Limited
No.82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097

নাম : ....

বয়স : ....

ঠিকনা : ....

: ....

পিন.................ফোন.................

ORISSA TOURISM

Winners picked by Orissa Tourism in each contest will be eligible for **3 days, 2-night** stay at any of the **OTDC Panthanivas**, upto a maximum of four members of a family. Only original forms will be entertained. The competition is not open to CIL and Orissa Tourism family members. Orissa Tourism, Paryatan Bhaven, Bhubaneswar-751 014. Ph: (0674)432177, Fax:(0674)430887, e-mail:ortour@sancharnet.in. Website:Orissa-tourism.com

যক্ষ পৰ্বত

11

(পাহাৰী দুৰ্গত বীৰপুৰৰ সৈন্যসকলে স্বৰ্ণচাৰীক পৰাস্ত কৰিছিল । তেতিয়া স্বৰ্ণচাৰীয়ে কেইজনমান অনুচৰক লগত লৈ হাবিৰ মাজলৈ পলাই গৈছিল । হাবিত তেওঁলোকে খৰ্গ, জীৱদন্ত্ৰ আৰু সমৰবাহুক দেখিছিল । গুৰু ভালুকে নিজৰ শিষ্যৰ ওপৰত গুৰুভক্তি প্ৰমাণ কৰিবলৈ, শিষসকলৰ এজনক গছৰ ওপৰলৈ উঠি গৈ জাঁপ মাৰিবলৈ আদেশ দিছিল । তেওঁৰ আদেশ দিয়া শেষ নহওতেই এজন শিষ্য গছৰ ওপৰলৈ উঠি গৈ তলত জাঁপমাৰি পৰিছিল ।) ইয়াৰ পিছত...

গুৰু ভালুকৰ শিষ্যই জাঁপ মাৰিব ধৰোতেই জীৱদন্ত্ৰই দৌৰি গৈ শিষ্যজন মাটিত পৰাৰ আগতে মন্ত্ৰদন্ডডাল পাতি দিলে । গুৰু ভালুকৰ শিষ্যই গুৰুৰ নাম স্মৰণ কৰি খুব জোৰেৰে আহি দন্ডডালৰ ওপৰত পৰিল । জীৱদন্ত্ৰই অতি সাৱধানেৰে তেওঁক ধৰি মাটিৰ ওপৰত থিয় কৰাই দিলে ।

ভালুকৰ পোচাক পিন্ধা শিষ্যজনে এইবুলি দুখ প্ৰকাশ কৰি কলে যে, তেওঁক গুৰু ভক্তি প্ৰদৰ্শনৰ সুযোগ দিয়া নহ'ল । তেওঁ অতি দুঃখেৰে কলে, "আপুনি মোক বচালে হয়, কিন্তু স্বৰ্গলৈ যোৱাৰ এটা অতি ভাল সুযোগৰ পৰা মোক বঞ্চিত কৰিলে ।"

তেওঁৰ কথা শুনি জীৱদন্ত্ৰই হাঁহি হাঁহি কলে, "কোনে জানে তুমি স্বৰ্গলৈ গ'লা হয় নে নৰকলৈ। এইটো ঠিক যে, তুমি মৃত্যুৰ পৰা ৰক্ষা পৰিলা । এতিয়া তোমাৰ আৰু গুৰু ভালুকৰ প্ৰধান দায়িত্ব হ'ল সমৰবাহুক সহায় কৰা ।"

ইতিমধ্যে গুৰু ভালুক, সমৰবাহু আৰু খৰ্গবৰ্মা গৈ তাত উপস্থিত হ'ল । গুৰু ভালুকৰ মনত আনন্দৰ সীমা নাই । তেওঁ জীৱদন্ত্ৰ আৰু খৰ্গবৰ্মাক কলে, "আপোনালোকে নিজ চকুৰে দেখিলে নহয় মোৰ শিষ্যৰ

গুৰুভক্তিৰ নমুনা ।

স্বীকাৰ কৰো, তেওঁৰ গুৰুভক্তিৰ তুলনা নাই । এতিয়া তোমাৰ দুজন শিষ্যক মই এটা কামৰ দায়িত্ব দিব খুজিছো, সেইটো তেওঁলোকে পূৰণ কৰিব লাগিব ।”

গুৰু ভালুকে আৰু এজন শিষ্যক মাতি আনিলে । তেতিয়া জীৱদন্তই দুয়োজন শিষ্যকে কলে, “বীৰপুৰৰ সৈনিকসকল আশেপাশে কৰবাত আছে । তোমালোক দুয়ো এনে নাটক কৰিব লাগিব, যেন অসাৱধান বশতঃ তোমালোকে গৈ তেওঁলোকৰ মাজত উপস্থিত হৈছা । তেওঁলোকক বিশ্বাসেৰে সৈতে কব লাগিব যে পাহৰী দুৰ্গৰপৰা পলাই যোৱা সমৰবাহুৰ সকলোবোৰ অনুচৰ গুৰু ভালুকৰ গৰ্ত দুৰ্গৰ ভিতৰত লুকাই আছে । মোৰ কথা বুজি পাইছাতো ?”

“হয় মহাশয় ! বুজি পাইছো । আপুনি কোৱাৰ নিচিনাকৈ আমি কৰিম আৰু ফলবতীও হম ।” গুৰু ভালুকৰ শিষ্য দুজনে কলে ।

তাৰপাছত তেওঁলোক দুয়ো ওলাই গ’ল। বহুত সময় তেওঁলোক দুয়ো হাবিৰ মাজত ঘূৰাফুৰা কৰিলে । সূৰ্য্যাস্তৰ সময়ত তেওঁলোকে দুজন সৈন্যক গছৰ তলত বহি থকা দেখিবলৈ পালে । দুয়ো শিষ্যই কিবা আলোচনা কৰি জোৰে চিঞৰি চিঞৰি কবলৈ ধৰিলে, “গুৰু ভালুক, আপুনি ক’ত? আমি ইয়াতে আছো ।” এইবুলি চাৰি পাঁচবাৰমান চিঞৰিলে ।

তেওঁলোকৰ চিঞৰ শুনি বীৰপুৰৰ অশ্বাৰোহী সৈনিক দুজন সচকিত হৈ উঠিল। তেওঁলোকৰ দলপতিজনে তৎক্ষণাত খাপৰ পৰা তৰোৱাল উলিয়াই অনুচৰজনক কলে, “এই চিঞৰা লোক কোন হব পাৰে ? অনুমান হয় সিহঁত সেই ভালুকৰ পোচাক পিন্ধা মানুহ। সিহঁতৰ পৰা আমাৰ বিপদ হব পাৰে । বলা!” ইয়াকে কৈ তেওঁলোকে ভালুকৰ শিষ্যদুজনৰ ফালে তীৰবেগে আগবাঢ়ি গ’ল ।

অশ্বৰোহী সৈন্যদুজনক দেখিয়ে শিষ্যদুজনে যাঠীদুডাল মাটিত পেলাই দি কবলৈ ধৰিলে, “মহাশয়, আমাক নামাৰিব। আমি পৰাজয় স্বীকাৰ কৰিছো । যি দেখিছো শত্ৰুসকলে গুৰু ভালুককো বন্দী কৰিছে । গুৰুকেই যদি বন্দী কৰিছে আমি কাৰ বাবে জীয়াই থাকিম ?”

এই কথা শুনি দলপতিয়ে আচৰিত হৈ কলে, “তোমালোকৰ গুৰুক কোন শত্ৰুয়ে বন্দী কৰিলে ?”

তেতিয়া এজন শিষ্যই কলে, “মহাশয়,

আজি ৰাতিপুৱা কিছুমান উটত উঠি অহা মানুহে হঠাতে আমাৰ গৰ্ত দুৰ্গত প্ৰৱেশ কৰিছিল । সেই সময়ত আমি সকলোৱে দেৱী পূজাত মগ্ন আছিলো, সেই কাৰণে যুদ্ধ দিব পৰা নাছিলো । সিহঁতে আমাৰ প্ৰায়বোৰকে মাৰি পেলাইছে । আমি দুজনে গুৰুৰে সৈতে কোনোমতে হাবিৰ মাজলৈ পলাই আহিছো ।”

দলপতিয়ে কেইজনমান সৈন্যক দুৰ্গলৈ ঘূৰি যাবলৈ আদেশ দি কলে, “তোমালোকে এই বাতৰি দিবা যে শত্ৰু গৰ্ত দুৰ্গৰ মাজত লুকাই আছে ।” তাৰ পাছত গুৰু ভালুকৰ শিষ্যদুজনক কলে, “শত্ৰুসকল ক'ত আছে, সেই বাতৰি দি তোমালোকে আমাৰ উপকাৰ কৰিছা । সেনাপতি আহি পালেই তোমালোকক উচিত পুৰস্কাৰ দিয়াম ।”



শিষ্যদুজনে অনিচ্ছাপূৰ্বক মূৰদোৱাই কলে, “আমি দেৱী উপাসক । আমি কোনো পুৰস্কাৰ গ্ৰহণ নকৰো । আমাক যাবলৈ অনুমতি দিয়ক ।”

তেতিয়া দলপতিয়ে অসন্তোষ প্ৰকাশ কৰি কলে, “নাই, যাব নোৱাৰা । গৰ্ত দুৰ্গ দেখুৱাই দিয়াৰ দায়িত্ব এতিয়া তোমালোক দুজনৰ । তোমালোক এইডাল গছৰ তলতে থিয় হৈ থাকা ।”

ইফালে দলপতিয়ে পঠোৱা সৈন্যকেইজনে সেনাপতিৰ আগতগৈ বাতৰিটো দিলে। তেওঁ আনন্দিত হৈ কলে, “তাৰমানে সেই ৰাজদ্ৰোহীহঁতে একে ঠাইতে গৈ আছে ।” ইয়াকে কৈ তেওঁ কিছুমান অশ্বৰোহী আৰু কিছুমান স্থল সৈন্য লৈ দলপতিৰ ওপৰ আহি পালে ।

দলপতিয়ে অভিবাদন জনাই সেনাপতিৰ আগত সম্পূৰ্ণ বিৱৰণ দিলে । সেনাপতিয়ে তুৰন্তে গৰ্ত দুৰ্গলৈ যাবলৈ আদেশ দিলে । ভালুকৰ শিষ্যদুজন আগে আগে আৰু সৈন্যসকল পিছে পিছে যাবলৈ ধৰিলে । এইদৰে পোন্ধৰ মিনিটমানৰ ভিতৰতে তেওঁলোকে গৈ গৰ্ত দুৰ্গৰ ওচৰ পালে ।

সেনাপতি ঘোঁৰাৰ পৰা নামি আগবাঢ়ি গ'ল । তলৰ ফালে হালি চাই চিঞৰি কবলৈ ধৰিলে, “মই বীৰপুৰৰ সেনাপতি । এক বৃহৎ সৈন্যবাহিনী লৈ ইয়ালৈ আহিছো । তোমালোকে অস্ত্ৰবোৰ তাতে পেলাই থৈ ওপৰলৈ উঠি আহা । অতি সোনকালে যদি আত্মসমৰ্পন নকৰা মই নিজে সৈন্যসকলৰে সৈতে দুৰ্গত প্ৰৱেশ কৰি তোমালোকক চাই লম ।”

কিছু সময় অপেক্ষা কৰাৰ পিছতো কোনো ওলাই নহাত সেনাপতিয়ে ক্ৰোধতে দাঁত কৰচিবলৈ ধৰিলে । তেওঁ আশ্বাৰোহী সৈন্যসকলক আদেশ দি কলে যে তেওঁলোকে ঘোঁৰাবোৰ গছত বান্ধি থৈ একলগ হব লাগে । তাৰ পাছত সেনাপতিয়ে তেওঁলোকক আৰু স্থলসৈন্যসকলক লগত লৈ গৰ্তৰ ভিতৰলৈ সোমাই গ'ল । আগে আগে গ'ল ভালুকৰ শিষ্য দুজন ।

তেওঁলোকে গৰ্তৰ ভিতৰত প্ৰৱেশ কৰাৰ লগে লগে ইফালে জাৰণিৰ মাজৰ পৰা চাৰিজন ভালুকৰ পোচাক পিন্ধা মানুহ ওলাই আহি ঘোঁৰাৰখীয়া সৈন্য দুজনক বন্দী কৰিলে। সিহঁতক হাতে ভৰিয়ে বান্ধি কাঁইটীয়া জাৰনিৰ মাজত পেলাই দিলে ।

ঠিক সেই সময়তে খৰ্গবৰ্মা, জীৱদন্ত্ৰ, গুৰু ভালুক আৰু সমৰবাহু আহি পালে । জীৱদন্ত্ৰই গুৰু ভালুকক কলে, এতিয়া আমাৰ প্ৰধান কাম হ'ল বীৰপুৰৰ সেনাপতিক জীয়াই জীয়াই বন্দী কৰা । গৰ্তৰ ভিতৰত যিসকলে প্ৰৱেশ কৰিছে তেওঁলোকক ভয় খুৱাবলৈকে গৰ্তৰ দুৱাৰ মুখত শুকান গছৰ ডাল ৰাখি জুই লগাই দিব লাগিব । তাৰ ধোঁৱা যাতে গৰ্তৰ ভিতৰত সোমাই সেইটো লক্ষ্য কৰিব লাগিব। এই কাম কৰিব লাগিব তোমাৰ শিষ্য আৰু সমৰবাহুৰ অনুচৰসকলে ।

গুৰু ভালুকৰ আদেশ পাই তেওঁৰ শিষ্যসকলে শুকান গছৰ ডাল আনি গৰ্তৰ মুখত ৰাখিলে আৰু তাৰ পাছত সেইবোৰ জুই লগাই দিলে । জীৱদন্ত্ৰই গৰ্তৰ ভিতৰলৈ চাই কবলৈ ধৰিলে, "বীৰপুৰৰ সেনাপতি ! তুমি আৰু তোমাৰ সৈনিকসকলে তাতেই অস্ত্ৰবোৰ পেলাই দি অতি সোনকালে বাহিৰলৈ ওলাই আহা । যদি তাকে নকৰা তেতিয়াহলে গৰ্তৰ ভিতৰত জুই লগাই দিম আৰু তোমালোকে তাতেই পুৰি মৰিবা ।"

গৰ্তৰ ভিতৰত শত্ৰুক বিচাৰি থকা সেনাপতিয়ে জীৱদন্ত্ৰৰ সাৱধানবাণী শুনিবলৈ পালে । তেওঁ গৰ্তৰ ভিতৰত থকা কোঠালীবোৰ বিচাৰি এটাও মানুহ দেখিবলৈ

নাপালে। গুৰু ভালুকৰ শিষ্যই যে তেওঁক প্ৰতাৰণা কৰিছে সেই কথা বুজিবলৈ তেওঁৰ বেচি সময় নালাগিল।

সনাপতি চিন্তাত পৰিল, এতিয়া কি কৰা যায়। এনেতে জ্বলি থকা শুকান গছৰ ডাল কিছুমান তেওঁৰ আশে পাশে পৰিবলৈ ধৰিলে। তেওঁ বুজিব পাৰিলে, কথা বিষম। তেওঁ নিজে অস্ত্ৰ পেলাই দি সৈনিকসকলকো অস্ত্ৰ পেলাই দিবলৈ আদেশ দিলে। তাৰ পাছত গৰ্তৰ মুখৰ ফালে চাই চিঞৰি কলে, "মই বীৰপুৰৰ সেনাপতিয়ে সৈন্যসকলৰে সৈতে আত্মসমৰ্পন কৰিছো। নিৰস্ত্ৰ হৈ ওপৰলৈ আহি আছো।"

"খৰ্গ, সেনাপতিৰ কথাত কোনো চতুৰালী থকা যেন অনুমান হোৱা নাই। তেওঁলোকক গৰ্তৰ ওপৰলৈ আহিবলৈ অনুমতি দিও নেকি?" জীৱদন্ত্ৰই সুধিলে।

খৰ্গবৰ্মাই উত্তৰ দিয়াৰ আগতে গুৰু ভালুকে কলে, "মহাশয়, সেনাপতি আৰু তেওঁৰ সৈন্যসকল সমান বিশ্বাসযোগ্য নহয়। প্ৰথমতে মোৰ শিষ্যকেইজনক ওপৰলৈ পঠাবলৈ কওক। তেওঁলোকৰ পৰা সম্পূৰ্ণ বিষয়টো জানি লোৱাৰ পিছত ভৱিষ্যতৰ কাৰ্য্য ব্যৱস্থা কৰক।"

জীৱদন্ত্ৰই হাঁহিমাৰি কলে, "ধূৰ্ত্তই হে ধূৰ্ত্তক চিনি পায়। ঠিক আছে, প্ৰথমতে শিষ্যকেইজনক ওপৰলৈ অহাৰ কথা কওঁ।"

গুৰু ভালুকে যাঠীপাত ওপৰলৈ দাঙি "বৃকেশ্বৰী মাতা কি জয়" বুলি কৈ গৰ্তৰ মুখলৈ গৈ চিঞৰি কলে, "শিষ্যদ্বয়, প্ৰথমতে তোমালোক দুয়ো ওপৰলৈ আহা। তেতিয়ালৈকে বাকীবোৰ বন্দী থিয় হৈ



থাকক। অলপো যেন আগনাবাঢ়ে। এয়া পাহাৰী ৰাজ্যৰ ৰজা সমৰবাহুৰ আদেশ।" গুৰুৰ আদেশ পাই দুই শিষ্য ওপৰলৈ উঠি আহিল।

ভালুকৰ শিষ্য দুজনে ওপৰলৈ উঠি আহি তেওঁলোকৰ আগত গোটেই কথা বিবৰি কলে। তেতিয়া খৰ্গ আৰু জীৱদন্ত্ৰই সেনাপতিক ওপৰলৈ আহিবলৈ আদেশ দিলে। সেনাপতিয়ে ওপৰলৈ উঠি আহি খৰ্গ বৰ্মা আৰু জীৱদন্ত্ৰক প্ৰণাম কৰিলে। তেতিয়া জীৱদন্ত্ৰই তেওঁক সমৰবাহুৰ ফালে দেখুৱাই কলে, "এওঁ এই প্ৰান্তৰ্ ৰজা। চন্দ্ৰবংশীয়। তুমি এওঁকো প্ৰণাম কৰা।"

বীৰপুৰৰ সেনাপতিয়ে সমৰবাহুকো নমস্কাৰ কৰিলে। ইতিমধ্যে সকলোবোৰ নিৰস্ত্ৰ সৈনিক গৰ্তৰ ওপৰলৈ উঠি আহিছিল। সমৰবাহুৱে তেতিয়া স্বৰ্ণাচাৰীক সুধিলে,

"মহামন্ত্ৰী, এই শত্ৰুসকলক কি শাস্তি দিয়া যায়?"

স্বৰ্ণাচাৰীয়ে খৰ্গ আৰু জীৱদন্ত্ৰৰ লগত আলোচনা কৰি উঠি কলে, "মহাৰাজ, এওঁলোকক কি শাস্তি দিয়া যাব সেইটো নিৰ্ভৰ কৰিব ভৱিষ্যতে বীৰপুৰৰ ৰজাই দেখুৱা নীতিৰ ওপৰত। এতিয়া এওঁলোকক পাহাৰী কাৰাগাৰত বন্দী কৰি ৰখাই ভাল হব।"

সমৰবাহুৱে কলে, "আপুনি খুব ভাল পৰামৰ্শই দিছে।" আগতে সমৰবাহু আছিল মাথোঁ এজন ডকাইতৰ চৰ্দাৰ। কিন্তু, এতিয়া তেওঁৰ কথাত, তেওঁৰ আচৰণত ৰাজোচিত লক্ষণ দেখুৱাবলৈ ধৰিলে। ইয়াকে দেখি আচৰিত হৈ খৰ্গবৰ্মাই জীৱদন্ত্ৰৰ আগত ফুচফুচাই কলে, "এক সাধাৰণ জয়ে ডকাইত সমৰবাহুৰ মনলৈ কিমান যে পৰিবৰ্তন আনি দিছে।"

সমৰবাহুৱে খৰ্গ আৰু জীৱদন্ত্ৰক কলে, ক্ষত্ৰিয় বীৰদ্বয়, আপোনালোকে দুৰ্গৰ ফলে আগবাঢ়িব নেকি ?"

"ৰজাৰ আদেশ জানো কোনোবাই অমান্য কৰিব পাৰে ? নিশ্চয় যাম।" জীৱদন্ত্ৰই কলে।

সকলোৰে আগত ঘোঁৰাত উঠি গৈছিল সমৰবাহু, স্বৰ্ণাচাৰী, খৰ্গ আৰু জীৱদন্ত্ৰ। তাৰ পিছে পিছে উট আৰু ঘোঁৰাত উঠি গৈছিল সমৰবাহুৰ অনুচৰসকল। তাৰ পিছে পিছে গৈছিল বীৰপুৰৰ বন্দী সৈনিকসকল।

কিছুসময় পিছতে তেওঁলোক গৈ পাহৰী দুৰ্গৰ ওচৰ পালে। তালৈ গৈ তেওঁলোকে দেখিবলৈ পালে পাহাৰৰ তলত এডাল গছৰ ওচৰতে এটা সৰু তম্বু। তাতে এখন ওখ আসনত এজন বৃদ্ধ বহি আছে। তেওঁৰ চাৰিওফালে আৰু কিছুমান মানুহ আছে।

খৰ্গ আৰু জীৱদন্ত্ৰই বুজিব পৰা নাই এই বৃদ্ধজন কোন ? এনেতে সেই বৃদ্ধই দুজন সৈনিকক লগত লৈ তেওঁলোক দুয়োৰে ওচৰলৈ আহি কলে, "মই বীৰপুৰৰ ৰজাৰ প্ৰধানমন্ত্ৰী। আমাৰ গুপ্তচৰৰ মুখৰ পৰা মই তোমালোক দুয়োৰে বিষয়ে শুনিছো। তোমালোক দুয়ো খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰ নোহোৱানে ?"

"হয়" বুলি মূৰ দুপিয়াই খৰ্গ আৰু জীৱদন্ত্ৰই সেই বৃদ্ধক প্ৰণাম কৰিলে। এনেতে ঘোঁৰাত উঠি তালৈ অহা সমৰবাহু আৰু স্বৰ্ণাচাৰীক পৰিচয় কৰাই দি তেওঁলোকে সেই বৃদ্ধমন্ত্ৰীক কলে, "এওঁ পাহাৰী দুৰ্গৰ ৰজা সমৰবাহু আৰু এওঁ হ'ল তেওঁৰে মহামন্ত্ৰী, স্বৰ্ণাচাৰী।"

বৃদ্ধ মন্ত্ৰীয়ে মূৰটো লৰাই কলে, "নিজৰ পৰাক্ৰমেৰে এওঁলোকে যিবোৰ অঞ্চল জয় কৰিছে সেইবোৰ অঞ্চলত মহাৰাজ সমৰবাহুৱে শাসন চলাব পাৰে। তাত তেওঁৰ সম্পূৰ্ণ অধিকাৰ আছে। বীৰপুৰৰ মহাৰাজৰ ফালৰ পৰা তেওঁৰ প্ৰধানমন্ত্ৰী হিচাবে মই এই কথা ঘোষণা কৰিলো। কিন্তু মই ইয়ালৈ আহিছো তোমালোক দুয়োৰে কাৰণে। তোমালোক দুয়োৰে সৈতে মই অকলে কথা হব বিচাৰো।"

সমৰবাহুৱে নিজে ৰজা হোৱাৰ কথাতো বিশ্বাসেই হোৱা নাছিল। তেওঁ বীৰপুৰৰ সেনাপতিক কলে, "আপুনি আৰু আপোনাৰ সৈন্যসকল মোৰ অতিথি। কালি ৰাতিপুৱা আপোনালোক নিজৰ ৰাজধানীলৈ ঘূৰি যাব পাৰিব।"

বীৰপুৰৰ প্ৰধানমন্ত্ৰীয়ে সমৰবাহুৰ মুখত মিচিকিয়া হাঁহি দেখিবলৈ পালে। তেওঁ খৰ্গ আৰু জীৱদন্তক অলপ দূৰলৈ লৈ গৈ কলে, "বীৰ যোদ্ধাদ্বয়, মইতো এনেয়ে মোৰ গুপ্তচৰৰ মুখে তোমালোকৰ বিষয়ে জানিবলৈ পাৰিছো। কিন্তু তোমালোকৰ বিষয়ে তাতকৈও অধিক শুনিবলৈ পাইছো এজন যক্ষৰ পৰা।"

"যক্ষ! কোন যক্ষ?" দুয়ো একেলগে বৃদ্ধমন্ত্ৰীক সুধিলে। তাৰপাছত জীৱদন্তই খৰ্গ বৰ্মাক কলে, "খৰ্গ, মন্ত্ৰীয়ে যি যক্ষৰ কথা উল্লেখ কৰিছে, সেইজন পদ্মপুৰৰ ৰাজকুমাৰী পদ্মাৱতীক অপৰণ কৰি নিয়া যক্ষজন নহয়তো?"

খৰ্গবৰ্মাও অত্যন্ত আচৰিত হৈছিল। বীৰপুৰৰ বৃদ্ধ মন্ত্ৰীয়ে কোনো উত্তৰ নিদিয়াকৈ আগবাঢ়ি গৈ আছিল। তেওঁ সন্মুখৰ টিলা এটাত গৈ থিয় হৈ তলেৰে বৈ যোৱা নদী এটাৰ ফালে হাত দেখুৱাই কবলৈ ধৰিলে, "খৰ্গ আৰু জীৱদন্ত, সেইটো নদীত যে ৰথৰ আকৃতিৰ নাওখন দেখিছা সেই নাওখনলৈ মনোযোগেৰে লক্ষ্য কৰা।"

খৰ্গ আৰু জীৱদন্তই নাওখনৰ ফালে চালে। সেইখন ৰথৰ আকৃতিৰ আছিল, যাৰ বিষয়ে তেওঁলোকে পদ্মপুৰত শুনিছিল আৰু অৰণ্যপুৰত দেখিছিল।

জীৱদন্তই অতি উৎসাহেৰে মন্ত্ৰদণ্ডডাল ওপৰলৈ দাঙি কলে, "আহ্, ইমান দিনৰ পিছত সেই দুষ্ট যক্ষই আমাৰ লগত যুদ্ধ কৰিবলৈকে আহিছে। ভাল কথা, আমিও আমাৰ শক্তি প্ৰদৰ্শন কৰাৰ সুযোগ এটা পালো।" এইবুলি কৈ তেওঁ নদীটোৰ ফালে আগবাঢ়ি গ'ল।

(ক্ৰমশঃ)

কাল কুঠৰী

এজন চোৰ ৰাজভৱনলৈ চুৰি কৰিবলৈ গৈ ধৰা পৰি গ'ল । ধৰা পৰাৰ আগতে চোৰটোৱে এজন সৈনিকক আঘাত কৰিছিল । অন্য সৈনিকবোৰে তাক ৰজাৰ ওচৰলৈ ধৰি লৈ গৈ ৰজাক সকলো কথা কলে ।

ৰজাই তেতিয়া সৈনিকক আদেশ দি কলে, ‘‘ইয়াক পাঁচ বছৰ পৰ্য্যন্ত কাল কুঠৰীত বন্ধ কৰি ৰাখিবা । যদি ইয়াৰ ভিতৰতে ই নমৰি জীয়াই থাকে মুক্তিৰ দিনা ইয়াক মোৰ ওচৰলৈ লৈ আহিবা।’’

চাওঁতে চাওঁতে পাঁচ বছৰ পাৰ হৈ গ'ল । সৈনিকে চোৰটোক ৰজাৰ ওচৰলৈ লৈ আহিল। চোৰটো খুব ক্ষীণাইছিল আৰু ৰুগীয়া যেন দেখা হৈছিল । তাক দেখিয়ে ৰজাৰ মনত তাৰ প্ৰতি দয়া উপজিল । ৰজাই চোৰটো কলে, ‘‘কাল কুঠৰীত তই বহুত কষ্ট পাইছ যেন লাগিছে। ঠিক আছে, আজিৰ পৰা তোক মুক্তি দিলো ।’’

তেতিয়া চোৰটোৱে হাতযোৰ কৰি ৰজাক কলে, ‘‘মহাৰাজ, কাল কুঠৰীত প্ৰথমতে মই বহুত কষ্ট পাইছিলো, তাত থকাই টান হৈছিল, কিন্তু পিছত খুব সুখী অনভব কৰিবলৈ ধৰিলো । আগতে ৰাতিপুৱাৰ লগে লগে সাৰ পাইছিলো, ভোক গুচাবৰ বাবে উপায় চিন্তা কৰি আছিলো, ক'ত চুৰি কৰো, কেনেকৈ চুৰি কাৰো, কোন ঠাইৰ কাৰ ঘৰত সোমাও । আকৌ মোৰ এটা বেয়া অভ্যাস আছে । পোহৰ আৰু ঠান্ডা বতাহ মই সহ্য কৰিব নোৱাৰো। মোৰ বাবে কাল কুঠৰীয়ে ভাল । দয়া কৰি আকৌ মোক কাল কুঠৰীত থাকিবলৈ অনুমতি দিয়ক ।’’

চোৰৰ উত্তৰ শুনি ৰজাই বুজিব পাৰিলে, মানুহে যিমান কষ্টই নাপাওক কিয় পৰিস্থিতিৰ লগত খাপ খাই যায় আৰু তাকেই পচন্দ কৰে । ৰজাই তাক সান্ত্বনা দি কলে, ‘‘ভয় নকৰিবি। লাহে লাহে স্বাধীন জীৱন যাপনৰ লগতো খাপ খাব পাৰিবি ।’’ তাৰপাছত ৰজাই কলে, ‘‘ভৱিষ্যতে মোৰ মালিৰ লগত তই কাম কৰিবি আৰু তোৰ যি কাম পচন্দ তাকে কৰি থাকিবি । -ভৱানী শঙ্কৰ

বেতাল কথা

ৰহস্যজনক মৌনতা

এইটো আছিল এক ভয়াবহ ৰাতি। আকাশৰ পৰা ধাৰাষাৰে বৰষুণ পৰি আছিল আৰু মেঘবোৰে ভয়ানক ভাবে গৰ্জ্জন কৰি আছিল। বিজুলীৰ চিকমিকনিত লাওখোলাবোৰ দাঁত নিকতাই পৰি থকা দেখা গৈছিল। দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল। গছৰপৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ মৌন হৈ শ্মশানৰ ফালে আগবাঢ়িবলৈ ধৰিলে। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, তুমি মোক ইয়াৰ পৰা লৈ যাবলৈ কিয় ইমান আঁকোৰগোজ কৈ লাগি

আছা।" কিন্তু ৰজা বিক্রম মৌন হৈয়ে থাকিল। "তোমাৰ এই মৌনতা ৰজা সুশান্ততকৈও বেচি ৰহস্যময়। তুমি তেওঁৰ নাম শুনিছানে? মই তেওঁৰ কাহিনী কম, পথৰ ভাগৰ দূৰকৰিবলৈ তুমি মনোযোগেৰে শুনি যোৱা।" এইবুলি বেতালে কাহিনী আৰম্ভ কৰিলে।

পুষ্পনগৰৰ ৰজা সুশান্ত এজন বিদ্যান আৰু মহৎ লোক আছিল। তেওঁ সাধুসকলক দান দিছিল আৰু কবি শিল্পীসকলক উপহাৰ দিছিল। তেওঁৰ ৰাজ্যখন যাতে সমৃদ্ধিশালী হয় আৰু প্ৰজাবোৰে যাতে সুখেৰে বাস কৰিব পাৰে তাৰপ্ৰতি তেওঁ দৃষ্টি ৰাখিছিল। তেওঁৰ এটাই দোষ, সেয়া হ'ল খং। তেওঁ বিচাৰামতে যদি কিবা কাম নহৈছিল, খঙতে তেওঁ ফাটি পৰিছিল। এবাৰ ৰজাৰ অভ্যাগতলোকৰ বাবে ৰজাই আদেশ দিয়া মতে ভাল খাদ্য সম্ভাৰ তৈয়াৰ কৰিব নোৱাৰা বাবে ৰজাৰ ৰান্ধনিকেইজনে অকল কামৰ পৰা বৰ্খাস্ত হোৱাই নহয়, দেশান্তৰো হব লগা হৈছিল।

যদি কোনো বিষ য়াৰ দোষ ধৰা পৰিছিল, তেতিয়া তেওঁ ৰাজৰোষত পৰিছিল। তাৰ বাবে তেওঁৰ চাকৰি যোৱাই নহয়, জীৱনৰো টনাটনি আছিল। এই খঙাল ৰজাৰ তলত মানুহবোৰে অস্বস্তিৰে বাস কৰিব লগা হৈছিল।

এদিনাখন এজন সাধু ৰাজসভালৈ আহি ৰজাক কৈছিল যে, তেওঁ ৰাজ্যৰ মন্দিৰবোৰত আলোচনা সভা পাতিব খোজে।

"মহাত্মা, আপুনি কোন? আপুনি কৰপৰা আহিছে?" ৰজাই নম্ৰভাবে সুধিছিল।

"মোৰ নাম পৰমানন্দ। মই হিমালয়ৰ পৰা আহিছো। যোৱা এক দশক ধৰি মই তাত তপস্যা কৰি আছিলো।" সাধুৱে উত্তৰ দিছিল। "তপস্যাই মোৰ মনলৈ শান্তি আনিছে। কিন্তু মোৰ গুৰুৱে কৈছে যে অকল মই নিজে নিৰ্বান লাভ কৰাটোৱে জীৱনৰ উদ্দেশ্য হোৱা উচিত নহয়, কম ভাগ্যবানজনকো মুক্তিৰ পথ দেখুৱা উচিত। সেয়েহে মই ইয়ালৈকে আহিছো!"

সাধুৰ কথাত ৰজা মুগ্ধ হৈছিল। "স্বামীজী! আপুনি যদি মোৰ ৰাজ্যত থাকি মোক আৰু প্ৰজাসকলক পথ দেখুৱায়, সঁচাকৈয়ে মই কৃতজ্ঞ হম।" ৰজাই কৈছিল।

সাধুৱে হাঁহি কৈছিল, "মহাৰাজ, মই কোনো ঠাইতে নিগাজিকৈ নাথাকো। কিন্তু আপোনাৰ আদৰ-সন্মানত মই অতিকৈ সন্তুষ্ট হৈছো। সেয়েহে আপোনাৰ ৰাজ্যত কিছুদিন থাকি, মই মোৰ কৰ্ত্তব্য কৰি যাম।"

ৰাজউদ্যানৰ কাষতে সাধুৰ বাবে এটা কুটীৰ সাজিবলৈ ৰজাই আদেশ দিছিল। ৰজাই উদ্যান

ৰক্ষক সুমঙ্গলক মাতি আনি সাধুৰ আদৰ যত্ন লবলৈ কৈছিল ।

সুমঙ্গল আৰু সাধুৰে অতি সোনকালে বন্ধু হৈ পৰিছিল । সুমঙ্গলে পত্নী আৰু দুই পুত্ৰৰে সৈতে উদ্যানৰ ভিতৰতে থকা এটা জুপুৰীত বাস কৰিছিল । প্ৰতি দিন ৰাতিপুৱা, প্ৰাৰ্থনাৰ শেষত সাধুৱে কিছুসময় ৰজাৰ ওচৰত কটাইছিল । ৰজা সুশান্তই সাধুৰ বাণীবোৰ মনোযোগেৰে শুনিছিল আৰু তেওঁৰ উপদেশ মতে কাম কৰিবলৈ চেষ্টা কৰিছিল । তাৰ পাছত সাধুৱে মন্দিৰ প্ৰাঙ্গনত গোটখোৱা মানুহবোৰৰ ওচৰলৈ গৈ ধৰ্মৰ বাণী শুনাইছিল ।

ৰাতি সাধুৱে সুমঙ্গলৰ লগত আহাৰ কৰিছিল আৰু তেওঁৰ দুই পুত্ৰক অদ্ভুত অদ্ভুত গল্প শুনাইছিল ।



এদিন ৰজা আৰু সাধুৱে যেতিয়া কিবা আলোচনা কৰি আছিল সুমঙ্গলে ওচৰৰ ফুলনিত কাম কৰি আছিল । সুমঙ্গলে লক্ষ্য কৰিছিল, কিছুমান মৌমাখিয়ে সাধুক বিৰক্ত কৰি আছে । তেওঁ সাধুৰ ওচৰলৈ দৌৰি আহি হাতদুখন লৰাই মৌমাখিবোৰ খেদি দিছিল ।

কিন্তু তেওঁলোকৰ আলোচনাত সেইদৰে সুমঙ্গলে ব্যাঘাত জন্মোৱা ৰজাই ভাল পোৱা নাছিল । তেওঁ খঙেৰে সুমঙ্গলক কৈছিল, "তুমি আমাৰ মাজলৈ আহিবলৈ কেনেকৈ সাহস পালা? কোনে কৈছে তোমাক আহিবলৈ ? মৌমাখিবোৰে স্বামীজীক কিবা অনিষ্ট কৰিলে মই সহায় কৰিলোহেতেন ? মোৰ আগৰ পৰা তৎক্ষণাত গুচি যোৱা । তোমাক আৰু মই ইয়াত দেখিব নিবিচাৰো ।"

সুমঙ্গল হতভম্ব হৈ গৈছিল । সাধুৱে তেওঁৰ ৰক্ষাৰ বাবে আগবাঢ়ি আহি কৈছিল, "মহাৰাজ, তেওঁৰ ওপৰত খং নকৰিব । তেওঁৰ অভিপ্ৰায়টো ভাল আছিল । খং কৰাতো অতি সহজ । কিন্তু ক্ৰোধিত হৈ কোনো সিদ্ধান্ত ললে সেইটো প্ৰায়ে ভুল বুলি প্ৰমাণিত হয় । যেতিয়া আপোনাৰ খং উঠে, সেই খং প্ৰশমিত নোহোৱালৈকে আপুনি মনে মনে থকাতোৱে শ্ৰেয় । যদি আপুনি খঙৰ ভমকত সুমঙ্গলক খেদি দিয়ে, তাৰদৰে এজন কৰ্মী, সাধু আৰু বিশ্বাসী লোক পোৱা কঠিন হব ।"

সাধু পৰমানন্দৰ কথা শুনি ৰজাই সুমঙ্গলক ক্ষমা কৰি দিছিল ।

পৰমানন্দৰ জ্ঞানগৰ্ভ কথাবোৰে ৰজাৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল ।

কেইমাহমান পিছত সাধুৱে অস্থিৰ হৈ পৰিছিল । এদিনাখন তেওঁ ৰজাৰ ওচৰলৈ গৈ কৈছিল, "মহাৰাজ, মোৰ জীৱনৰ লক্ষ্য হ'ল



যিমান মানুহকে পাৰো সিমানক সহায় কৰা । মই মাথোঁ আপোনাৰ ৰাজ্যৰ এজন নাগৰিক হৈ থাকিব নিবিচাৰো । মই অৰু বহুতো ঠাই ভ্ৰমণ কৰি সেই ঠাইবোৰৰ মানুহৰ ওচৰলৈ যাব বিচাৰো ।”

কিন্তু সাধুৱে তেওঁৰ ৰাজ্য এৰি যোৱা কথাতো ৰজাই শুনিব খোজা নাছিল । তেতিয়া সাধুৱে কৈছিল যে তেওঁ প্ৰতি তিনিমাহৰ মূৰে মূৰে পুষ্পনগৰলৈ আহিব আৰু ৰজাৰ লগত এমাহ থাকি যাব । ৰজা সুশান্তই সাধুৰ প্ৰস্তাৱত সন্মত হৈছিল ।

তিনিমাহ অতিক্ৰম হৈ যোৱাত এদিন সন্ধিয়া পৰমানন্দ পুষ্পনগৰলৈ আহিছিল । আহিয়ে তেওঁ নিজৰ কুটীৰাটোত সোমাইছিল । সুমঙ্গলে কিন্তু সাধু অহাৰ কথা জানিব পৰা নাছিল । সাধুৰ খুব পিয়াহ লগাত তেওঁ হাতত জাৰিটো লৈ উদ্যানৰ ভিতৰত থকা পুখুৰীটোলৈ পানী আনিবলৈ গৈছিল । জাৰিটো তেওঁ পানীত বুৰাই দিয়াত তাৰপৰা এটা গৰ্‌গৰ্ শব্দ হৈছিল ।

সুমঙ্গলে ঘৰৰ ভিতৰৰ পৰাই সেই শব্দটো শুনিবলৈ পাইছিল । তেওঁ ভাবিছিল কোনো জন্তু উদ্যানৰ ভিতৰত সোমাই পুখুৰীত পানী খাব ধৰিছে । তেওঁ দৌৰি ওলাই আহি পুখুৰীটোৰ যত শব্দ হৈছিল সেইফালে লক্ষ্য কৰি হাতত থকা যাঠীপাত দলিয়াই দিছিল ।

কিন্তু হায় ! সেই যঠীপাকে সাধুৰ পিঠিত বিন্ধি ধৰিছিল । সাধুৱে জোৰে চিঞৰ মাৰি দিছিল । সুমঙ্গলে সাধুৰ মাত বুজিব পাৰি দৌৰি আহি দেখিছিল যে সাধুৱে ঘন ঘনকৈ উশাহ লৈ আছে। সুমঙ্গলে সাধুৰ ভৰিত পৰি ক্ষমা খুজিছিল । তেতিয়া সাধুৱে কৈছিল, “আগতে মোৰ পিঠিৰপৰা যাঠীপাত উলিয়াই নিয়া, যাতে মই

শান্তিত মৰিব পাৰো। সুমঙ্গলে যঠীপাত উলিয়াই সাধুক মাটিত শুৱাই দিছিল।

"মোক ক্ষমা কৰিব। মই আপুনি আহিছে বুলি ভবা নাছিলো।" সুমঙ্গলে হাতযোৰ কৰি কৈছিল।

সাধুৱে হাঁহি মাৰি কৈছিল, "মই জানো। মই তোমাক ক্ষমা কৰিদিছো।" ইয়াকে কৈ তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল।

হঠাতে সুমঙ্গলে ভয় খাই উঠিছিল, 'ৰজাই যদি এই কথা শুনে, তেতিয়া মোৰ আৰু মোৰ পৰিয়ালৰ কি অৱস্থা হব ?' তেওঁ ঘৰলৈ দৌৰি আহি পত্নীৰ আগত গোটেই ঘটনাটোৰ কথা কৈছিল আৰু দুই পুত্ৰক লগত লৈ তেওঁলোকে ৰাতিৰ ভিতৰতে তাৰপৰা গুচি গৈছিল।

পিছদিনা প্ৰহৰীসকলে সাধুৰ মৃতদেহটো উদ্যানৰ ভিতৰত দেখিবলৈ পাইছিল। তেওঁলোকে সুমঙ্গলক চাৰিওফালে বিচাৰিছিল, কিন্তু কতো বিচৰি নাপালে। তেওঁলোকে ভাবি লৈছিল যে কিবা কাৰণত সুমঙ্গলেই সাধুক হত্যা কৰিছে। প্ৰহৰীসকলে ৰজাক গৈ খবৰটো দিছিল। তেতিয়া ৰজা খুব ক্ৰোধান্বিত হৈ উঠিছিল। সুমঙ্গলক বিচাৰি উলিয়াবলৈ ৰজাই আদেশ দিছিল, কিন্তু তেওঁক কতো বিচৰি পোৱা নগ'ল।

সুমঙ্গলে ইতিমধ্যে ওচৰৰে ৰাজ্য এখনত এটা কামৰ জোগাৰ কৰি লৈছিল। তাতো তেওঁ সুখেৰে থাকিব পৰা নাছিল। তেওঁ পুষ্পনগৰলৈ ঘূৰি আহিব বিচাৰিছিল। এবছৰ পিছত তেওঁ পুষ্পনগৰলৈ আহি ৰাজসভাতে কাম কৰা এজন পুৰণি বন্ধুক লগ ধৰিছিল। সাধুৰ মৃত্যুৰ বাবে ৰজাই তেওঁক ক্ষমা কৰি দিছে নে নাই এই কথাটো জানিবলৈ তেওঁ বন্ধুজনক অনুৰোধ কৰিছিল।

এদিন সুমঙ্গলৰ বন্ধু, সভাসদজনে ৰজাৰ আগত কথাটো উলিয়াৰ এটা সুযোগ পাইছিল। ৰজাৰ উদ্যান ৰক্ষকজনে ৰজাক কিছুমান সঁজুলি খুজিছিল। তেতিয়া সভাসদজনে কৈছিল, "সুমঙ্গল এজন দক্ষ উদ্যান ৰক্ষক আছিল, তেওঁতো ইমান সঁজুলি খোজা নাছিল।"

কিন্তু ৰজাই এটা শব্দও মতা নাছিল। সভাসদজনে সুমঙ্গলক আঁতৰি থাকিবলৈ কৈছিল। ছমাহ পিছত সুমঙ্গলৰ অনুৰোধত সভাসদজনে আকৌ ৰজাৰ আগত কথাটো উলিয়াইছিল। এইবাৰো ৰজাই একো মতা নাছিল।

আকৌ ছমাহ পাৰ হৈ গৈছিল। সুমঙ্গল কিছু হতাশ হৈ পৰিছিল। সুমঙ্গলে এইবাৰ মৰণত শৰণ দি পৰিয়াল সহ পুষ্পনগৰলৈ আহিছিল। তেওঁ বন্ধুজনৰ ওচৰলৈ যোৱাৰ পৰিবৰ্তে নিজে গৈ ৰাজসভাত উপস্থিত হৈ ৰজাৰ ভৰিত গৈ

দীঘল দি পৰিছিল। তাৰ পাছত তেওঁ সাধুজনৰ মৃত্যুৰ ঘটনা সবিশেষ বিবৰি কৈছিল।

"সুমঙ্গল, মই এইটো জানো। তুমি ইচ্ছাকৃত ভাবে এই কাম কৰা নাছিলা। তুমি আকৌ অহি কামত যোগদান কৰা।" ৰজাই সুমঙ্গলক কৈছিল।

বেতালে ইয়াতে কাহিনীটো শেষ কৰি ৰজাক সুধিলে, "ৰাজন, সুমঙ্গলৰ বন্ধুজনে প্ৰথম দুবাৰ যেতিয়া ৰাজসভাত আগৰ উদ্যান ৰক্ষৰ প্ৰশংসা কৰিছিল ৰজাই কোনো মাত মতা নাছিল। কিন্তু সাধুজনৰ মৃত্যুৰ দুবছৰ পিছত সুমঙ্গলে নিজে যেতিয়া ৰজাৰ ভৰিত পৰিছিল গৈ ৰজাই তেওঁক কামত যোগদান কৰিবলৈ অনুমতি দিছিল। ইয়াতে ৰজাই বাৰু সংগতিহীন আচৰণ দেখুৱা নাইনে? তুমি বাৰু ভাবানেকি ৰজাই সুমঙ্গলক দেখিহে অনুভব কৰিছিল, তেওঁ ইচ্ছা কৰি সাধুজনক হত্যা কৰা নাছিল? যদি তুমি এই প্ৰশ্নৰ উত্তৰ জানিও মৌন হৈ থাকা, তেতিয়াহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব।"

তেতিয়া ৰজা বিক্ৰমে উত্তৰ দি কলে, "নহয়, ৰজা সুশান্তই সংগতিহীন অচৰণ দেখুৱা নাছিল। বহুদিন পিছত হয়তো তেওঁ অনুভব কৰিব পাৰিছিল, সাধুৰ মৃত্যু এক দুৰ্ঘটনা, ইচ্ছাপূৰ্বক নাছিল। কাৰণ, তুমিয়েতো কৈছিলা তেওঁ এজন জ্ঞানী শাসক আছিল। ৰজাই উদ্যান ৰক্ষকক ভালদৰে জানিছিল! যদিও তেওঁ সুমঙ্গলক বিচাৰি উলিয়াবলৈ আদেশ দিছিল, সেইটো কৰিছিল ক্ৰোধৰ বশবৰ্ত্তীহৈ। কাৰণ, তেওঁৰ অতি প্ৰিয় সাধুজনৰ অকাল মৃত্যুত তেওঁ বিচলিত হৈ পৰিছিল। আমি জানো, খঙেই হ'ল ৰজাৰ প্ৰধান দোষ। খং উঠি থকাৰ সময়ত কোনো সিদ্ধান্ত নলবলৈ সাধুৱেই এবাৰ ৰজাক উপদেশ দিছিল। সভাসদজনে উদ্যান ৰক্ষকৰ প্ৰশংসা কৰাৰ সময়তো সুমঙ্গলৰ ওপৰত ৰজাৰ খং উঠি আছিল। কিন্তু সাধুৰ কথা সোঁৱৰাণ কৰি তেওঁ একো নমতাকৈ আছিল। খং উঠি থকাৰ সময়ত কিবা অনিষ্টকৰ সিদ্ধান্ত লব পাৰে বুলি ভয় কৰিছিল। দুবছৰ পিছত যেতিয়া সুমঙ্গলে ৰাজসভাত উপস্থিত হৈছিল, সেই সময়ত ঘটনাই কিছু সাম কাটিছিল ৰজাইও বিবেচনাপূৰ্ণ ভাবে বিচাৰ কৰিছিল। বিচাৰ কৰোতে ৰজাই মাথোঁ সাধুৰ জ্ঞানগৰ্ভ কথাবোৰকে অনুসৰণ কৰিছিল, যাৰ বাবে সুমঙ্গলে সুবিচাৰ পাইছিল।

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গছৰ ডালত গৈ পুনৰ ওলমি থাকিল।

গণেশ

এয়া সত্যযুগৰ কথা । কমলাসনত বহি সৃষ্টি কৰি কৰি ব্ৰহ্মা ক্লান্ত হৈ পৰিছিল । চাওঁতে চাওঁতে ব্ৰহ্মা গভীৰ নিদ্ৰাত আচ্ছন্ন হৈ পৰিল। নিদ্ৰা মগ্ন হোৱাৰ আগতে ব্ৰহ্মাই হামিউৰাত প্ৰতিটো পৰ্বতশিখৰৰ পৰা জুই ওলাইবলৈ ধৰিলে । ব্ৰহ্মাৰ চকুত যেতিয়া অতিকৈ টোপনি আহিল, যেতিয়া মহাকাশত থূপ খাই থকা মেঘপুঞ্জই অবিৰল ধাৰাৰে বৰ্ষণ কৰিবলৈ ধৰিলে । তাৰ ফলত সমগ্ৰ জগতত প্ৰচন্ড প্লাৱনৰ সৃষ্টি হ'ল । ব্ৰহ্মাই চকু মুদি দিয়াৰ লগে লগে সমগ্ৰ জগত অন্ধকাৰ হৈ পৰিল ।

এনেহেন প্ৰলয় পৰিস্থিতিৰ মাজেদি নিশাৰ নিমজ অন্ধকাৰ অতিবাহিত হ'ল । তাৰ পাছত সূৰ্য্যৰ পোহৰে চতুৰ্দিশ উজলাই তুলিলে । তেতিয়া দেৱী সৰস্বতীয়ে বীণা বাদন কৰি ব্ৰহ্মাক জগাবলৈ চেষ্টা কৰিলে ।

সাৰ পোৱাৰ পাছত সৃষ্টিকৰ্তা ব্ৰহ্মাই তেওঁৰ চাৰিখন মুখ ঘূৰাই ঘূৰাই জগতখনৰ চাৰিওদিশলৈ চাবলৈ ধৰিলে ।

ইতিমধ্যে জগৎ-সংসাৰ জলমগ্ন হৈছিল। সেই জলমগ্ন পৃথিৱীৰ এক অংশত পোহৰ বিচ্ছুৰিত হৈ আছিল । হঠাৎ পানীৰ ওপৰত এডাল ৰেখা দৃশ্যমান হ'ল । অলপ পাছত সেই ৰেখাডালে এটা অতি বৃহৎ বৰগছৰ পাতৰ ৰূপ ল'লে । সেই বৰ পাতাটোৰ ওপৰত এটি শিশু শুই আছিল । দেখাত অপৰূপ সুন্দৰ সেই শিশুটিয়ে তাৰ ভৰিৰ বুঢ়া আঙুলিটো চুহি আছিল ।

ব্ৰহ্মাই চকু মুদি কৰযোৰে ধ্যান কৰাৰ পাছত চকু মেলি এক অদ্ভুত দৃশ্য দেখা পালে। ব্ৰহ্মাই অনুধাৱন কৰিলে যে পাতৰ ওপৰত থকা শিশুটি আচলতে পৰমব্ৰহ্মাৰ আন এক ৰূপ । এই সুন্দৰ শিশুটিৰ মূৰটো হস্তীৰ মূৰৰ দৰে । তেতিয়া শিশুটিয়ে তাৰ শুঁৰেৰে সোঁ হাতৰ বুঢ়া আঙুলিটো চুহি আছিল ।

হাতী-মূৰীয়া শিশুটিক দেখাত ভালেই লাগিছিল । তাৰ হাত আছিল চাৰিখান । ব্ৰহ্মাই বহুতো পৰলৈকে অপলক দৃষ্টিৰে



শিশুটিলৈ চাই থাকিল । অলপ পাছত সেই পাতটোৰ সৈতে শিশুটি হঠাৎ অদৃশ্য হৈ পৰিল । শিশুটিক যি ঠাইত দেখা গৈছিল, সেই ঠাইৰ মাটি ওখ হৈ উঠিল ।

ব্ৰহ্মাই তেতিয়া কিবা এটা সৃষ্টি কৰিবলৈ মন মেলিলে । প্ৰথমে তেওঁ নদীৰ সৃষ্টি কৰিলে, তাৰ পাছত সৃষ্টি কৰিলে পৰ্বত নদী আৰু পৰ্বত সৃষ্টি কৰিবলৈ তেওঁ তেওঁৰ কমন্ডলুৰপৰা পৃথিবীৰ ওপৰলৈ পানী চটিয়ালে । তাৰ পাছত পুনৰ তমন্ডলুৰপৰা পানী ছটিয়াই বৃক্ষ আৰু শস্যৰ সৃষ্টি কৰিলে। তাৰ পাছত সৃষ্টি কৰিলে প্ৰাণী । প্ৰথমে কমন্ডলুৰপৰা পানা ছটিয়াই মাছ আৰু মাখি স্ৰজিলে । তাৰ পাছত সৃষ্টি কৰিলে জন্তু-জানোৱাৰ । সদৌ শেষত তেওঁ সৃষ্টি কৰিলে চৰাই ।

ব্ৰহ্মাই যেতিয়া এইবোৰ সৃষ্টি কৰি আছিল, সৰস্বতীয়ে তেতিয়াও বীণা বজাই আছিল । কিন্তু বীণাৰ বাদন সিমান শ্ৰুতিমধুৰ নহ'ল । তেতিয়া সৰস্বতীয়ে জগতলৈ চালে। জগতৰ পিনে চাই সৰস্বতী অবাক হ'ল । সৰস্বতী অবাক হোৱাত ব্ৰহ্মায়ো আচৰিত মানিলে । ব্ৰহ্মাই সৃষ্টি কৰা পৰ্বতচূড়া আকাশলংঘা হোৱাৰ ফলত সূৰ্যৰ পোহৰে পৃথিৱীৰ মাটি নাপাইছিলহি । পৰ্বতবিলাকে সূৰ্যৰশ্মিক ঢাকি পেলাইছিল । নৈ আৰু সাগৰৰ বিৰাট ওখ ঢউবোৰে আকাশ ছুইছিলগৈ । বৃক্ষসমূহো আকাশতে ঠেকা খাইছিলগৈ । সাগৰৰ পানীত জলচৰ প্ৰাণীবোৰে আনন্দত আত্মাহাৰা হৈ জাঁপিয়া-জাঁপি কৰিছিল । পৃথিৱী আৰু আকাশৰ মাজত তেতিয়া অসংখ্য বিৰাটাকাৰ চৰাই উৰি আছিল ।

অদ্ভুত অদ্ভুত জন্তুজানোৱাৰৰ সৃষ্টি হৈছিল। কোনো কোনো জন্তুৰ পিছঠেং নাছিল । দুঠেঙীয়া জন্তুও সৃষ্ট হৈছিল । কিছুমান জন্তুৰ মুখ নাছিল, কিন্তু কাণ আৰু চকু আছিল । কোনোবাটোৰ নেগুৰতে আছিল মূৰ কোনোবাটোৰ মূৰতে নেগুৰ আছিল । আটাইতকৈ বিস্ময়ৰ কথা আছিল এয়ে যে, চৰাইবিলাকৰ গাত ডেউকা নাছিল। তেতিয়া এইবোৰে উৰিব বা খোজ কাঢ়িবও নোৱাৰিছিল ।

এইবোৰ কথাকান্ড দেখি ব্ৰহ্মাৰ মনত সংশয় জাগিল । ব্ৰহ্মাই তেওঁৰ সৃষ্ট মানুহবিলাকলৈ চালে । মানুহেই আছিল তেওঁৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি ।

মানুহবিলাকৰ মাজত কাৰোবাৰ কাৰোবাৰ দুটা মূৰ আছিল । দুটাৰ মাজত এটা পুৰুষৰ আৰু এটা নাৰীৰ মূৰ । মানুহবিলাক আকাৰত বৰ ডাঙৰ নাছিল, কোনোবা আছিল এহতীয়া, কোনোবা আছিল

এবেগেতীয়া । বিশেষকৈ পুৰুষ মানুহবিলা-কেই আছিল চুটি আৰু নাৰী বিলাকৰ দেহ আছিল হাতীৰ দৰে ওখ । মূৰবোৰ পিঠিৰ সৈতে লগোৱা আছিল । নাৰীসকলৰ মাজত কোনো কোনোবাজনী আছিল তিনি-ঠেঙীয়া, আৰু কোনোবাজনী আছিল চাৰিঠেঙীয়া ।

জন্তু-জানোৱাৰহঁতে আকাশৰ পিনে চাই চাই ক্ৰমাত আৰ্তনাদ কৰি আছিল । কোনো কোনো জন্তু-জানোৱাৰ নীৰৱে সৃষ্টিকৰ্তা ব্ৰহ্মাৰ মুখলৈ চাই ব্ৰহ্মাক অভিশাপ দিয়া যেন লাগিছিল ।

এহাত ওখ পুৰুষ মানুহে তালগছৰ দৰে ওখ নাৰীৰ কাষত থিয় হৈ চিঞৰি ব্ৰহ্মাক ক'লে, "হে ব্ৰহ্মা ! ইমান ওখ নাৰীক লৈ আমিনো কেনেকৈ সংসাৰ সমুদ্ৰ পাৰ হ'ম-তুমি বুজাই কোৱাচোন ?"

বিভিন্ন ধৰণৰ বিকৃতদেহী মানুহ-বিলাকে ব্ৰহ্মাক চিঞৰি চিঞৰি কৈছিল, "হে ব্ৰহ্মা ! এয়া তুমি কি কৰিলা ? এয়া সৃষ্টি হ'লনে কিবা? আমি কাম-বন একো কৰিব পৰা নাই। একো নকৰাকৈ আমি জীয়াই থাকিম কেনেকৈ ?"

তেতিয়াহে ব্ৰহ্মাৰ জ্ঞানোদয় হ'ল । ব্ৰহ্মাই অসহায় দৃষ্টিৰে সৰস্বতীলৈ চালে । মানুহৰ বিননি শুনি ব্ৰহ্মাৰ মুখ শেঁতা পৰিল আৰু ব্ৰহ্মাৰ চাৰিযোৰ উদ্বিগ্ন চকুলৈ চাই সৰস্বতীয়ে হাঁহিলে ।

সৰস্বতীয়ে তেনেকৈ হঁহা দেখি ব্ৰহ্মাই ক'লে, "মই সকলো ভালকৈয়ে সৃষ্টি কৰিবলৈ বিচাৰিছিলোঁ । পিছে--ক'ৰপৰা কি যে হৈ গ'ল ! কিয় এনে হ'ল ?"

দশোদিশতে ব্ৰহ্মাৰ এই প্ৰশ্ন ধ্বনিত প্ৰতিধ্বনিত হ'ল আৰু এই ধ্বনি আৰু

প্ৰতিধ্বনিৰ মাজতে ব্ৰহ্মাই সৃষ্টিৰ এচুকত আলোকৰশ্মি দেখা পালে । সেই আলোক-ৰশ্মিৰ মাজত বিচিত্ৰ এক মূৰ্তি দেখা পালে তেওঁ । এই মূৰ্তি দেখাত আছিল অদ্ভুত ধৰণৰ। মূৰ্তিৰ মূৰটো আছিল হস্তিৰ, আৰু আছিল চাৰিখন হাত । চাৰিখন হাতত চাৰিবিধৰ বস্তু । সেই দেহ পূৰ্ণ চন্দ্ৰৰ দৰে বিকশিত । দেহৰ উত্তৰীয় সমগ্ৰ আকাশ জুৰি আন্দোলিত হৈ আছিল । ঠিক সেই মুহূৰ্ততে সৰস্বতীৰ বীণাত বাজি উঠিল সুগম্ভীৰ ওঙ্কাৰধ্বনি । সৰস্বতীৰ আঙুলিৰ স্পৰ্শত হংসধ্বনি ৰাগ বাজি উঠাৰ পাছত সেই মূৰ্তিয়ে গজানন বা গণেশৰ ৰূপ ধাৰণ কৰি ব্ৰহ্মালৈ অভয়বাণী উচ্চাৰণ কৰিলে । গজাননে ব্ৰহ্মাক আশীৰ্বাদ কৰিলে। লগে লগে শৰৎকালৰ পূৰ্ণিমাৰ দৰে স্নিগ্ধ পোহৰ বিয়পি পৰিল ।

ব্ৰহ্মাই অপলক দৃষ্টিৰে গণেশলৈ চাই তেওঁক নমস্কাৰ কৰি ক'লে, "হে মহান ! এই

অপৰূপ অদ্ভুত ৰূপধাৰী তুমিনো কোন ? মই তোমাৰ সম্পৰ্কে সম্পূৰ্ণৰূপে অজ্ঞ। মোক তুমি নিজৰ পৰিচয় জ্ঞাপন কৰি মোৰ সীমাহীন অজ্ঞতা দূৰ কৰাঁ ।”

“হে ব্ৰহ্মা ! তুমি সংকল্প কৰি ভালেই কৰিছা । কিন্তু প্ৰতিটো সংকল্পক কাৰ্য্যকৰী কৰিবলৈ হ’লে বাধা-বিঘ্নৰ সৃষ্টি হয় । বিঘ্ন জয় কৰি সংকল্পক কাৰ্য্যকৰী কৰিবলৈ মই আছোঁ । মোৰ আন এক নাম হ’ল বিঘ্নেশ্বৰ । যিমানেই বিঘ্নৰ সৃষ্টি নহওক মই সকলো বিঘ্নক অতিক্ৰম কৰিবলৈ চেষ্টা কৰোঁ । দেশান্তৰত বিজয় লাভ কৰিবলৈ হ’লে বিঘ্ন নাশৰহে আৱশ্যক । পঞ্চভূতৰ সকলো বিধৰ বাধা দূৰতে বিদূৰ কৰা হেতুকে মোৰ আন এক নাম বিনায়ক নাইবা গণপতি । বাধা যিমানেই ডাঙৰ নহওক, যিমানেই বিৰাট বিঘিনিয়ে মূৰ নাদাঙক, সকলো বাধা-বিঘিনিক অতিক্ৰম কৰিবলৈ মই সক্ষম । সেই কাৰণেই ত্ৰিজগতত মোক বিঘ্নেশ্বৰ বুলি অভিহিত কৰা হয় ।”

তেতিয়া ব্ৰহ্মাই অসহায়ভাৱে ক’লে “হে বিঘ্নেশ্বৰ, মই তোমাৰপৰা এটা বিষয় জানিবলৈ বিচাৰোঁ । মই জগৎ-সংসাৰ সৃষ্টি কৰিবলৈ প্ৰতিজ্ঞা কৰিছিলোঁ । মোৰ প্ৰতিজ্ঞাক কাৰ্য্যকৰী কৰিবলৈ মই সকলো প্ৰকাৰ চেষ্টা কৰিছোঁ । কিন্তু ইমান চেষ্টাৰ ফলত যি সৃষ্টি হ’ল --সেই সৃষ্টিক মই ভাল পাব পৰা নাই । এতিয়া, মোৰ সৃষ্টিয়ে কেনেকৈ পূৰ্ণতা লাভ কৰিব পাৰে-- সেই কথাটো মই তোমাৰপৰা সহজ আৰু বিশদভাবে জানিবলৈ বিচাৰোঁ ।”

“যিকোনো কামতে বিঘ্ন ঘটিব পাৰে এই সম্পৰ্কে তোমাৰ ধাৰণা নথকাত তোমাৰ সৃষ্টিত ইমান বিঘ্ন ঘটিল । তুমি যেতিয়া সৃষ্টিৰ কল্পনা কৰিছিলা, ঠিক তেতিয়া মই তোমাৰ আগত দেখা দিছেলোঁ । তেতিয়া মোৰ ৰূপ আছিল শিশু গণপতিৰ ৰূপ । মোৰ সেই ৰূপ দেখিও তুমি নেদেখা হৈছিল, একো কল্পনা কৰিব পৰা নাছিলা । প্ৰতিটো কামৰ আগতে প্ৰত্যেকেই ভবা উচিত যে কামত বিঘ্ন ঘটিব পাৰে । সেই বিঘ্ন কেনেকৈ অতিক্ৰম কৰিব পাৰি তাকো ভবা উচিত আৰু তাৰ বাবে কৰণীয় কৰ্তব্যও কৰা উচিত । প্ৰাণী বিলাকৰ মাজত হস্তী বুদ্ধিমান প্ৰাণী । হস্তীয়ে প্ৰতিটো খোজ দিয়াৰ আগতে ভেটি ঠিক আছেনে নাই গমি চায় । মোৰ মগজুত যাতে হস্তীৰ দৰে বুদ্ধি থাকে তাৰ বাবেই মোৰ এই ৰূপ । তুমি যেতিয়া গভীৰ নিদ্ৰাত আচ্ছন্ন আছিলা, তেতিয়া সোমকাসুৰে তোমাৰ চাৰিখন বেদ অপহৰণ কৰি সাগৰৰ তলত লুকুৱাই থৈছিল। এই ঘটনাৰ কথা জ্ঞাত হৈ মহাবিষ্ণুৱে মৎস্য অৱতাৰ ধাৰণ কৰি সেই চাৰিখন বেদক সাগৰতলীৰ পৰা উদ্ধাৰ কৰি

আনি মোৰ ওচৰত থৈ দিছিল । এতিয়া এই বেদ চাৰিখন তোমাক দিছোঁ, এয়া লোৱাঁ। এই বেদ পাঠ সমাপনৰ অন্তত অনুধাৱন কৰি, কেনেকৈ সুন্দৰকৈ জগৎ-সংসাৰ সৃষ্টি কৰিবা, আকৌ তাৰ পৰিকল্পনা কৰাঁ ।”

শ্ৰদ্ধাৰে ব্ৰহ্মাই বেদ-চতুষ্টয় গণেশৰপৰা লৈ গণেশক ক’লে, “হে বিঘ্নেশ্বৰ ! সৃষ্টিৰ আগতে তোমাক স্মৰণ নকৰি মই অপৰাধ কৰিছোঁ । মোৰ এই অপৰাধৰ বাবে মই ক্ষমাপ্ৰাৰ্থী । এতিয়া নতুনকৈ সৃষ্টি কৰাৰ আগতে মই তোমাৰপৰা অপাৰ অনুগ্ৰহ প্ৰাৰ্থনা কৰিছোঁ । এতিয়াৰপৰা মোৰ সৃষ্ট কোনো প্ৰাণী অদ্ভুতদৰ্শন আৰু অকামিলা নহয় যেন-এই অনুগ্ৰহ কৰা ।”

ব্ৰহ্মাৰ আবেদন শুনি গণেশে ব্ৰহ্মাৰ সৃষ্ট সকলো প্ৰাণীৰ ত্ৰুটি শুধৰাই দিলে । ব্ৰহ্মাৰ সৃষ্ট প্ৰাণীবিলাকৰ মাজত যিমান অসংগতি অমিল আছিল সেইবোৰ শুধৰাই দিয়াৰ পাছত গণেশে ব্ৰহ্মাক ক’লে, “হে ব্ৰহ্মা, মই বক্ৰবস্তক পোনব পাৰোঁ । তাৰেই প্ৰতীক স্বৰূপে মই মোৰ শুঁৰ বেঁকা কৰিছোঁ। যিকোনো কামতে এটা বক্ৰগতি অৰ্থাৎ বেঁকা ৰূপৰ সৃষ্টি হ’ব পাৰে । যি মুহূৰ্তত তুমি মোক সুঁৱৰিবা, সেই মূহূৰ্ততে বক্ৰ ৰূপ সৰল হৈ যাব । জগতৰ সকলোৱে তোমাক পূজিব । পিছে-কোনো বাধা-বিঘিনিয়ে মূৰ দাঙিলে মোৰ আবিৰ্ভাব ঘটিব, সকলো গণৰ অধিপতি স্বৰূপে মই শিৱ-পাৰ্বতীৰ সন্তান ৰূপে আৱিৰ্ভূত হ’ম । যিমানবাৰ বিঘ্নৰ সৃষ্টি হ’ব, সিমানবাৰ মোৰ আবিৰ্ভাৱ ঘটিব ।”

এই বুলি কৈ গণেশ অন্তৰ্হিত হ’ল ।

সৰস্বতীৰ বীণাত বিভিন্ন মংগলধবনি ঝংকৃত গ’ল । তেওঁৰ সুমধুৰ বীণাৰপৰা ওলোৱা সুৰময় ধবনি আকাশ-বতাহতো ধবনিত-প্ৰতিধবনিত হ’বলৈ ধৰিলে ।

ব্ৰহ্মাই তৎমুহূৰ্তেই গণেশায় নমঃ বুলি নতুন উদ্যোগ সৃষ্টি কৰিলে । তাৰ পাছত আকৌ স্ৰজিলে জগৎ-সংসাৰ । এই সৃষ্টি আছিল অতি সুন্দৰ আৰু এই সৃষ্টিৰ বাটত কোনো বাধা নাছিল । পৰ্বত, নৈ, সুন্দৰী বননি বিভিন্ন বিচিত্ৰ ধৰণৰ সুন্দৰ সুন্দৰ জন্তু-জানোৱাৰ আদিৰ সৃষ্টি হ’ল ।

শাৰীৰিক আৰু মানসিক শক্তিৰে ভৰপূৰ অপৰূপ নৰনাৰী সৃষ্টি হ’ল । সেই নৰ-নাৰীৰ মুখত তেতিয়া দেৱী সৰস্বতীয়ে ভাষা যোগালে। জল-স্থল ফুলে-ফলে সুশোভিত হ’ল । অপূৰ্ব-অপৰূপ শোভাৰ আভাৰ এই জগৎ-সংসাৰ ভৰি উঠিল ।

সংবাদ বিচিত্ৰা

নক্ষত্ৰ আৰু বৃক্ষ

হিন্দু পাঞ্জীকা মতে সাতাইশটা নক্ষত্ৰ আছে। প্ৰথম নক্ষত্ৰ হ'ল অশ্বিনী আৰু শেষৰ নক্ষত্ৰ হ'ল ৰেৱতী। পঞ্জীকা মতে প্ৰতিজন মানুহে একোটা নক্ষত্ৰত জন্ম হয়। এই ২৭ টা নক্ষত্ৰৰ প্ৰতিটো নক্ষত্ৰই একোটা ফুল, জন্তু, চৰাই আৰু একোডাল গছৰ সৈতে যুক্ত। তামিলনাডুৰ কোইম্বাটুৰত থকা ভাৰতীয় বৈদিক সমাজে মেট্টুপালায়মৰ পৰা উটাকামুন্ডলৈ যোৱা পথত এখন স্কুল নিৰ্বাচিত কৰি তাৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ জন্ম নক্ষত্ৰৰ সৈতে যুক্ত গছপুলি ৰুবলৈ উদগনি দিছে। ছাত্ৰ-ছাত্ৰীসকলে স্কুলত থকা পৰ্য্যন্ত গছপুলিবোৰ লালন-পালন কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈছে। ভাৰতীয় বৈদিক সমাজে এই ''নক্ষত্ৰ অৰণ্য'ৰ আঁচনিটো দেশৰ সকলো স্কুলতে প্ৰবৰ্তন কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে।

ভালদৰে ধোৱাৰ কাৰণে

চিলভেষ্টাৰ হ'ল এটা তিনিমহীয়া মেকুৰী। কোপেনহেগেণৰ এটা ফ্লেটত থকা মেকুৰীৰ গৰাকীয়ে মনেই কৰা নাছিল যে মেকুৰীটো ওৱাচিং মেচিনত জাঁপমাৰি পৰিছে। মেকুৰীটোৰ চিঞৰ শুনি হে তেওঁ কথাটো মন কৰিছিল। মেচিনৰ ভিতৰৰ পানী গৰম আছিল। টাইমাৰৰ লগত চেট কৰি থোৱা বাবে তেওঁ মেচিনটোও খুলিব পৰা নাছিল। শেষত যেতিয়া মেকুৰীটোক উলিয়াই অনা হৈছিল সি মূৰ্চিত অৱস্থাত আছিল আৰু অক্সিজেনৰ অভাবত তাৰ দেহটো নীলা হৈ গৈছিল। মেকুৰীটো তৎক্ষণাত পশুচিকিৎসা ক্লিনিকলৈ লৈ যোৱা হৈছিল আৰু কিছুদিন পিছত লাহে লাহে আৰোগ্য হৈছিল। মেকুৰীটোৱে কি কৰিছিল, তোমাৰ জানিবৰ ইচ্ছা যোৱা নাই নে? মেকুৰীটোৱে ওৱাচিং মেচিনটো খোলা অৱস্থাত দেখি ভালদৰে গাটো ধুই লওঁ বুলিয়ে সম্ভৱতঃ তাৰ ভিতৰত জাঁপ মাৰি পৰিছিল।

লাইটেনিং প্ৰুফ

চিঙ্গাপুৰ চহৰখনত গছৰ ভাল যত্ন লোৱা হয় । অলপতে এইটো আবিষ্কাৰ কৰা হৈছে যে প্ৰতি বছৰে এই চহৰখনত গড়ে দহডাল গছত বজ্ৰপাত পৰে। তাৰে দুডাল বা তিনডাল গছ লগে লগে মৰে আৰু বাকীবোৰ ঘূণীয়া হৈ পিছত ছত্ৰাকৰ আক্ৰমণৰ চিকাৰ হয় । তেতিয়া সেইবোৰ কাটি পেলোৱা হয়, যাতে ওচৰৰ গছবোৰো নষ্ট নহয় । গছবোৰ বজ্ৰপাতৰ পৰা ৰক্ষা কৰিবলৈ নগৰ পালকে তাৰ ওপৰত লাইটেনিং কণ্ডাক্টৰ স্থাপন কৰাৰ সিদ্ধান্ত কৰিছে । এই কপাৰ কণ্ডাক্টৰবোৰে বজ্ৰটো গ্ৰহণ কৰি পোনে পোনে মাটিৰ তললৈ পঠাই দিব, আৰু গছবোৰ ৰক্ষা পৰিব । প্ৰতিটো কণ্ডাক্টৰৰ দাম পৰিব প্ৰায় ৩,০০০ আমেৰিকান ডলাৰ। ইয়াৰ বাবে ৩০ মিটাৰতকৈও ওখ প্ৰায় এশডাল গছ বাচি লোৱা হৈছে । এইটো তেনেই এক মূল্যবান প্ৰচেষ্টা !

চেমচন আৰু ডেলিলাহ



সিহঁত ওল্ড টেষ্টামেণ্টত উল্লেখ থকা দুজন নহয়, সিহঁত লচ এঞ্জেলচৰ ভেন ন্যাচৰ দুটা কুকুৰহে । সিহঁতক এই নাম দুটা দিছিল বাৰবাৰা ফিত্ৰৰো নামৰ এগৰাকী ৫৮ বছৰীয়া মহিলাই, যিয়ে এক আচৰিত অৱস্থাত সিহঁতদুটাক পাইছিল । এটা কণা সৰু কুকুৰক জাৰ্মানৰ ভেৰা চৰোৱা ডাঙৰ কুকুৰ এটাই ফুট পাথৰে বাট দেখুৱাই লৈ গৈছিল, চিগনাল পালে ৰখি ৰাস্তাটো পাৰ হৈ গৈছিল । বাৰবাৰাই সিহঁতক কিছুদিন ধৰি লক্ষ্য কৰিছিল আৰু সিহঁতদুটা সদায় একেলগে আছিল । তেওঁ সিহঁতৰ ব্যৱহাৰ দেখি আচৰিত হৈছিল । কেতিয়াবা ৰব লগা হলে ডাঙৰ কুকুৰটোৱে ঠেঙেৰে সৰু কুকুৰটোৰ ঠেঙত লাহেকৈ লাঠ মাৰি দিছিল । সেই মৰমীয়াল মহিলা গৰাকীয়ে মালিকবিহীন কুকুৰ দুটাক আশ্ৰয় দিয়াৰ উদ্দেশ্যেৰে ঘৰলৈ লৈ গৈছিল আৰু বাইবেলৰ ৰোমান্টিক যুটিৰ নামেৰে সিহঁতৰ নামকৰণ কৰিছিল ।

ৰসিক ব্যক্তি - বীৰবল

এদিনাখন সম্রাট আকাবৰ ৰাজসভাত বহি আছিল। এজন সভাসদে আগবাঢ়ি আহি সম্রাটক তিনিবাৰ চালাম জনাই কৈছিল, "ইচফাহানৰ পৰা এক নতুন ধৰণৰ আতৰ অনা হৈছে। চাহেনচাহে আতৰ বিধৰ বিষয়ে কিবা মতামত জনাবনে বাৰু ?" এইবুলি কৈ সভাসদজনে সম্রাটৰ হাতলৈ এটা সৰু বটল আগবঢ়াই দিছিল।

আকবৰে বটলটো খুলি নাকেৰে শুঙি চাইছিল। তেওঁৰ মুখত হাঁহি বিৰিঙি উঠিছিল। তেওঁ সভাসদ সকলৰ ফালে চাই সুধিছিল, "তোমালোক আটায়ে মই মিৰ ছামচুদ্দিন্নৰ পৰা এই বটলটো লোৱা দেখিছা। কোনোবাই বাৰু কব পাৰিবানে কেতিয়া দিওঁতাজনৰ হাতখন লাওঁতাজনৰ হাতৰ তলত আছিল ?" এইবুলি ৰজাই উত্তৰৰ অপেক্ষা কৰি ৰল।

ছামচুদ্দিন ভয়তে পেপুৱা লাগিছিল। সম্রাটৰ হাতত বটলটো দিওতে তেওঁ কিবা ভুল কৰিলে নেকি বাৰু ? তেওঁ সম্রাটৰ হাতখনৰ ফালে চাই আছিল। তেওঁ কিবা কব খুজিছিল, কিন্তু এনেতে সম্রাটে হাতখন লৰোৱা দেখিছিল। "তুমি কিবা উত্তৰ দিবা নেকি ?"

সভাসদসকলৰ মাজত এটা গুণগুণনি উঠিছিল। এইটো সঁচা, আকবৰে সভাসদ সকলক বিমোৰত পৰা প্ৰশ্ন সুধি ভাল পাইছিল। আজিৰ প্ৰশ্নইও তেওঁলোকক বিমোৰত পেলাইছিল। ছামচুদ্দিনে তেওঁৰ আসনলৈ উভতি গৈছিল।

এজন সভাসদে থিয় হৈ কৈছিল, ‘‘চাহেনচাহ, এখন হাত অন্য হাতখনৰ তলতে থাকক বা ওপৰতে থাকক, এইটোও কিবা সুধিব লগা কথানে ?’’ সম্রাটৰ মুখত আকৌ এবাৰ হাঁহি বিৰিঙি উঠিছিল ।

আকবৰে চাৰিওফালে এবাৰ চকু ফুৰাই চালে, যেন কাৰোবাক তেওঁ বিচাৰিছে । ‘‘তেতিয়াহলে কোনেও উত্তৰটো নাজানা ? বীৰবল ক’ত ?’’ সম্রাটে সুধিছিল । সকলোৰে চকুয়ে সম্রাটৰ মৰমৰ সভাসদজনক বিচৰাত লাগিছিল।



‘‘চাহেনচাহ, মই ইয়াতে !’’ তেতিয়া সকলো সভাসদে বীৰবলৰ ফালে ঘূৰি চাইছিল । ‘‘বীৰবল ! তুমি ঠিক সময়তে আহিছা । তুমি মোৰ এটা সন্দেহ দূৰ কৰিব লাগিব ।’’ এইবুলি সম্রাটে পুনৰ প্ৰশ্নটো দোহাৰিলে ।

বীৰবলে সভ্যসদ সকলৰ ফালে চাই সম্রাটৰ ফালে আগবাঢ়ি গৈছিল । তেওঁ নস্যৰ টেমা এটা উলিয়াই তাৰ ঢাকনিখন খুলি ধৰি সম্রাটৰ ফালে আগবঢ়াই দিছিল । সম্রাটে তাৰে এচিকটা লৈছিল । বীৰবলে এটা হাঁহিমাৰি কৈছিল, ‘‘যেতিয়া এজনে নস্য আগবঢ়ায় তেওঁৰ হাতখন তলত আৰু আনজনৰখন ওপৰত থাকে ।’’

ভাৰতীয় নৃত্য

কথক

১৬ শ শতিকাত মালৱাৰ ডেকা আৰু সংস্কৃতিবান ৰজা, বাজ বাহাদুৰে যুদ্ধত পৰাজিত হৈ নৰ্মদা উপত্যকাৰ এখন সুন্দৰ চহৰ মাণ্ডুলৈ পশ্চাদপসৰণ কৰিব লগা হৈছিল। তাতে তেওঁ প্ৰেমত পৰি ৰাজপুত ৰাজকুমাৰী ৰূপমতীক বিবাহ কৰাইছিল । বাজ বাহাদুৰে ভাবিছিল এতিয়া তেওঁলোকে সুখেৰে জীৱন অতিবাহিত কৰিব পাৰিব । কিন্তু বিধাতাই সেইটো হবলৈ নিদিলে । সম্ৰাট আকবৰে আগ্ৰাত ৰূপমতীৰ ৰূপৰ কথা শুনি, মাণ্ডুৰ দুৰ্গ আক্ৰমণ কৰি ৰাণীক ধৰি আনিবলৈ এদল সৈন্য পঠাইছিল ।

দুয়োপক্ষৰ মাজত এক ভয়ানক যুদ্ধ হৈছিল । বাজ বাহাদুৰে ৰণভঙ্গ দি কোনোমতে পলাই সাৰিছিল । ৰাণী ৰূপমতীয়ে শত্ৰুৰ হাতত ধৰা নিদি আত্মহত্যা কৰিছিল । মোগল সৈন্যই যদিও ৰূপমতীক সম্ৰাটৰ ওচৰলৈ লৈ যাব পৰা নাছিল, তেওঁলোকে অন্য মূল্যবান বস্তু লৈ গৈছিল । তাৰ ভিতৰত আছিল স্থানীয় নৃত্য পৰম্পৰা। বুৰঞ্জীৰ বিৱৰণ মতে মোগলসকলে মাণ্ডু আৰু ইয়াৰ আশ-পাশৰ পৰা প্ৰায় ৩৫০ জন নৃত্য শিল্পী মোগল ৰাজসভালৈ লৈ গৈছিল ।

কেনেকৈ ভাৰতীয় নৃত্য পৰম্পৰাই মোগল ৰাজসভাত ঠাই পাইছিল এইটো এটা তাৰে উদাহৰণ । এনেকুৱা আৰু বহুতো উদাহৰণ আছে, যিয়ে দুটা সাংস্কৃতিক পৰম্পাৰ মিলন খুৱাইছে : সেয়া হ'ল স্থানীয় হিন্দু শিল্প পৰম্পৰা আৰু বাহিৰৰ পৰা অহা মুছলমান পৰম্পৰা । হিন্দু আৰু মুছলমান, দুটা ভিন্ন সংস্কৃতিৰ মিলনেৰে উৎপত্তি হৈছিল কথক নৃত্যৰ ।

আকবৰৰ শাসন কালত মোগল আৰু ৰাজপুতৰ মাজত হোৱা পাৰস্পৰিক প্ৰভাৱৰ ফলত এক ইণ্ডো-মোগল শিল্পী পৰম্পৰাৰ বিকাশ হৈছিল । তাৰ ভিতৰত কথক নৃত্যও এটা।

কথক নৃত্যই মন্দিৰ প্ৰাঙ্গনৰ পৰা গৈ ৰাজসভাত প্ৰৱেশ কৰিছিল, তাৰ পিছতে ক্লাচিকেল নৃত্যৰ খ্যাতি লাভ কৰিছিল ।

hari

১৮ শ শতিকাত কথক নৃত্যই এক সুকীয়া নৃত্য পৰম্পৰা হিচাবে স্বমহিমাৰে বিকশিত হৈ উঠিছিল । এই নৃত্যই অন্যান্য নৃত্যতকৈ এক সুকীয়া নৃত্য কৌশল আৰু ব্যাকৰণৰ উন্নতি ঘটাইছিল ।

আনকি ১৬শ শতিকাৰ প্ৰথম ভাগতো কথক নৃত্য শিল্পীসকলে আঁটখাই ধৰা চুৰিদ্দাৰ আৰু পায়জামা পিন্ধিছিল । মোগল চিত্ৰকলাত দেখিবলৈ পোৱা মতে নৃত্যশিল্পীসকলে দীঘল স্কাৰ্ট পিন্ধিলেও ইয়াৰ তলত থকা চুৰিদ্দাৰ স্পষ্টকৈ দেখা গৈছিল । ১৬শ শতিকাৰ শেষৰ ফালে নৃত্যশিল্পী সকলে ভৰিৰ গাঠিত নুপুৰ পিন্ধিবলৈ আৰম্ভ কৰিছিল ।

কথক আৰু অন্যান্য নৃত্যশৈলীৰ মাজত মূল প্ৰভেদ হ'ল অন্যান্য নৃত্যশৈলীয়ে স্বৰ আৰু ৰাগৰ ওপৰত নিৰ্ভৰ কৰে, কথক নৃত্যইহে মাথোঁ সঙ্গীতৰ তাল অথবা লয়ৰ ওপৰত নিৰ্ভৰ কৰে । এই নৃত্যৰ এক বৈশিষ্ট্য হল এক জটিল লয়যুক্ত পদ সঞ্চালন ।

হিন্দুস্থানী ক্লাচিকল নৃত্য শৈলী, পুৰাণ, বিশেষকৈ কৃষ্ণলীলাৰ ওপৰত নিৰ্ভৰ কৰি সৃষ্টি কৰা হয় । ইয়াৰ লগত সাধাৰণতে সাৰেঙ্গী আৰু তবলা সঙ্গত কৰা হয় ।

লক্ষ্ণৌৰ প্ৰসিদ্ধ নৃত্যশিল্পী মহাৰাজ বিন্দাদিন আৰু তেওঁৰ ভাতৃ কলকা আৰু তেওঁলোকৰ বংশধৰ অচন মহাৰাজ আৰু লুচ্ছু মহাৰাজে কথক নৃত্যক মানুহৰ মাজত আৰু বেচি জনপ্ৰিয় কৰি তুলিছিল । বিৰজু মহাৰাজ আৰু শম্ভু মহাৰাজৰ দৰে অন্যান্য শিল্পী সকলেও কথক নৃত্যক এক গতিশীল নৃত্যশৈলী ৰূপে প্ৰতিষ্ঠিত কৰাত সহায় কৰিছে।

নৃত্যৰ কেইটামান দিশ :

- এজন কথক নৃত্যশিল্পীয়ে এখন কান্ধ আনখনতকৈ ওপৰলৈ তুলিব লাগে । এই পদ্ধতিটোক কোৱা হয় 'কচকমচক' ।
- কথক শিল্পীয়ে জাঁপ মাৰি আৰু দেহটো চক্ৰাকাৰে ঘূৰাই দৰ্শকসকলক মোহিত কৰে । সম্ভবতঃ এইটোৱে একমাত্ৰ নৃত্যশেলী য'ত নৃত্যশিল্পী য়ে একেলগে ভৰিদুখন ওপৰলৈ তুলি কিছুসময় শূন্যতে থাকে । কথক নৃত্যৰ আৰু এক বৈশিষ্ট্য হ'ল 'নৃত্যশিল্পীসকলে চকৰিৰ দৰে চক্ৰাকাৰে ঘূৰাতো । এইটো সাধাৰণতে নৃত্যৰ শীৰ্ষ অৱস্থাত হে হয় ।
- কথকেই সম্ভবতঃ একমাত্ৰ ক্লাচিকেল নৃত্য, য'ত নৃত্য শিল্পীয়ে ভৰিৰে প্ৰদৰ্শন কৰা তাল বা বোলবোৰ নিজেই আবৃত্তি কৰি যায় ।

মকৰ সংক্ৰান্তি

মকৰ সংক্ৰান্তি এক বৰ্ণাঢ্য উৎসৱ। ভাৰতৰ প্ৰায় সকলো ঠাইতে এই উৎসৱ জানুৱাৰী মাহত পালন কৰা হয়। ঠাইভেদে নামটোহে বেলেগ বেলেগ।

সেইদিনাৰ পৰা সূৰ্য্য উত্তৰায়ণ হয়। পৰম্পৰাগতভাৱে এইটো বিশ্বাস কৰি অহা হৈছে যে, সেইদিনাখন সূৰ্য্যই মকৰ ৰাশিত প্ৰৱেশ কৰে।

কথিত আছে যে, এই সময়ত কোনো লোকৰ মৃত্যু হলে তেওঁ জন্ম আৰু মৃত্যু চক্ৰৰ পৰা মুক্ত হয়। মহাভাৰতৰ কাহিনী মতে, কৌৰৱ পান্ডৱৰ মাজত হোৱা কুৰুক্ষেত্ৰ যুদ্ধত পিতামহ ভিষ্মই গুৰুতৰভাৱে আহত হৈছিল। তেওঁ অৰ্জুনৰ দ্বাৰা তৈয়াৰ কৰি দিয়া শৰশয্যাত বহুদিন পৰি আছিল। তেওঁ পিতৃৰ পৰা ইচ্ছা মৃত্যু বৰ লাভ কৰিছিল। সেয়েহে তেওঁ শৰ-শয্যাত থাকিয়ে সূৰ্য্য উত্তৰায়ণ হোৱা সময়লৈকে মৃত্যুৰ বাবে অপেক্ষা কৰিছিল। সূৰ্য্য যেতিয়া মকৰ ৰাশিত প্ৰৱেশ কৰিছিল তেতিয়াহে ভীষ্মই মৃত্যুবৰণ কৰিছিল, যাতে তেওঁৰ পুনৰ্জন্ম নহয়।

তামিলনাডু

পোঙ্গল, তামিলসকলৰ এক প্ৰধান উৎসৱ। এইটো হ'ল শস্য চপোৱাৰ উৎসৱ। এই উৎসৱ চাৰিদিন ধৰি পালন কৰা হয়, যদিও উৎসৱৰ মূখ্য দিন হ'ল মকৰ সংক্ৰান্তিৰ দিনা খন।

উৎসৱৰ প্ৰথম দিনটোক কোৱা হয় ভোগী। উৎসৱ উপলক্ষে সকলোবোৰ গাঁৱতে মানুহৰ ঘৰবোৰ পৰিষ্কাৰ কৰা হয় আৰু অলাগতিয়াল, পুৰণি বস্তুবোৰ সেইদিনা ৰাতিপুৱা ডাঙৰকৈ জুই ধৰি পুৰি পেলোৱা হয়।

তাৰ পিছতে পোঙ্গল আহে। গাওঁবোৰত খেতিয়াকবোৰে নতুন মাটিৰ বাচন কিনে, নতুন কাপোৰ পিন্ধে আৰু সমূহীয়াকৈ ভোজ পাতে। সেই দিনাখন নতুন ধানৰ চাউল, বতৰৰ নতুন

শাক-পাচলি সুস্বাদুকৈ ৰন্ধা হয় । গাওঁঅঞ্চলত গোটেই গাঁৱৰ বা সম্প্ৰদায়ৰ মানুহে এক লগ হৈ ডাঙৰ মাটিৰ পাত্ৰত নতুন চাউলৰ ভাত আৰু বতৰৰ নতুন পাচলিৰে ভোজ ৰান্ধি খায় ।

চহৰ অঞ্চলতো মানুহবোৰে পৰম্পৰাগত-ভাবে চাউল আৰু তালৰ গুড়েৰে সুমিষ্ট আহাৰ তৈয়াৰ কৰে । তাক কোৱা হয় ছক্কৰাইপোঙ্গল।

মানুহবোৰে ঘৰৰ সম্মুখত বিভিন্ন ৰঙেৰে ৰঙ্গোলি আৰু কোলম আঁকে, আম পাতৰ মালা তৈয়াৰ কৰি দুৱাৰমুখত আঁৰি দিয়ে । তাৰ পাছতে সূৰ্য্য দেৱতাক পূজা কৰে । এই সকলোবোৰ লগলাগি মানুহৰ ঘৰবোৰত এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয় ।

তাৰ পিছদিনাখনক কোৱা হয় মত্তু পোঙ্গল। মানুহৰ পোহনীয়া গৰু ম'হবোৰে পৰিয়ালৰ উন্নতিত অৰিহনা যোগোৱা বাবে সেইদিনা পোহনীয়া গৰু ম'হৰ উৎসৱ পতা হয় । সেইদিনা গৰু ম'হৰ গিৰিহতে ভালদৰে গৰুবোৰক গাধুৱাই সিহঁতৰ শিংবোৰ ৰঙেৰে সুন্দৰকৈ আঁকি দিয়ে আৰু ডিঙিত ধুনীয়া ঘুগুৰা আঁৰি দিয়ে। সেইদিনাখন সিহঁতক বিশেষ ধৰণে তৈয়াৰ কৰা খাদ্য খাবলৈ দিয়া হয় ।

গাওঁ অঞ্চলত সেইদিনাৰ মূল আকৰ্ষণ হ'ল পৰম্পৰাগতভাবে হোৱা ষাঁড় যুঁজ । তামিল ভাষাত কোৱা হয় জাল্লিকত্তু । ইয়াৰ বাহিৰে, ষাঁড় গৰুৰ দৌৰৰো আয়োজন কৰা হয় ।

উৎসৱৰ শেষৰ দিনটোক কোৱা হয় কানুম পোঙ্গল । সেইদিনা পৰিয়ালৰ আটাইবোৰে লগ লগি পিকনিক খাবলৈ যায় অথবা আত্মীয়লোকৰ ঘৰলৈ আলহী খাবলৈ যায় । কিছুমান জিলাত সেইদিনা কন্নি পোঙ্গল পালন কৰা হয় । গাভৰু ছোৱালীবোৰে পৰম্পৰাগত নৃত্যৰ পোচাক পিন্ধি দল বান্ধি সেইদিনা মানুহৰ ঘৰে ঘৰে কোলত্তম আৰু কুম্মি নৃত্য প্ৰদৰ্শন কৰি ফুৰে । ঘৰৰ গিৰিহঁতে তেওঁলোকক টকা আৰু কুঁহিয়াৰ উপহাৰ দিয়ে ।

অন্ধ্ৰ প্ৰদেশ

ধোঁৱা, কুঁৱলী, ঠাণ্ডা, আৰু শীতল বতাহে অন্ধ্ৰ প্ৰদেশত শস্য চপোৱা উৎসৱৰ আগজাননী দিয়ে । তামিলনাডুৰ দৰে মকৰ সংক্ৰান্তিৰ আগদিনাখনৰ পৰা উৎসৱৰ আৰম্ভনি হয় । উৎসৱৰ আৰম্ভনিৰ দিনটোক কোৱা হয় ভোগী।

ভোগী উপলক্ষে মানুহৰ ঘৰবোৰত চূন তেল দিয়া হয় আৰু ঘৰবোৰ ধুনীয়াকৈ সজোৱা হয় । সেইদিনা খুব ৰাতিপুৱাতে মুকলি ঠাইত ডাঙৰকৈ একুৰা জুই ধৰা হয় আৰু তাৰ চাৰিওফালে মানুহবোৰে বহি গীত গায় ।

মকৰ সংক্ৰান্তিক কোৱা হয় পেদ্দা পণ্ডুগা ।

সেইদিনা খেতিয়কসকলে তেওঁলোকৰ কৃষিকৰ্মত সহায় কৰি দিয়া বাবে বনুৱা আৰু চাকৰ-বাকৰৰ উদ্দেশ্যে এটা ভোজ পাতে।

উৎসৱৰ তৃতীয় দিনটোক কোৱা হয় কনুমু। সেইদিনা মাথোঁ জিৰণি লৈ ভোজ খোৱাৰ দিন। সেই দিনাখন নানা ধৰণৰ খেল ধেমালি পতা হয়। কিছুমান ঠাইত কুকুৰা যুঁজ, যাঁড়ৰ যুঁজ আদিৰো আয়োজন কৰে।

অন্ধ্ৰপ্ৰদেশৰ কিছুমান অঞ্চলত মুক্কানুমু পালনেৰ উৎসৱৰ সামৰণি মাৰে। সেইদিনা গোপূজা কৰা হয়, জন্তুবোৰক ভাল খাদ্য খুউৱা হয় আৰু শোভাযাত্ৰা কৰি উলিওৱা হয়।

অসম

মকৰ সংক্ৰান্তি উৎসৱটো অসমত শস্য চপোৱাৰ উৎসৱ হিচাবে পালন কৰা হয়। এই সময়ত কৃষকসকলে নতুন ফচল ঘৰলৈ চপাই আনে। অসমত এই উৎসৱটোক কোৱা হয় মাঘ বিহু বা ভোগালী বিহু। ভোগ মানেই খোৱা-বোৱা আৰু আনন্দ কৰা।

গাওঁ অঞ্চলত, বিহুৰ বাবে গাঁৱৰ ডেকাল'ৰাবোৰে পথাৰত মেজি আৰু ভেলাঘৰ সাজে। বিহুৰ আগদিনাক কোৱা হয় 'উৰুকা'। উৰুকাৰ দিনা ৰাতি ডেকা ল'ৰাবোৰে ভেলাঘৰত দলভাত বা লগভাত খায়। প্ৰতি ঘৰ মানুহে ভাল খোৱা বস্তু যোগাৰ কৰি আনে। সেইদিনা ৰাতি সকলোৱে ভালদৰে খাই-বৈ আনন্দ কৰি কটাই দিয়ে। মহিলাসকলে সেইদিনা বিভিন্ন ধৰণৰ পিঠা, লাৰু আৰু আদি তৈয়াৰ কৰে।

বিহুৰ দিনা ৰাতিপুৱা মেজি জ্বলোৱা হয়। সকলো লোকে প্ৰাতঃস্নান কৰি মেজিৰ গুৰিলৈ আহে আৰু নতুন মাহ, চাউল, তিল আদি মেজিৰ জুইত চতিয়াই দি অগ্নিদেৱতাক পূজা কৰে। গাঁৱৰ নামঘৰত সকলোৱে নৈবদ্য দিয়ে। দুপৰীয়া সকলোৱে দৈ, দিৰা, পিঠা, লাৰু আদি ভোজন কৰে। আবেলি সকলোৱে খেলা-ধুলা খেলে।

অন্যান্য ঠাইত

দেশৰ অন্যান্য অঞ্চলতো অতি উলহ-মালহেৰে মকৰ সংক্ৰান্তি উৎসৱ পালন কৰা হয়। পঞ্জাৱত ইয়াক 'লোহৰি' উৎসৱ হিচাবে পালন কৰা হয়, যিটো শস্য চপোৱা উৎসৱৰে এক প্ৰতীক । গাঁৱৰ চ'কবোৰত ডাঙৰকৈ জুই ধৰি তাৰ চাৰিওফালে ঘূৰি ঘূৰি পুৰুষ মহিলা সকলোৱে পৰম্পৰাগতভাবে ভাংৰা নৃত্য পৰিবেশন কৰে । এই উৎসৱ উপলক্ষে মহিলাসকলে জেতুকা বা মেহেন্দি বাটি হাতৰ তলুৱা আৰু ভৰিত নানা ধৰণৰ ডিজাইন কৰি লগায় ।

পশ্চিম বঙ্গত, মকৰ সংক্ৰান্তিৰ দিনা গঙ্গা সাগৰত পুন্য স্নান কৰিবলৈ দেশৰ বিভিন্ন অঞ্চলৰ পৰা অসংখ্য তীৰ্থযাত্ৰী আহে । গঙ্গা নদী য'ত বঙ্গোপসাগৰত পৰিছে তাতে স্নান কাৰ্য্য সমাপন কৰা হয় । এই উৎসৱ উপলক্ষে ইয়াতে এখন ধৰ্মীয় মেলা । অনুষ্ঠিত হয়, যাক কোৱা হয় গঙ্গা সাগৰ মেলা ইয়াত স্নান কৰিলে সকলো প্ৰকাৰৰ অপৱিত্ৰতা দূৰ হয় বুলি বিশ্বাস কৰা হয় ।

কৰ্ণাটকতো এইটো শস্য চপোৱা উৎসৱ হিচাবে পালন কৰা হয় । গৰু-গাইবোৰক ভালদৰে সজাই পৰাই শোভাযাত্ৰা কৰি অনা হয় । পুৰুষ-মহিলাসকলে নতুন সাজ পিন্ধি, কুঁহিয়াৰ, শুকান নাৰিকল আৰু ভজা বুট মাহেৰে ইজনে সিজনক সম্ভাষণ জনায় । এই উৎসৱ উপলক্ষে পৰম্পৰাগতভাবে চিলা উৰুৱা হয় ।

সংক্ৰান্তিৰ দিনাখন গুজৰাটৰ আকাশ ৰংবিৰঙৰ চিলাৰে ভৰি থাকে । সংক্ৰান্তিৰ দিনটোক গুজৰাটত শুভ দিন হিচাবে বিবেচনা কৰা হয় আৰু সেয়েহে ছাত্ৰ-ছাত্ৰী সকলক সেইদিনা পুৰস্কাৰ, বৃত্তি আদি প্ৰদান কৰা হয় ।

কৰেলা ৰাজ্যত, মকৰ সংক্ৰান্তিৰ দিনাখন চবৰিমালাত থকা ভগবান আয়াপ্পাৰ মন্দিৰলৈ যোৱা বছৰেকীয়া তাৰ্থযাত্ৰাৰ সামৰণি মৰা হয়। পৰ্বতমালাৰ অদূৰৰ দিগন্তত 'মকৰ জ্যোতি' নামৰ এক স্বৰ্গীয় জ্যোতি দৃশ্যমান হলেই এই তীৰ্থযাত্ৰাৰ সামৰণি পৰে ।

গোটেই ভাৰতবৰ্ষতে মকৰ সংক্ৰান্তি উৎসৱ বিভিন্নজনে বিভিন্ন ধৰণে পালন কৰে । উৎসৱ পালনৰ পদ্ধতি ঠাই ভেদে বেলেগ বেলেগ হলেও, উৎসৱ পতাৰ উদ্দেশ্য কিন্তু একেটাই । দেৱালীক যদি পোহৰৰ উৎসৱ বুলি কোৱা হয়, মকৰ সংক্ৰান্তিক কব লাগিব শস্য চপোৱাৰ উৎসৱ বুলি । এই সময়ত কৃষক সকলে নতুন শস্য চপাই ঘৰলৈ আনে, সেই শস্যৰে যাতে সুখ-সমৃদ্ধিৰে দিনবোৰ অতিবাহিত হয় তাৰ বাবে ভগবানক প্ৰাৰ্থনা কৰে ।

তামিলনাডুৰ লোক কথা

তামিলনাডুৰ কথা কলেই মনলৈ আহে ঃ কাঞ্চিপুৰম চিল্ক শাৰী, ইদলি-দোচা, মধুৰ সঙ্গীত, ভাৰতনাট্যম আৰু মন্দিৰবোৰৰ কথা । যিশুখৃষ্টৰ জন্মৰ বহুবছৰ আগতে তামিলনাডুত এজন ৰজাই ৰাজত্ব কৰাৰ কথা জনা যায় । ভাৰতৰ পুৰণি ভাষাবোৰৰ ভিতৰত তামিল ভাষাও অন্যতম ।

তামিলনাডু ৰাজ্যৰ চাৰিসীমাৰ উত্তৰে আছে কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশ, পশ্চিমে কেৰেলা, পূব আৰু দক্ষিণে আছে বঙ্গোপসাগৰ আৰু ভাৰত মহাসাগৰ । তামিলনাডুৰ একেবাৰে দক্ষিণত আছে কুমাৰীকা অন্তৰীপ বা কণ্যাকুমাৰী, য'ত ভাৰতৰ স্থলভাগ শেষ হৈছে ।

পূৰ্বঘাট আৰু পশ্চিমঘাট পৰ্বতমালা তামিলনাডুত লগলাগিছে । উটি, কোদাইকানাল, য়েৰচউদ আৰু কোথাগিৰি --এই সকলোবোৰ তামিলনাডুৰ পাৰ্বত্য চহৰ ।

১৩০,০৫৮ বৰ্গ কিলোমিটাৰ আয়তনেৰে তামিলনাডুৰ জনসংখ্যা ৬২,১১০,৮৩৯ জন । ভাৰতৰ ৰাজ্যবোৰ ভিতৰত তামিলনাডু হ'ল একাদশ বৃহত্তম ৰাজ্য ।

ঘোল আৰু পঁইতা ভাত

তামিলনাডুৰ দক্ষিণ অঞ্চলৰ পুলিয়ামপত্তি নামৰ এখন গাঁৱত মুৰুগন আৰু তেওঁৰ পত্নী চেলভিয়ে বাস কৰিছিল । মুৰুগন খুব দুখীয়া আছিল । তেওঁৰ কোনো খেতিৰ মাটি নাছিল আৰু কৰিবলৈ কোনো কামো নাছিল । সেয়েহে চেলিভিয়ে ঘৰ চলাবলৈ বৰ টান পাইছিল । ইমান অভাবৰ মাজত থাকি অসহ্য হৈ এদিন চেলাভিয়ে মুৰুগনক কৈছিল, "তুমি যদি অতি সোনকালে টকা উপাৰ্জনৰ কথা চিন্তা নকৰা, মই মোৰ মাৰ ঘৰলৈ গুচি যাম ।" এইবুলি কৈ তাই

আগদিনাখন ৰাতিৰ আহাৰৰ বৈ যোৱা পানীত তিয়াই থোৱা ভাত অলপ পাতত উলিয়াই লৈছিল। তাৰ লগতে অলপ ঘোল আৰু কেঁচা জলকীয়া দি সেইখিনি টোপোলা বান্ধি দিছিল।

খোৱাবস্তুৰ টোপোলাটো গিৰিয়েকৰ হাতত দি চেলিভিয়ে কৈছিল, "এতিয়া চহৰলৈ গৈ কিবা কাম বিচৰাগৈ । কিবা উপাৰ্জনৰ পথ নোপোৱালৈকে ঘৰলৈ উভতি নাহিবা । ঘৰত যি অলপ খোৱা বস্তু আছিল সেইখিনিও তোমাকে বান্ধি দিলো ।"

মুৰুগনে খুব দুখ মনেৰে চহৰ অভিমুখে গৈ আছিল । সেইদিনা খুব গৰম পৰিছিল । এঘন্টামান যোৱাৰ পিছতে তেওঁ এডাল ডাঙৰ তেতেলী গছ বাটৰ কাষতে দেখা পাইছিল ।

'মই এই তেতেলী গছজোপাৰ তলতে অলপ জিৰণি লব লাগিব ।' তেওঁ ভাবিলে । তাৰ পাছত দুপৰীয়া চেলিভিয়ে দিয়া পঁইতা ভাতখিনি খাব লাগিব । তেওঁ ভাতৰ টোপোলাটো তেতেলী গছৰ ডাল এটা বান্ধি থলে, যাতে কোনো জন্তুয়ে খাব নোৱাৰে, তাৰ পাছত গছৰ তলত শুই পৰিল ।

সেই তেতেলী গছজোপাত এটা ব্ৰহ্মযক্ষই বাস কৰিছিল । মানুহে কয় যে তেতেলী গছত ব্ৰহ্মযক্ষ থাকে । ব্ৰহ্মযক্ষই মুৰুগনে বান্ধি থোৱা টোপোলাটো দেখি আচৰিত হৈছিল । টোপোলাটো খুলি চোৱাৰ বাবে তাৰ খুব ইচ্ছা হৈছিল । যক্ষই গছৰ ডালৰ পৰা টোপোলাটো আনি খুলি চালে । খোলাৰ লগে লগে তাৰপৰা ভাল গোন্ধ এটা ওলাইছিল ।

'আঃ, কি সুন্দৰ গোন্ধ ! এইবোৰ কি খাদ্যনো বাৰু ? আগতে মই এনে সুন্দৰ গোন্ধ কেতিয়াও পোৱা নাই,' যক্ষই নিজকে নিজে কলে । তাৰ পাছত যক্ষই এমুঠি ভাত লৈ একামোৰ জলকীয়াৰে সৈতে খালে । ভাতখিনি ইমান সোৱাদ লাগিছিল যে তেওঁ অলপ অলপকৈ খাই থাকোতে এটা সময়ত আটাইখিনি ভাত শেষ হৈ গৈছিল ।

যক্ষৰ নিজকে খুব দোষী দোষী লাগিছিল । "বেচেৰাই শুই উঠি এতিয়া কি খাই ভোক গুচাব।" যক্ষই ভাবিছিল । গতিকে তেওঁ তামৰ যাদুকৰী বাতি এটা কাপোৰেৰে মেৰিয়াই ভাত বন্ধা টোপোলাটোত সোমাই থৈছিল । "এই তামৰ বাতিটোৱে তোমাৰ উপকাৰ কৰিব !" তেওঁ শুই থকা মুৰুগনক কৈছিল ।

কিছুমসয় পিছত মুৰুগনে টোপনিৰ পৰা উঠিছিল । তেওঁ অতি ব্যগ্ৰভাবে ভাতৰ টোপোলাটোৰ পিনে চাইছিল । সেইটো মনাই আনি খুলি চাই তাত ভাত আৰু জলকীয়া নেদেখি খুব খং উঠিছিল । ভাতৰ সলনি তাত আছিল এটা তামৰ বাতি । কিন্তু সেইটো যে যাদুকৰী

উৎসৱ পাৰ্বণ

পোঙ্গল, তামিলনাডুৰ এক প্ৰধান উৎসৱ । ইয়াক শস্য চপোৱা উৎসৱ হিচাবে পালন কৰা হয়। জানুৱাৰী মাহত এই উৎসৱ চাৰিদিন ধৰি পালন কৰা হয় । এই উৎসৱ উপলক্ষে প্ৰতিখন গাওঁ আৰু চহৰতে ষাঁড় গৰুৰ যুঁজৰ আয়োজন কৰা হয় ।

এপ্ৰিল মাহত মাদুৰাই চহৰত চিতিৰাই ভিজহা উৎসৱ পালন কৰা হয় । এই উৎসৱৰ প্ৰধান বৈশিষ্ট্য হ'ল, পৌৰাণিক আখ্যান মতে ভগবান সুন্দৰেশ্বৰৰ সৈতে পান্ড্যন ৰাজকুমাৰী, মীনাক্ষীৰ বিয়া পতা ।

ইয়াৰে সাংস্কৃতিক উৎসৱবোৰৰ ভিতৰত আছে চিদাম্বৰম আৰু মমাল্লাপুৰমৰ নৃত্য উৎসৱ । মমাল্লাপুৰম বা মহাবলীপুৰমৰ এই নৃত্যানুষ্ঠানত আমাৰ দেশৰ শ্ৰেষ্ঠ ক্লাচিকেল নৃত্যশিল্পীসকলৰ নৃত্য দেখিবলৈ পোৱা যায় । এই অনুষ্ঠানৰ কাৰণে ১৩ শ শতিকাৰ পল্লৱ ৰজাই নিৰ্মাণ কৰা প্ৰস্তৰ মূৰ্ত্তিৰ সন্মুখ ভাগত এখন মুকলি মঞ্চ নিৰ্মাণ কৰা হয় ।

চিদাম্বৰমৰ নৃত্য উৎসৱ ভগবান নটৰাজৰ মন্দিৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰা হয় । এই মন্দিৰৰ স্তম্ভবোৰত, তামিলনাডুৰ ক্লাচিকেল নৃত্য, ভাৰতনাট্যমৰ ১০৮ টা নৃত্যৰ ভঙ্গিমা খোদিত কৰা আছে ।

বাতি তেওঁ সেই কথাটো নাজানিছিল । খঙতে তেওঁ বাতিটোত কোব মাৰি দিছিল । তৎক্ষণাত সেই বাতিটোৰ পৰা এটা পৰী ওলাই এখন কলপাতত কিছুমান খোৱাবস্তু লৈ আহি তেওঁৰ সন্মুখত ৰাখিছিল । মৰুগন আচৰিত হৈছিল, কিন্তু তেওঁৰ ইমান ভোক লাগিছিল, তেওঁ এই বিষয়ে একো নুসুধি সকলোবোৰ বস্তু খাই শেষ কৰিছিল।

তেওঁ খাই উঠাৰ পিচত ঠাইখন আপোনা আপুনি পৰিষ্কাৰ হৈছিল । কাষতে মাথোঁ পৰি আছিল তামৰ বাতিটো । পেটটো তুষ্ট হোৱাত তেতিয়াহে মুৰুগনে কথাটো ভাবিছিল । বাতিটো অদৃশ্য হোৱাৰ আগতে তেওঁ সেইটো তুলি লৈ ঘৰলৈ উভতি গৈছিল ।

মুৰুগন উভতি যোৱা দেখি চেলভিয়ে ভাল পোৱা নাছিল । এদিনতে কাৰো ভাগ্য নুঘূৰে, ইয়াকে ভাবি চেলভিয়ে মুৰুগনৰ ফালে চাই চিঞৰি উঠিছিল । চেলভিয়ে যিমান জোৰে চিঞৰিছিল তাতকৈও জোৰে চিঞৰি মুৰুগনে কৈছিল, "তোমাৰ মুখ বন্ধ কৰা !" তেওঁ তামৰ বাতিটো ঘৰৰ মজিয়াত থৈ দিছিল । তাৰ পাছত তেওঁ সেইটোত কোব মাৰি দি তাৰ পৰীজনীক

হৈছিল । মুৰুগন আৰু চেলভিয়ে দুৱাৰমুখত থিয় হৈ হাতযোৰ কৰি সকলোকে আদৰণি জনাই কৈছিল -- "আহক, আহক ।" সুন্দৰী পৰীজনীয়ে গোটেই ঠাই খনতে শাৰী শাৰীকৈ কলপাত পাৰি দিছিল আৰু উজ্জ্বল ষ্টীলৰ গামলাবোৰত পানী ভৰাই থৈছিল । নিমন্ত্ৰিত অতিথি সকল পাতত বহাৰ লগে লগে তেওঁলোকৰ পাতত গৰম আৰু সুস্বাদু মছলা ভাদই, পাপৰ, পায়স, চম্বৰ, চাৰিবিধ তৰকাৰী আৰ অন্যান্য খোৱা বস্তু দিছিল ।

এই ভোজটো গাঁৱৰ মানুহৰ আলোচনাৰ বিষয় হৈ পৰিছিল ।

কৈছিল আমাৰ বাবে ভাল আহাৰ লৈ আহা । তৎক্ষণাত তাৰপৰা পৰীজনী ওলাই তেওঁলোকৰ বাবে দুখন কলপাতত ভাল ভাল খোৱা বস্তু লৈ আহি তেওঁলোকৰ আগত থৈছিল ।

মুৰুগনে কেনেদৰে পঁইতা ভাতৰ টোপোলাত বাতিটো পাইছিল গোটেই কথা তেওঁৰ পত্নীৰ আগত কৈছিল । তাৰপাছত তেওঁলোকে সিদ্ধান্ত কৰিছিল, যিহেতু এইটো ভগবানৰে দান, গতিকে আমি প্ৰতিদিনে গাঁৱৰ দুখীয়া লোকসকলক এসাজ খুউৱা উচিত । "আমি এদিন এটা খানা পাতো দিয়া ।" চেলভিয়ে কৈছিল ।

পিছদিনা মুৰুগন আৰু চেলভিয়ে গাঁৱৰ মানুহৰ ঘৰে ঘৰে গৈ ভোজ খাবলৈ মানুহবোৰক মাতি ফুৰিছিল । এই দুখীয়া মানুহহালে নো কি ভোজ খুৱাব ইয়াকে চাবলৈকে সকলো গাঁৱৰ মানুহ ভোজ খাবলৈ আহিছিল । কিন্তু মুৰুগনৰ ঘৰত ভোজৰ আয়োজন দেখি সকলোৱে অতি আচৰিত

বয়ন শিল্প

তামিলনাডুৰ চিল্কৰ শাৰী বিশ্ববিখ্যাত । এই শাৰীবোৰ মালবেৰী চিল্কেৰে কাঞ্চিপুৰমত তৈয়াৰ কৰা হয় । শাৰীবোৰৰ ৰং অতি চমকপ্ৰদ আৰু এইবোৰৰ বয়ন কাৰ্য্যৰ নিখুঁততা, বেচি দিন টিকা গুণ আৰু ইয়াৰ উজ্জ্বলতাৰ বাবে ইয়াৰ এটা সুনাম আছে । কাঞ্চিপুৰমৰ বয়ন শিল্প প্ৰায় চাৰিশ বছৰ পুৰণি বুলি অনুমান কৰা হয় ।

পুলিয়ামপত্তিৰ ধনী ব্যৱসায়ীজন কিন্তু সেই ভোজ খাবলৈ যোৱা নাছিল । অতি ঈৰ্ষাৰে তেওঁ ভোজৰ কথাবোৰ শুনিছিল হে । এদিনাখন তেওঁ মুৰুগনৰ ঘৰলৈ গৈ সেই ভোজৰ আঁৰত থকা ৰহস্যৰ কথাটো জানি আহিছিল । তেতিয়াই তেওঁ ঠিক কৰিছিল এনে ধৰণৰ যাদুৰ বাতি এটা তেওঁও আনিব । তেওঁ, তেওঁৰ পত্নীক বহুতো আহাৰ ৰান্ধিবলৈ কৈছিল আৰু সেইবোৰ এটা ডাঙৰ চিফিন কিৰিয়াৰত দিবলৈ কৈছিল । তাৰপাছত তেওঁ সেইবোৰ লৈ ব্ৰহ্মযক্ষ থকা সেই গছজোপাৰ ওচৰলৈ গৈছিল ।

অতি সোনকালে তেওঁৰ তন্দ্ৰা ভাব আহিছিল। "ক'ত সেই বদমাচ ব্ৰহ্মযক্ষ ? সোনকালে ওলাই নাহা কিয় ?" মানুহজনে চিঞৰি চিঞৰি কোৱা কথাবোৰ ব্ৰহ্মযক্ষই

মন্দিৰ

ইয়াৰ মন্দিৰবোৰৰ কাৰণে তামিলনাডু অতি বিখ্যাত । তাঞ্জাভূৰৰ বৃহদেশ্বৰ মন্দিৰ, ইয়াৰ স্থাপত্য কলাৰ বাবে সুপ্ৰসিদ্ধ । এই মন্দিৰটো ৰজা চোল ১-এ (৯৮৫-১০১৩খৃঃ) নিৰ্মাণ কৰাইছিল । ইয়াৰ বিমানন বা টাৱাৰটো একক গ্ৰেনাইট পাথৰেৰে তৈয়াৰ কৰা হৈছিল আৰু এইটো এনেদৰে লগোৱা হৈছিল, ইয়াৰ ছাঁ কেতিয়াও মাটিত নপৰে । মাদুৰাইৰ মীনাক্ষী - সুন্দৰেশ্বৰৰ মন্দিৰ পৰ্য্যটকৰ বাবে অন্য এক আকৰ্ষণ । এইটো দেৱী মীনাক্ষী আৰু ভগবান শিৱৰ মন্দিৰ । কাঞ্চিপুৰমৰ একম্বৰেশ্বৰ মন্দিৰটোও ভগবান শিৱৰ মন্দিৰ । ইয়াতে তেওঁক, পঞ্চভূতৰ এটা ভূত, পৃথিবী বা মাটিৰ

ৰূপত পূজা কৰা হয় ।

ৰাজ্যখনত থকা অন্যান্য মন্দিৰবোৰ হ'ল, শ্ৰীৰঙ্গমত থকা শ্ৰীৰঙ্গনাথৰ মন্দিৰ । ইয়াৰ উপৰি কুম্বকোনম, ৰামেশ্বৰম, চিদাম্বৰম আৰু ইয়াৰ আশে পাশে বহুতো মন্দিৰ আছে ।

শুনিবলৈ পাইছিল । যক্ষই মানুহজনক এটা শিক্ষা দিয়াৰ কথা ভাবিলে । ধনী মানুহজন অতি সোনকালে টোপনি গ'ল । ব্ৰহ্মযক্ষই টিফিন কেৰিয়াৰটোৰ ঠাইত এটা বেতৰ খৰাহী ৰাখি এইবুলি কৈছিল, "এই বেতৰ খৰাহীটোৰে তোমাৰ যত্ন লব ।" তাৰ পাছত ব্ৰহ্মযক্ষ নোহোৱা হৈ গৈছিল ।

ধনী মানুহজনে টোপনিৰ পৰা উঠি চাৰিওফালে চাবলৈ ধৰিলে । অলপ দূৰত খৰাহীটো দেখিবলৈ পাই মনতে ভাবিছিল, তেওঁ যিহেতু ব্ৰহ্মযক্ষৰ কাৰণে বেচিকৈ আহাৰ লৈ আহিছে ব্ৰহ্মযক্ষই কিজানি মুৰুগনৰ বাতিটোতকৈও বেচি ভাল এই খৰাহীটো ৰাখি থৈ গৈছে । সেইটো লৈ অতি উৎসাহেৰে তেওঁ ঘৰলৈ আহিছিল ।

পিছদিনাখন তেওঁ সকলো বন্ধু-বান্ধৱকে ভোজ খাবলৈ তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ জনাইছিল। সকলো মানুহ গোটখোৱাত ধনী মানুহজনে অতি বিশ্বাসেৰে খৰাহীটোৰ আগত আহাৰ পৰিবেশন কৰিবলৈ কৈছিল । কি আচৰিত ! খৰাহীটোৰ পৰা চাৰিজন প্ৰকাণ্ড মানুহ ওলাই আহিছিল । সিহঁতৰ ডাঙৰ গোফ আছিল আৰু দেখাতে দৈত্য যেন লাগিছিল । সিহঁতে তাত থকা ধনী মানুহজন আৰু অতিথিসকলক ধৰি মূৰ খূৰাই দি পেটৰ ভোকেৰেই ঘৰলৈ পঠাই দিছিল। "আই ঐ ! মূৰ তপা কৰিলে ঐ !" বুলি বেচেৰা ধনী মানুহজনে চিঞৰি আছিল ।



এই ভোজৰ কথাটোও মানুহৰ আলোচনাৰ বিষয় হৈ পৰিছিল আৰু বেচেৰা ধনী মানুহজনে লাজতে তীৰ্থযাত্ৰা কৰিবলৈ ওলাই গৈছিল ।

ভ্ৰমণ স্থান

মন্দিৰবোৰৰ বাহিৰেও তামিলনাডুত বহুতো চাবলগীয়া ঠাই আছে । চেন্নাইৰ মেৰিনা সমুদ্ৰসৈকত বিশ্বৰ দ্বিতীয় দীৰ্ঘতম সমুদ্ৰসৈকত । ইয়াৰ উপৰি উপকূল অঞ্চলত বহুতো চাবলগীয় ঠাই আছে ।

তামিলনাডু আৰু কৰ্ণাটকৰ সীমান্তত থকা হোগেনাক্কাল জলপ্ৰপাত ভ্ৰমণকাৰীৰ বাবে অন্য এক আকৰ্ষণীয় ঠাই । এই ঠাইত কাবেৰী নদী ভাগ হৈ এটা সোঁত পোনে পোনে বৈ গৈছে আৰু অন্য এটা সোঁতে এই সুন্দৰ জলপ্ৰপাতটোৰ সৃষ্টি কৰিছে । কাবেৰী নদী কিছু ঠাইত অতব্য হাবিৰ মাজেৰে হৈ যোৱা বাবে ইয়াৰ পানীত বহুতো বনৌষধিৰ লতা-পাত লাগি থাকে, সেয়েহে ইয়াৰ পানীত গা ধোৱাতো স্বাস্থ্যৰ পক্ষে উপকাৰী বুলি বিবেচনা কৰা হয় ।

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

২০০২ চনৰ ২৬ জানুৱাৰীত ৫১ তম গণৰাজ্য দিৱস পালন কৰা হব । এই দিৱসে ভাৰতবৰ্ষক এখন স্বাধীন সাৰ্বভৌম গণৰাজ্য ঘোষণা কৰা দিনটোলৈ সোঁৱৰাই দিয়ে । বহু বছৰধৰি বিদেশী শাসকৰ বিৰদ্ধে আন্দোলন কৰাৰ পিছত ভাৰতে এই স্বাধীনতা লাভ কৰিছিল। এই মাহৰ প্ৰশ্নৱলীয়ে স্বাধীনতা আন্দোলনৰ কথাকে বিভিন্ন দিশৰ পৰা মনত পেলাই দিব । যিসকলে জানুৱাৰীৰ পৰা এপ্ৰিলৰ ভিতৰত চান্দমামাত প্ৰকাশিত 'কুৰি শতিকাৰ ভাৰত' ফিচাৰটো পঢ়িছে তেওঁলোকে উত্তৰ দিয়াত সহজ পাব ।

১. "The Indian Struggle" নামৰ কিতাপখনৰ গ্ৰন্থকাৰ কোন ?
২. 'সত্যাগ্ৰহ' শব্দটো প্ৰথমতে কোনে উদ্ভাৱন কৰিছিল ?
৩. ক'ত আৰু কেতিয়া পণ্ডিত জৱাহৰলাল নেহৰুৱে গান্ধিজীক লগ পাইছিল ?
৪. তিনিজন জাতীয় নেতা লাল, বাল আৰু পাল নামেৰে পৰিচিত আছিল । সেই নেতা তিনিজন কোন আছিল ?
৫. বঙ্গদেশক কেতিয়া বঙ্গ আৰু পূৰ্ব বঙ্গ হিচাবে ভাগ কৰা হৈছিল ?
৬. ইষ্ট ইন্ডিয়া কোম্পানীয়ে কেতিয়া বৃটিচ চৰকাৰক ক্ষমতা হস্তান্তৰ কৰিছিল ?
৭. ভাৰতীয় জাতীয় কংগ্ৰেছে ক'ত আৰু কেতিয়া ভাৰতৰ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল ?
৮. চাইমন কমিচন কেতিয়া ভাৰতলৈ আহিছিল ? ইয়াৰ বৈশিষ্ট্য কি আছিল ?
৯. কেতিয়া অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰা হৈছিল ?
১০. "স্বাধীনতা মোৰ জন্মগত অধিকাৰ, আৰু মই ইয়াক লাভ কৰিমেই ।" এই বিখ্যাত মন্তব্যটো কোনে কৰিছিল ?

(উত্তৰ অহা সংখ্যাত)

ডিচেম্বৰ মাহৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. ১১ মে, ২০০০ । সন্তানটোৰ নাম ৰখা হৈছিল আস্থা ।
২. কাঞ্চনজঙ্ঘা - ৮,৫৯৮ মিটাৰ / ২০,২০৮ ফুট ।
৩. সিন্ধু আৰু ইয়াৰ উপনদীবোৰ - ঝিলাম, চেনাব, ৰবি. আৰু চুটলেজ ।
৪. উত্তৰাঞ্চল - দেৰাডুন, ছত্তিচগড় - ৰায়পুৰ, ঝাৰখন্ড - ৰাচি ।
৫. তামিলনাডু - শ্ৰীমতী জানকী ৰামচন্দ্ৰন আৰু কুমাৰী জয়াললিতা ।

ভাৰত কথা

এক মহান সভ্যতাত এভূমুকি
যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

২৪. কালিদাসৰ অভিজ্ঞান শকুন্তলম্



সন্দীপে স্কুলৰ পৰা উভতি আহি অতি উৎসাহিত হৈ ককাকক কলে, "ককা, আমাৰ স্কুলৰ বাৰ্ষিক অধিবেশন উপলক্ষে আমি কালিদাসৰ নাটক এখন মঞ্চস্থ কৰিবলৈ ওলাইছো । অহাকালি আমাক প্ৰেক্ষাগৃহত উপস্থিত থাকিবলৈ কোৱা হৈছে । যদিও অহাকালি ৰবিবাৰ, সম্ভৱতঃ শিক্ষকে চৰিত্ৰবোৰ আমাৰ মাজত ভগাই দিব ।"

"অভিজ্ঞান শকুন্তলম্ নাটকখন নে ?" অধ্যাপক দেৱনাথে সুধিলে ।

"ঠিক কৈছে ককা, কিন্তু আপুনি কেনেকৈ অনুমান কৰিলে ?" সন্দীপে সুধিলে ।

"এইটোনো কি আচৰিত কথা, কাৰণ কালিদাসৰ এইখনে অতি জনপ্ৰিয় নাটক । তেওঁৰ অন্য নাট দুখন হ'ল - 'ৱিক্ৰমোৰ্ৱশিয়ম' আৰু মালৱিকাগ্নিমিত্ৰ' । এই দুখন মঞ্চস্থ কৰা সিমান উজু নহয় । তাতোকৈ ডাঙৰ কথা, সংস্কৃতৰ বাহিৰে বেলেগ ভাষাত নাট দুখন অভিনিত হলে তাৰ সৌন্দৰ্য্যই নাথাকিব্ । তুমি বাৰু কেতিয়াবা মূল সংস্কৃতত অভিনয় কৰিছানে ?"

"অ' নাই কৰা..."

"সংস্কৃতত অভিনয় কৰিবলৈ ইমান ভয় খাইছা কিয় ?"

"কাৰণ, এইটো খুব কঠিন !"

বিশ্বাবসু

আছে, তুমি আৰু ককাৰ মুখৰ পৰা শুনাৰ আৱশ্যক নাই। গতিকে তুমি ইয়াৰ পৰা যোৱা আৰু মোক অকলে শুনিবলৈ দিয়া।" সন্দীপে ভনীয়েকৰ ফালে চাই চিঞৰি কৈছিল।

"মই কবলৈ হলে, তোমালোকে স্কুলৰ ইউনিফৰ্ম সলাই, হাত মুখ ধুই জলপান কৰি লোৱা। তাৰ পাছত ইয়ালৈ আহিবা। তোমালোকৰ ককাক দেখা কৰিবলৈ বহুতো লোক আহিছিল। তেওঁলোকৰ লগত কথা কৈ তেখেতৰ বোধহয় ভাগৰ লাগিছে। তেখেতে অলপ জিৰণি লওক।" মাক, জয়শ্ৰীয়ে আহি সন্দীপ আৰু চামেলীক উদ্দেশ্য কৰি কলে।

"প্ৰস্তাৱটো মই সাদৰে সমৰ্থ কৰিলো।" অধ্যাপকে কলে।

দুয়ো স্কুলবেগ দুটা লৈ দৌৰি ভিতৰলৈ গ'ল, যাতে আধা ঘন্টাৰ ভিতৰতে আকৌ উভতি আহিব পাৰে। অধ্যাপক দেৱনাথে চকুদুটা মুদি কাহিনীটো মনত কৰি আছিল।

"দেউতা, আপোনাৰ জিৰণিৰ প্ৰয়োজন হোৱা নাই নে বাৰু?" জয়শ্ৰীয়ে সুধিলে।

"সেই বিষয়ে নাভাবিবা,"অধ্যাপকে মূল কথাটো এৰাই গৈ উত্তৰ দিলে। তেওঁলোকৰ লগত কথা কোৱাটোৱে এক প্ৰকাৰ জিৰণি।"

তাৰ পাছত অধ্যাপকে কাহিনীটো বৰ্ণনা কৰিবলৈ ধৰিলে:

হস্তিনাপুৰৰ ৰজা দুষ্যন্তই এবাৰ চিকাৰলৈ গৈছিল। তেওঁ হৰিণা এটা খেদি খেদি গৈ কন্বমুনিৰ আশ্ৰম পালে। কন্বমুনিয়ে ঋষি বিশ্বামিত্ৰ আৰু মেনকাৰ কন্যা শকুন্তলাক তোলনীয়া জীয়ৰী কৰি ৰাখিছিল। সেই সময়ত কেইটামান মৌমাখিয়ে শকুন্তলাক আমনি কৰি আছিল। তেতিয়া তেওঁৰ সখীসকলে ধেমালি

"বাচা, তোমাৰ ধাৰণাটো শুদ্ধ নহয়। ইয়াক কঠিন লগাৰ কাৰণ হ'ল শিক্ষকসকলে এক কঠিন পদ্ধতিৰে ইয়াক শিকায়। সংস্কৃতত তুমি যিটো আনন্দ পাবা সেইটো সঁচাকৈয়ে অতুলনীয়। বাৰু, সেইটো এটা অন্য বিষয়। তুমি কোনটো চৰিত্ৰত অভিনয় কৰিবলৈ ওলাইছা?"

"মই নাজানো ককা, অহা কালিহে সিদ্ধান্ত কৰা হব। আপুনি বাৰু কাহিনীটো সংক্ষেপে মোক কব পাৰিবনে? তেতিয়াহলে চৰিত্ৰ বাচি লোৱাত মোৰ সহজ হব ....।"

"তাত সিদ্ধান্ত লোৱাৰ কি আছে? নাটকত এজন বহুৱা থাকিবই, আৰু সেইটোৱে তোমাৰ বাবে ৰাখি থোৱা আছে।" কথাৰ মাজতে চামেলীয়ে আহি মন্তব্য কৰি কলে। চামেলীয়ে স্কুলৰপৰা আহি ঘৰত সোমাইছিল হে মাত্ৰ।

"তুমি কাহিনীটো জানা, নহয় নে? ঠিক

কৰি কৈছিল, চোৰাচোন, ৰজা দুষ্যন্তৰ শাসন কালত কেনেকৈ মৌমাখিয়েও অবলা নাৰীক আমনি কৰে।

কিন্তু হায়! বিপদত পৰা ছোৱালীজনীক ৰক্ষা কৰিবলৈ ৰজা দুষ্যন্ত নিজেই আহি তাত উপস্থিত হল।

মুনি সেই সময়ত আশ্ৰমত নাছিল। সেয়েহে অতিথি শুশ্ৰুষাৰ ভাৰ শকুন্তলাৰ ওপৰতে পৰিছিল। ৰজা কিছুদিন আশ্ৰমতে আছিল। সেই কেইদিন ৰজাই হিংস্ৰ জন্তুবোৰ আৰু ৰাক্ষসবোৰক আশ্ৰমৰ পৰা দূৰলৈ খেদি পঠোৱাতে ব্যস্ত আছিল। সেই কেইদিনৰ ভিতৰতে শকুন্তলা আৰু দুষ্যন্তৰ হিয়া দিয়া নিয়া হৈছিল আৰু অতি সাধাৰণ ভাবে বিবাহ পাশত আবদ্ধ হৈছিল।

এদিনাখন ৰজা দুষ্যন্ত ৰাজধানীলৈ উভতি যাবলৈ ওলাল। যাওঁতে তেওঁ শকুন্তলাক তেওঁৰ হাতৰ মূল্যবান আঙঠিটো পিন্ধাই দি গ'ল। মুনি আশ্ৰমত উপস্থিত নথকা বাবে ৰজাই শকুন্তলাক নিজৰ লগত লৈ নগ'ল।

এদিনাখন শকুন্তলা দুষ্যন্তৰ চিন্তাত মগ্ন হৈ বহি আছিল। এনেতে অতি খঙাল মুনি দুৰ্বাসা আশ্ৰমত আহি ওলাল। শকুন্তলাই যিহেতু দুষ্যন্তৰ কথাকে ভাবি আছিল, সেয়েহে দুৰ্বাসাই তেওঁক মতা কথাটো তেওঁ মন কৰা নাছিল। তেতিয়া মুনিয়ে খঙতে অগ্নিশৰ্মা হৈ শকুন্তলাক এই বুলি অভিশাপ দিছিল, 'তুমি যাৰ কথা ইমানকৈ ভাবি আছা সময়ত তেওঁ তোমাক পাহৰি যাব।'

শকুন্তলাই তেওঁক শাপ দিয়া কথা শুনা নাছিল, কিন্তু তেওঁৰ এজনী সখীয়ে শুনিবলৈ পাইছিল। তেওঁ প্ৰাৰ্থনা কৰাত মুনিয়ে সহানুভূতিশীল হৈ কৈছিল যে এই শাপ কিছুদিনৰ বাবেহে কাৰ্য্যকাৰী হৈ থাকিব।

কন্বমুনিয়ে আশ্রমলৈ উভতি আহি শকুন্তলাই ৰজা দুষ্যন্তক স্বামী বৰণ কৰাৰ কথা শুনি আনন্দিত হৈছিল। শকুন্তলা অতি সোনকালে মাতৃ হব, সেয়েহে মুনিয়ে তেওঁক পতিৰ ঘৰলৈ পঠাই দিলে।

কিন্তু বিধিৰ কি বিধান, মুনিৰ শাপৰ কাৰণে ৰজাই শকুন্তলাক চিনি নাপালে। অন্যহাতে বাটত যাওঁতে তেওঁলোকে নাৱেৰে নদী পাৰ হব লগা হৈছিল। শকুন্তলাই পানী স্পৰ্শ কৰোতে ৰজাই দিয়া আঙঠিটো অজানিতে নদীত পৰি গছিল। গতিকে তেওঁ ৰজাক একো প্ৰমাণ দেখুৱাব নোৱাৰিলে।

শকুন্তলাই মনত বৰ আঘাত পালে। যিহওক, মাক মেনকাই তেওঁক সন্ত্বনা দিলে। শকুন্তলাই আশ্ৰমত এটা পুত্ৰ সন্তান জন্ম দিলে।

এদিনাখন এটা মাছমৰীয়াই মাছৰ পেটত এটা আঙঠি পালে। আঙঠিটো আনি তেওঁ ৰজাক দিলে। আঙঠিটো দেখিয়েই তৎক্ষণাত ৰজাৰ শকুন্তলাৰ কথা মনত পৰিল। তেওঁ অনুতাপ কৰিবলৈ ধৰিলে। কিন্তু শকুন্তলাক এতিয়া পাই ক'ত ? ৰজাই শকুন্তলাৰ ওপৰত কৰা অবিচাৰৰ কথা ভাবিয়ে দুখেৰে দিন কটাবলৈ ধৰিলে।

এদিনাখন ৰজা দুষ্যন্তই কশ্যপ মুনিৰ আশ্ৰমলৈ যাওঁতে এটা সুন্দৰ বালকে সিংহ পোৱালিৰে সৈতে খেলি থকা দেখিবলৈ পালে। সেইজন ৰজাৰ নিজৰে পুত্ৰৰ বাহিৰে আন কোনো নাছিল। সেই বালকৰ যোগেদিয়ে ৰজাৰ শকুন্তলাৰ লগত দেখা হৈছিল, যাক তেওঁ কিছুদিনৰ কাৰণে পাহৰি আছিল। তেওঁলোকৰ আকৌ মিলন হৈছিল। কালক্ৰমত তেওঁলোকৰ পুত্ৰ ভৰত এজন প্ৰখ্যাত ৰজা হব পৰিছিল। এই ভৰতৰ নাম অনুসৰিয়ে আমাৰ দেশখনৰ নাম ভৰতবৰ্ষ হোৱা বুলি বিশ্বাস কৰা হয়।

ককা দেৱনাথে কাহিনীটো শেষ কৰি অলপ সময় ৰল। তাৰ পাছত তেওঁ কলে, "তোমালোকে জাননে এজন বিখ্যাক জাৰ্মান কবিয়ে এটা অতি সুন্দৰ কবিতা লিখিছে। সেই কবিতাটোত কবিয়ে শকুন্তলা নাটকৰ কথা উল্লেখ কৰিছে।

দেৱী ভাগৱত

ৰম্ভ আৰু কৰম্ভ দানৱ পুত্ৰ আছিল। তেওঁলোকৰ কোনো সন্তান নথকাত তেওঁলোকে সন্তান কামনাৰে দীৰ্ঘকাল ধৰি তপস্যা কৰিছিল। কৰম্ভই পঞ্চনদী তীৰ্থত ডুবমাৰি তপস্যা কৰিছিল। ৰম্ভই এডাল ওখ গছৰ ডালত বহি বহি তপস্যা কৰিছিল।

ইন্দ্ৰই এটা ঘৰিয়ালৰ ৰূপ ধৰি পঞ্চনদীত প্ৰৱেশ কৰি কৰম্ভক বধ কৰিছিল। নিজ ভাতৃৰ মৃত্যুত শোকভিভূত হৈ ৰম্ভই অগ্নিদেৱতাক নিজৰ মূৰ কাটি দিবলৈ উদ্যত হ'ল।

যেতিয়া নিজৰ মূৰটো কাটিবলৈ ৰম্ভই তৰোৱাল দাঙি ললে, তেতিয়া অগ্নিদেৱতাই দেখা দি ৰম্ভক কলে, আত্মহত্যা কৰিবলৈ কিয় উদ্যত হৈছা ? ইয়াৰ পৰা তোমাৰ কি লাভ হব ? তোমাৰ তপস্যাত মই সন্তুষ্ট হৈছো। তোমাক কি বৰ লাগে কোৱা ?"

"হে দেৱ, আপোনাৰ যদি মোৰ প্ৰতি দয়া আছে, তেতিয়াহলে মোক এজন অজেয় পুত্ৰ দিয়ক, যিয়ে দেৱতা দানৱ সকলোকে জয় কৰিব পাৰিব।" ৰম্ভই কলে।

"তোমাৰ মনোবাঞ্চা পূৰ্ণ হওক" বুলি কৈ অগ্নিদেৱতা অদৃশ্য হৈ গ'ল।

ৰম্ভই যেতিয়া উভতি আহিছিল তেতিয়া তেওঁ এখন ধুনীয়া ঠাইত এটা ম'হ দেখিবলৈ পাইছিল। সেই ঠাইখন যক্ষৰ অধীনত আছিল। সেই ম'হটো তেওঁৰ লগে লগে পাতাললৈ আহিছিল।

সেই ম'হটোৰ পিছে পিছে তালৈ আৰু এটা ম'হ আহিছিল। দ্বিতীয় ম'হটোৰ কাৰ্য্যত অসন্তুষ্ট হৈ ৰম্ভই তাক খুব প্ৰহাৰ কৰিছিল। তেতিয়া ম'হটোৱে ৰম্ভক শিঙেৰে ওপৰলৈ তুলি লৈ খুচি মাৰি পেলাইছিল। ৰম্ভৰ মৃত্যু হোৱা দেখি সেই একে চিতাতে তেওঁৰ মহিষিয়েও মৃত্যু বৰণ কৰিছিল। সেই জুইৰ আঙঠাৰ পৰা দুটা ৰাক্ষসৰ



উদ্ভৱ হৈছিল । এটা হ'ল মহিষ আৰু আনটো হ'ল ৰক্তবীজ ।

ৰাক্ষসসকলে মহিষাসুৰক ৰজা পাতিলে । মহিষ, কাঞ্চন পৰ্বতলৈ গৈ ঘোৰ তপস্যা মগ্ন হ'ল । তপস্যাত সন্তুষ্ট হৈ ব্ৰহ্মাই দেখা দিলে । তেতিয়া তেওঁ ব্ৰহ্মাৰ ওচৰত বৰ ভিক্ষা কৰি কলে, “হে দেৱ, মোৰ যাতে মৃত্যু নহয় তাকে বৰ দিয়ক ।”

তেতিয়া ব্ৰহ্মাই কলে, “কোনো প্ৰাণী জন্ম গ্ৰহণ কৰিলে, তাৰ মৃত্যু নিশ্চিত । ইয়াৰ পৰা কোনেও ৰক্ষা পাব নোৱাৰে । জন্ম হলে মৃত্যু হোৱাতো যিহেতু নিশ্চিত, মই তোমাক অমৰত্বৰ বৰ কেনেকৈ দিম । আনকি ভূমি, সমুদ্ৰ, পৰ্বতো বিনাশ হয় । কোনেও ৰক্ষা পাব নোৱাৰে । অমৰত্বৰ বাহিৰে তুমি অন্য বৰ খোজা । নিশ্চই তোমাৰ ইচ্ছা পূৰণ কৰিম ।”

তেতিয়া মহিষে কলে, “মোক কোনো তিৰোতাই মাৰিব নোৱাৰে । সেয়ে মোক এনে বৰ দিয়ক মোক যাতে কোনো মানৱ, দানৱ আৰু দেৱতাই মাৰিব নোৱাৰে ।”

“ঠিক আছে, সেয়ে হব । কিন্তু মনত ৰাখিবা, তোমাৰ মৃত্যু এজনী স্ত্ৰীৰ হাতত হব ।” ইয়াকে কৈ ব্ৰহ্মা অদৃশ্য হৈ গ'ল ।

ব্ৰহ্মাৰ বৰ পাই তেওঁ মদমত্ত হৈ উঠিল । তেওঁৰ বিশ্বাস হৈছিল যে তেওঁক কোনো পুৰুষে বধ কৰিব নোৱাৰে । বৰৰ বলত বলীয়ান হৈ তেওঁ স্বৰ্গ আক্ৰমণ কৰিবলৈ উদ্যত হ'ল । তেওঁ এজন অনুচৰক মাতি আনি আদেশ দিলে যে তেওঁ স্বৰ্গলৈ গৈ ইন্দ্ৰক যুদ্ধৰ বাবে আহ্বান জনাব লাগে । অনুচৰজনে ইন্দ্ৰৰ আগত গৈ মহিষাসুৰে কোৱা কথাখিনি কলে ।

ইন্দ্ৰই দিক্পালসকলক মাতি আনি কলে, “ৰম্ভৰ পুত্ৰ মহিষক ব্ৰহ্মাই বৰ দিছে । তাতে আনন্দিত হৈ মহিষে স্বৰ্গ আক্ৰমণ কৰিবলৈ সৈন্য গোটাইছে । তেওঁ এইবুলিও কৈছে যে, দেৱতা সকলক পৰাস্ত কৰি তেওঁ স্বৰ্গ জয় কৰিব । তেওঁৰ দূতে আহি মোক এই সংবাদ দি গৈছে ।”

তাৰ পাছত ইন্দ্ৰই কলে, “মহিষাসুৰৰ সেৱক হৈ থকাৰ আপোনালোকৰ ইচ্ছা নে যুদ্ধ কৰাৰ । এই ৱস্থাত কি কৰিব সেয়া আপোনালোকেই সিদ্ধান্ত কৰক । শত্ৰু যিমানেই বলবান নহওক কিয় তাক মাফ কৰা উচিত নহয় । জয় পৰাজয় ভগবানৰ হাতত । তথাপি আমি হাত সাবতি বহি থকা উচিত নহয় । আমাৰ কৰ্ত্তব্য আমি কৰি যাম । সন্ধি কৰাতো ভাল কথা । কিন্তু এনে দুষ্টলোকৰ লগত সন্ধি কৰিলে পিছলৈ বেয়াহে হব । যুদ্ধ কৰিবলৈ হলে প্ৰথমতে আমি নিজৰ আৰু শত্ৰুৰ শক্তি জানি লব লাগিব । ইয়াৰ বাবে শত্ৰু শিবিৰলৈ এজন দূত পঠাব লাগিব ।”

ইন্দ্ৰই পঠোৱা দূতজন ঘূৰি আহি মহিষাসুৰৰ শক্তিৰ বিষয়ে সম্পূৰ্ণ বিৱৰণ দিলে । এই কথা শুনি তেওঁ আচৰিত হৈ গ'ল । ইন্দ্ৰই পুৰোহিতক

মাতি আনি কলে, "মহিষে অসংখ্যা সৈন্য লৈ আমাৰ ওপৰত আক্ৰমণ কৰিবলৈ ওলাইছে। এই আক্ৰমণ প্ৰতিহত কৰাৰ কোনো উপায় আছেনে?"

ইন্দ্ৰই চিন্তাত অস্থিৰ হোৱা দেখি গুৰু বৃহস্পতিয়ে কলে, "সন্মুখলৈ কোনো বিপদ আহিলে সাহস হেৰোৱা উচিত নহয়। ধৈৰ্য্য ধৰা। যি হবৰ আছে হবই। তথাপিতো সাধ্য মতে চেষ্টা কৰি যাব লাগিব। কেৱল ভগবানৰ ওপৰত ভৰসা ৰাখিলেও কাম নহব। অশেষ চেষ্টা কৰাৰ পিছতো যদি কোনো সুফল পোৱা নাযায় তেতিয়া ভগবানৰ হাতত এৰি দিব লাগিব।"

ইন্দ্ৰই কলে, "গুৰুদেৱ, স্বীকাৰ কৰো যে বিনাযত্নৰে কোনো কাম নহয়। কোনো শত্ৰুয়ে ৰাজ্য আক্ৰমণ কৰিলে সেই ৰাজ্যৰ ৰজাৰ উচিত, তাক প্ৰতিহত কৰা। আপুনি যদি উপদেশ দিয়ে মই যুদ্ধৰ কাৰণে সাজু হব পাৰো। আপুনি, বজ্ৰাযুদ্ধ আৰু হৰিহৰেই হ'ল মোৰ সহায়।"

গুৰু বৃহস্পতিয়ে তেতিয়া ইন্দ্ৰক কলে, "যুদ্ধ কৰা নকৰাতো তোমাৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব। মই যুদ্ধ কৰিবলৈ বা নকৰিবলৈ কোনো পৰামৰ্শ নিদিও। যিটো তুমি উচিত বুলি ভাবা তাৰ ওপৰতে চিন্তা ভাবনা কৰা।

তেতিয়া ইন্দ্ৰই ব্ৰহ্মাৰ ওচৰলৈ গৈ কলে, "হে দেৱ, মহিষ নামৰ এজন ৰাক্ষসে আপোনাৰ বৰত বলীয়ান হৈ স্বৰ্গ আক্ৰমণ কৰিবলৈ ওলাইছে। তেওঁৰ লগত অসংখ সৈন্যও আছে। এই বিপদৰ পৰা মোক ৰক্ষা কৰক।"

ব্ৰহ্মাই কলে, "শিৱ আৰু বিষ্ণুকো লগত লৈ শত্ৰুৰ বিৰুদ্ধে যুদ্ধ কৰাতোৱে উচিত হব। বলা, প্ৰথমতে কৈলাশলৈকে যাওঁ।"

দুয়ো মিলি শিৱৰ ওচৰলৈ গৈ শিৱৰ আগত



সবিশেষ বিৱৰি কলে। তাৰ পাছত তিনিও লগ হৈ বিষ্ণুৰ ওচৰলৈ গ'ল। আটায়ে লগ হৈ মহিষৰ বিৰুদ্ধে যুদ্ধ কৰাতোকে সিদ্ধান্ত কৰিলে। হাঁহৰ ওপৰত ব্ৰহ্মা, ষাড় গৰুৰ ওপৰত শিৱ আৰু গৰুড়ৰ ওপৰত বিষ্ণুৱে উঠি ওলাই গ'ল। তেওঁলোকৰ লগে লগে ঐৰাৱতত উঠি ইন্দ্ৰও গ'ল। দেৱতাসকলৰ সৈন্য আৰু দানৱসকলৰ সৈন্য যুদ্ধৰ বাবে সাজু হৈ আছিল।

দুয়ো পক্ষৰ মাজত ভয়ানক যুদ্ধ লাগে। দেৱতা সকলে অশেষ পৰাক্ৰম দেখুৱাই যুদ্ধ কৰিলে, কিন্তু মহিষৰ সন্মুখত কোনেও তিষ্ঠিব নোৱাৰিলে। অৱশেষত দেৱতাসকলে যুদ্ধ ক্ষেত্ৰৰ পৰা পলাব লগা হয়। স্বৰ্গ ৰাজ্য মহিষৰ অধীন হয়। মহিষে স্বৰ্গত গৈ ইন্দ্ৰৰ সিংহাসনত উপৱিষ্ট হ'ল। গোটেই স্বৰ্গৰাজ্যতে তেওঁৰ শাসন জাৰি কৰি স্বৰ্গসুখ উপভোগ কৰিবলৈ ধৰিলে।

এই কষ্ট সহ্য কৰা দেৱতাসকলৰ কাৰণে

অসম্ভৱ হৈ উঠিল । তেওঁলোকে এই অপমান সহ্য কৰিব পৰা নাছিল । এদিন সকলো দেৱতা লগ হৈ ব্ৰহ্মাৰ ওচৰলৈ গৈ কবলৈ ধৰিলে, “মহিষাসুৰে আমাক স্বৰ্গৰ পৰা বিতাৰিত কৰি আমাৰ এই দুৰ্দশা কৰিছে । আপুনি আমাৰ পিতৃৰ সমান । আপুনি আমাৰ এই দুৰৱস্থাৰ কথা কি, ভবা নাই ? আপুনি এজন সৰ্বজ্ঞ, কওক, এতিয়া আমাৰ কি হব ?”

“মইনো কি কৰিম ? কোনো পুৰুষে তেওঁক বধ কৰিব নোৱাৰে । এই বৰ তেওঁ লাভ কৰিছে। কোনো তিৰোতাৰ হাততহে তেওঁৰ মৃত্যু হব । ব'লা, প্ৰথমতে শিৱৰ লগত আৰু তাৰ পাছত বিষ্ণুৰ লগত এই বিষয়ে আলোচনা কৰোঁ ।” ব্ৰহ্মাই কলে ।

ব্ৰহ্মাৰ সৈতে সকলো দেৱতা শিৱৰ ওচৰলৈ গ'ল । “সকলো দেৱতাই দেখো, কি কাৰ্য্যত বা অহা হৈছে ?” শিৱই সুধিলে ।

“আপোনাক লুকাবৰ কি আছে ? মহিষাসুৰে স্বৰ্গৰাজ্য আক্ৰমণ কৰি ইন্দ্ৰ তথা অন্য দেৱ দেৱীসকলক স্বৰ্গচ্যুত কৰিছে । তেওঁলোকে আপোনাৰ সহায় বিচাৰিছে ।” ব্ৰহ্মাই শিৱক কলে ।

শিৱই মিচিকিয়া হাঁহি মাৰি কলে, “আপুনিয়েইতো দেৱতাসকলৰ এই দুৰৱস্থা কৰিছে । আপোনাৰ বৰ দানৰ কাৰণেই কোনো পুৰুষে তেওঁক বধ কৰিব নোৱাৰে । এতিয়া আপুনিয়েই কওকচোন অসুৰক বধ কৰিবলৈ কোন তিৰোতাক পঠোৱা যায় ? আপুনি আপোনাৰ ধৰ্মপত্নীক পঠাব নে মই মোৰ ধৰ্মপত্নীক পঠাম ? নহলে ইন্দ্ৰৰ পত্নীয়ে এই কাম কৰিব পাৰিবনে ? কিন্তু আমাৰ পত্নীসকলৰ এজনো যুদ্ধ বিদ্যাৰ সৈতে পৰিচিত নহয় । তেওঁলোকক পঠালেও কোনো কাম নহব । গতিকে কি কৰা যায় বিষ্ণুক সোধোগৈ বলক । তেওঁ নিশ্চয় কোনো পথ বিচাৰি উলিয়াব ।

সকলোৱে মিলি বিষ্ণুৰ ওচৰলৈ গ'ল ।

বিষ্ণুৱে তেওঁলোক অহাৰ কাৰণ জানিব পাৰি কলে, "যিহেতু কোনো পুৰুষে তেওঁক বধ কৰিব নোৱাৰে, গতিকে আমি সকলোৱে আমাৰ তেজস্বী শক্তিৰে এজনী স্ত্ৰীৰ সৃষ্টি কৰো আহক। তেওঁক আমি আমাৰ অস্ত্ৰ-শস্ত্ৰবোৰ দি মহিষৰ সৈতে যুদ্ধ কৰিবলৈ পঠাও।"

বিষ্ণুৱে এই কথা কৈ থাকো তই সকলো দেৱতাই নিজৰ নিজৰ তেজস্বীতাৰ অলপ অলপ দান কৰিলে। সেইবোৰ ক্ৰমশঃ একত্ৰিত হৈ এজনী ওঠৰখন হাতযুক্ত দেৱী সকলোৰে সন্মুখত প্ৰকট হ'ল। দেৱতা সকলে নিজৰ নিজৰ অস্ত্ৰ তেওঁৰ হাতত দিলে। তেতিয়া দেৱীয়ে দেৱতাসকলক সম্বোধি কলে, "তোমালোকে ভয় নকৰিবা। সেই অসুৰৰ মোৰ হাতত মৃত্যু হব।" এইবুলি কৈ দেৱীয়ে সিংহনাদ কৰি উঠিল।

মহিষাসুৰে সেই সিংহনাদ শুনি কবলৈ ধৰিলে, "সিংহৰ দৰে গৰ্জন কৰা এইজন আকৌ কোন। মোৰ ওচৰলৈ তেওঁক ধৰি লৈ আহা। মোৰ হাতত পৰাজিত হোৱা দেৱতাসকলে এনে সাহস কৰিব নোৱাৰে।"

মহিষাসুৰৰ আদেশ মতে কিছুমান সৈনিক আহি মহাদেৱীৰ অৱতাৰ দেখি থৰ থৰকৈ কঁপিবলৈ ধৰিলে। তেওঁলোকে মহিষৰ ওচৰলৈ দৌৰি গৈ কবলৈ ধৰিলে, "কোনো এজনী স্ত্ৰীয়ে সিংহৰ ওপৰত উঠি আহিছে। তেওঁৰ গোটেই শৰীৰতে অলঙ্কাৰ আছে। ওঠৰখন হাততে অস্ত্ৰ আছে।"

মহিষাসুৰে তেতিয়া মন্ত্ৰীক কলে, "যিয়েই নহওক কিয়, সেই তিৰোতাজনীক মোৰ ওচৰলৈ লৈ আহা। মই মোৰ ৰাজমহিষী কৰি লম।"

মন্ত্ৰীয়ে আহি দূৰতে থিয় হৈ তেওঁৰ ফালে চাই কবলৈ ধৰিলে, "মা, আপুনি কোন? আপুনি ইয়ালৈ কিয় আহিছে? সমস্ত লোকৰে শাসক মহিষাসুৰে আপোনাক বিবাহ কৰাব বিচাৰিছে।"

দেৱীয়ে এটা মিচিকিয়া হাঁহি মাৰি কলে, "সেই অসুৰক বধ কৰিবলৈকে মই আহিছো। তোমাক ভাল যেন লাগিছে, গতিকে তোমাক বধ নকৰো। মই কিয় আহিছো তোমাৰ ৰজাৰ আগত তুৰন্তে কোৱা গৈ।"

মন্ত্ৰীৰ কথাত মহিষাসুৰৰ বিশ্বাস নহ'ল। ইয়াৰ মিমাংসা কৰিবলৈ তেওঁ এইবাৰ সেনাপতি তাম্ৰক পঠালে। দেৱীয়ে তাম্ৰক বধ কৰিলে। মহিষাসুৰে বাকী সেনাপতিসকলকো পঠালে। তেওঁলোকৰো দেৱীৰ হাতত মৃত্যু হ'ল। ইয়াৰ পিছত মহিষাসুৰ নিজে আহিল। দুয়োৰে মাজত তয়াময়া যুদ্ধ লাগে। অৱশেষত দেৱীয়ে চক্ৰযুদ্ধেৰে মহিষাসুৰৰ শিৰশ্চেদ কৰে।

দেৱতাসকলে পুষ্প বৰ্ষণ কৰি দেৱীক আৰাধনা কৰিবলৈ ধৰিলে।

সদা সুখী

ৰাম আৰু ভীমে একেখন গাঁৱতে বাস কৰিছিল । ৰামে সদায় আনন্দ মনে আছিল। কিন্তু ভীম সদায় বিমৰ্ষ মনে আছিল ।

ৰামৰ চাৰি একৰ খেতিৰ মাটি আছিল । ভীমে ভাবিছিল তেওঁৰ আনন্দৰ কাৰণ এই খেতিৰ মাটিখিনিয়েই । সেয়েহে দিনে ৰাতি কঠোৰ পৰিশ্ৰম কৰি পইচা গোটাই, তেওঁও গাঁৱত পাঁচ একৰ জমি কিনিলে । তথাপিতো ৰামৰ মন তেওঁতকৈ অধিক আনন্দিত । ৰামৰ আনন্দৰ কাৰণনো কি হব পাৰে ইয়াকে লৈ ভীমে দিনে ৰাতি চিন্তা কৰিবলৈ ধৰিলে ।

ৰামৰ বিবাহ হৈ গৈছিল । তেওঁৰ পত্নী অতি সুন্দৰী আছিল, যেন পূৰ্ণিমাৰ জোনহে। ভীমে ভাবি লৈছিল তেওঁৰ আনন্দৰ কাৰণ তেওঁৰ সুন্দৰী পত্নীয়ো হব পাৰে । সেয়ে ভীমেয়ো বিয়া পতাৰ ঠিক কৰিলে । অনেক বিচাৰ-খোচাৰ কৰি ভীমে ৰামৰ পত্নীতকৈও এজনী ৰূপৱতী কন্যা বিচাৰি উলিয়াই তেওঁক বিবাহ কৰালে । তথাপিতো ভীমে ৰামৰ সমান আনন্দিত আৰু সুখী হব পৰা নাছিল । ইমানতো ভীমে নিৰাশ নহৈ সুখী হোৱাৰ যত্ন কৰি গৈছিল ।

ৰামে যদি দুই মহলাৰ ঘৰ নিৰ্মাণ কৰে, ভীমে কৰে তিনি মহলাৰ ঘৰ নিৰ্মাণ । ৰামে প্ৰতিদিনে দহজন মানুহক ভোজন কৰালে, ভীমে বিশজন অতিথি মাতি আনি খুৱায় । সকলো সময়তে তেওঁ ৰামৰ লগত প্ৰতিযোগিতা কৰি যায়, কিন্তু কোনো লাভ নহয় । আনন্দ-সুখৰ ক্ষেত্ৰত ৰামহে তেওঁতকৈ ওপৰত থাকে ।

ভীমে সকলো সময়তে ৰামৰ কাৰ্য্যকলাপৰ ওপৰত চকু ৰাখি যাবলৈ ধৰিলে । কেতিয়া কি কাম কৰে তাকো নজৰ কৰে । ৰামে যি কামকে কৰে, তাৰ দুগুণ কৰে ভীমে । তথাপিতো তেওঁ ৰামৰ সমান সুখী হব নোৱাৰে । এয়ে ভীমৰ চিন্তাৰ প্ৰধান কাৰণ হৈ দেখা দিলে ।

এনে সময়তে সেই গাঁৱলৈ এদিন এজন সাধু আহিল । ৰামে তেওঁক আদৰ-সদৰ কৰি ঘৰলৈ লৈ গৈ শ্ৰদ্ধা-ভক্তিৰে সৈতে আদৰ-আপ্যায়ন কৰিলে ।

শ্ৰীৰাম কমল



ৰামৰ আদৰ-আপ্যায়ন আৰু শ্ৰদ্ধা ভক্তিত সন্তুষ্ট হৈ সাধুয়ে ৰামক কলে, "পুত্ৰ, তুমি যি বৰ বিচৰা তাকেই খোজা !"

ৰামে অতি বিনয়েৰে কলে, "প্ৰভু, মোৰ পত্নী আৰু পুত্ৰ সৎ গুণৰ আৰু সৎ স্বভাৱৰ । যি পাওঁ তাক লৈয়ে সন্তুষ্ট থাকো । সাধ্যমতে অন্য লোককো সহায় কৰো । মোৰ পৰিয়ালৰ কাৰো বেমাৰ-আজাৰ নাই । সকলোৱে সুস্বাস্থ্যৰ । এইদৰে চলি যাব পাৰিলে মোৰ বাবে এয়ে যথেষ্ট । আপুনি আশীৰ্বাদ কৰক আমি যাতে সদায় এইদৰে সুখে সন্তোষে থাকিব পাৰো ।"

"তোমাৰ আত্মসন্তুষ্টি সঁচাকৈয়ে প্ৰশংসনীয়। ভগবানে সদায় তোমাক কৃপা কৰি থাকিব ।" এইবুলি কৈ সাধুয়ে ৰামক আশীৰ্বাদ দিলে ।

ইয়াৰ পিছত ভীমৰ পৰা নিমন্ত্ৰন পাই সাধু ভীমৰ ঘৰলৈ গ'ল । ভীমে মহা ধুমধামেৰে সাধুৰ আদৰ-আপ্যায়নৰ ব্যৱস্থা কৰিলে । তেওঁৰ আপ্যায়ন ব্যৱস্থা ৰামৰ আপ্যায়ন ব্যৱস্থাৰ দুগুণ আছিল । সাধুয়ে ভীমৰ আদৰ আপ্যায়নত সন্তুষ্ট হৈ তেওঁক যি বৰ লাগে তাকে খুজিবলৈ কলে ।

"আমাৰ গাঁৱৰে ৰামে যাতে মোতকৈ কোনো ক্ষেত্ৰতে আগবাঢ়ি যাব নোৱাৰে মোক তাকে আশীৰ্বাদ দিয়ক, সেয়ে মোৰ বাবে যথেষ্ট।" ভীমে ইয়াকে কৈ নিজৰ মনৰ ইচ্ছা প্ৰকাশ কৰিলে ।

তেতিয়া সাধুয়ে আশ্চৰ্য্য প্ৰকাশ কৰি কলে, "তোমাক যি লাগে তাকে খোজা । অন্যৰ বিৰুদ্ধে কথা কোৱা, অন্যক সমালোচনা কৰা তোমাক শোভা নাপায় । এয়া অধৰ্ম ।" সাধুয়ে ভীমক সাৱধান কৰিও দিলে । তেতিয়া ভীমে কলে, "ৰামতকৈ সকলো ক্ষেত্ৰতে আগবাঢ়ি যাব পৰাতে মোৰ আনন্দ । আপুনি যদি মোক সেই

আশীৰ্বাদ দিব পাৰে দিয়ক, নহলে এইটো মোৰে দুৰ্ভাগ্য বুলি ভাবি লম ।"

সাধুয়ে কিছু ক্ষণ চকুমুদি থাকি তাৰ পাছত কলে, "তোমাৰ ইচ্ছা নিশ্চয় পূৰণ হব, কিন্তু ইয়াৰ বাবে ৰামৰ অনুমতি লব লাগিব ।"

ভীমে সাধুৰ কথাত অসন্তোষ প্ৰকাশ কৰি কলে, "আপুনি যদি আশীৰ্বাদ দিব নোখোজে নিদিব । সেইবুলি আপুনি ভুলতো নাভাবিব যে ৰামে ইয়াৰ বাবে অনুমতি দিব ।

"আৰে পাগল, ৰামে যদি অনুমতি দিয়ে তুমি তেওঁতকৈও বৈভৱশালী হব পাৰিবা, তেওঁতকৈও সুখেৰে থাকিব পাৰিবা । আকৌ যদি তেওঁ অনুমতি নিদিয়েও তেওঁ তোমাতকৈ নীচ বুলি পৰিচিত হব । ৰামে এই ৰহস্যৰ বিষয়ে একো নাজানে, সেই কাৰণে দুয়ো ফালৰ পৰা তোমাৰেই লাভ হব । তৎক্ষণাত তেওঁক ইয়ালৈ আহিবলৈ খবৰ পঠোৱা ।" সাধুয়ে ভীমক কলে। ভীমে খবৰ দিয়াত ৰাম আহি উপস্থিত হ'ল । ৰামে ভীমৰ ইচ্ছাৰ কথা জানিব পাৰি আনন্দ মনে অনুমতি দিলে ।

তেতিয়া সাধুয়ে আচৰিত হৈ ৰামক সুধিলে, "বাচা, সকলোৱে অন্যতলৈ ডাঙৰ হব বিচাৰে। ভীমেও তোমাতকৈ অৱস্থাপন্ন হব বিচৰাত তুমি অনুমতি দিলা । তুমি এনে কিয় কৰিলা মই জানিব পাৰোনে ? ইয়াৰ আঁৰত তোমাৰ উদ্দেশ্য কি?"

"আপুনি মহাত্মা । আপোনাক কি লুকুৱাম। ওচৰ-পাজৰৰ লোক যদি মোতকৈ নিম্ন অৱস্থাৰ হয় তেতিয়া তেওঁলোকৰ মোৰ প্ৰতি ঈৰ্ষা ভাব জাগিব পাৰে, মোক বিৰক্ত কৰিব পাৰে । তেওঁলোকৰ অৱস্থা যদি মোতকৈ ভাল হয়, তেতিয়া তেওঁলোকে আৰু মোৰ কথা মনলৈ নানিব । মোৰ লগত কোনো আদান-প্ৰদান নাথাকিব । নহলে হয়তো দয়া কৰি মোকে সহায় কৰিবলৈ আহিব । যদি আমি নিজৰ বিষয়ে চিন্তা কৰি থাকো, নিজৰ প্ৰগতিতে সন্তুষ্ট থাকো তাত আচল সন্তোষ পোৱা নায়ায় । আনৰ প্ৰগতি বিচৰাসকলহে নিত্য সুখী হয় । তেওঁলোকক হে সদা সুখী বুলি কোৱা হয় ।

এই কথাৰ পৰাই ভীমে জানিব পাৰিলে ৰামৰ সন্তুষ্টিৰ আঁৰত থকা ৰহস্য কি ? তেওঁ ইয়াকো জানিব পাৰিলে এই সত্যটো বুজাবলৈকে সাধুয়ে এই দৃশ্যৰ অৱতৰণা কৰিছে। সেইদিনাৰ পৰা তেওঁ আনৰ প্ৰগতি দেখি সন্তুষ্টি লভিবলৈ ধৰিলে । তেওঁ সদা সুখী হ'ল ।

অদ্ভুত সপোন

বিনায়ক এজন খুব ভাল ৰন্ধনি আছিল । তেওঁৰ কোনো পৰিয়াল নাছিল । সেয়েহে ইখন গাঁৱৰ পৰা সিখন গাঁৱত ঘূৰি ফুৰি যিকোনো কাম কৰি নিজৰ পেট প্ৰবৰ্তাইছিল । এবাৰ তেওঁৰ মনত ভাব হ'ল এঠাইত থাকিয়ে তেওঁ কোনো কাম কৰিব । এজন ধনী মানুহে তেওঁক ঘৰুৱা কামৰ কাৰণে ৰাখিলে ।

তেওঁৰ মালিক ৰঘুবীৰ এজন অতি কৃপণ লোক আছিল । তেওঁ এই কাৰণেই বিয়া কৰোৱা নাছিল, বিয়া কৰালে সন্তান হব আৰু সন্তান হলে সিহঁতৰ মাজত সম্পত্তিবোৰ ভাগ কৰি দিব লাগিব ।

ৰঘুবীৰৰ বয়স হোৱাত ৰন্ধা-বঢ়া তথা কাপোৰ-কানি ধোৱাৰ কাৰণে এজন মানুহ ৰখাৰ আৱশ্যকতা বোধ কৰিলে । ৰঘুবীৰৰ দৰে কৃপণ মানুহে কেনেকৈ পৰিয়াল থকা চাকৰ ৰাখিব । যেতিয়া তেওঁ বিনায়কৰ কথা শুনিলে তেওঁৰ মনত খুব আনন্দ লাগিল । তেওঁ তৎক্ষণাত বিনায়কৰ লগত টকা-পইচাৰ বন্দবস্ত কৰি কাম কৰাৰ বাবে তেওঁক ৰাখিলে ।

কিন্তু ৰঘুবীৰৰ কৃপণালী স্বভাৱৰ কাৰণে বিনায়কে বিৰক্ত বোধ কৰিবলৈ ধৰিলে । ৰঘুবীৰে নিজেও অতি কম আহাৰ খাইছিল আৰু বিনায়ককো পেট ভৰাই খাবলৈ নিদিছিল ।

সেয়া দেৱালীৰ সময় আছিল । সকলো মানুহে নিজৰ ঘৰ দুৱাৰ পৰিষ্কাৰ কৰি সজাই পৰাই উৎসৱৰ আয়োজন কৰাত লাগি গৈছিল। দীপাৱলী উপলক্ষে নানা ধৰণৰ মিঠাই তৈয়াৰ কৰিছিল । পৰম্পৰাগতভাৱে বিনায়কেও নানা তৰহৰ মিঠাই বনাইছিল । তেওঁ ৰঘুবীৰক



নোসোধাকৈয়ে এই মিঠাইবোৰ বনাইছিল । যিহেতু দীপাৱলী এক বিশেষ ধৰণৰ উৎসৱ সেয়েহে বিনায়কে ভাবিছিল এইদৰে নানা তৰহৰ মিঠাই বনালে মালিকে ভালেই পাব ।

দীপাৱলীৰ দিনাখন ৰঘুবীৰে খাবলৈ বহিল। গোটেই থালখনতে নানা ধৰণৰ খাদ্যবস্তু সজাই দিয়াত ৰঘুবীৰে আশ্চৰ্য্য প্ৰকাশ কৰি কৈছিল, "ইমানবোৰ খাদ্য বস্তু কিয় বনাইছা, বিনায়ক? তাৰমানে তুমি গোটেই সপ্তাহটোৰ বাবেই বনাই ৰাখিছা নেকি ?"

"মালিক, আজি দীপাৱলী । সকলোৱে নানা

তৰহৰ মিঠাই পৰমান্য বনাইছে । মই ভাবিলো বছৰত এবাৰতো অন্ততঃ আপুনি এসাজ খুব ভালদৰে খাওক । সেয়েহে এইবোৰ বনালো।” বিনায়কে কলে । “নিশ্চয়, নিশ্চয় ! আমি কিয় খাব নোৱাৰিম ।” ৰঘুবীৰে জোৰ দি কলে । যদি ৰঘুবীৰে ৰান্ধনিজনক বেয়াকৈ কিবা কয় তেতিয়াহলে হয়তো তেওঁ ভুল বুজিব পাৰে অথবা খুব নীচ মানুহ বুলিও ভাবিব পাৰে ।

‘এই মূৰ্খই খোৱা বস্তুতে ইমান টকা খৰছ কৰিলে । তাক মই এই ভাল খাদ্য বোৰ কিয় খাব লৈ দিম ?’ ৰঘুবীৰে মনে মনে ভাবিলে ।

ৰঘুবীৰে সিদ্ধান্ত কৰিলে, তেওঁ নিজে যিমান খাব পাৰে সিমানে খাব, যাতে ৰান্ধনিয়ে বনোৱা খাদ্যবস্তুবোৰ শেষ হৈ যায় । খাদ্যবস্তুবোৰ খুব সুস্বাদু হৈছিল, সেয়ে তেওঁ সকলো খোৱাবস্তু খাই পেলালে । খাই উঠাৰ পিচত তেওঁৰ পেটটো গোল হৈ ফুলি উঠিল । খুব দুখৰ কথা হ’ল শেষত জিলাপী খাবলৈ পেটত আৰু তেওঁৰ ঠাই নোহোৱা হ’ল । আনহাতে সেই কৃপণ ৰঘুবীৰৰ বিনায়কো সেইবোৰ খাবলৈ দিয়াৰ ইচ্ছা নাছিল। তেওঁ নিজৰ ৰান্ধনিজনক জিলাপী খোৱাত বাধ দিবলৈ এক উপায় চিন্তা কৰিলে ।



“বিনায়ক, জিলাপীবোৰ খাবলৈ কেইঘন্টামান পিছতহে ভাল লাগিব । এইবোৰ ভালদৰে থৈ দিয়া । সন্ধিয়া মই এইবোৰ খাম।” ৰঘুবীৰে বিনায়কক কলে ।

অতি সোনকালে সন্ধিয়া লাগিল, কিন্তু ৰঘুবীৰৰ পেটত ভোক হলে নালাগিল । আনহাতে তেওঁৰ জিলাপীবোৰ অকলে খোৱাৰ ইচ্ছাও আছিল । সেয়েহে তেওঁ বিনায়কক মাতি আনি কলে, “বিনায়ক, আমি দুয়োৰে মাজত এটা প্ৰতিযোগিতা পাতো দিয়া । দেৱালী উপলক্ষে এই প্ৰতিযোগিতাটো খুব বঢ়িয়া হব । আমি দুয়ো এতিয়া শুই থাকো । ৰাতি টোপনিত যিয়ে খুব ভাল সপোন দেখিব আৰু যিয়ে সেই সপোনৰ কথা সুন্দৰকৈ কব পাৰিব, তেওঁৰেই অহাকালি এই জিলাপীবোৰ খাব পাৰিব ।”

বিনায়কে মালিকৰ মতলব বুজিব নোৱাৰি কলে, “ঠিক আছে মালিক ।” ৰঘুবীৰে আনন্দমনেৰে শুবলৈ গ’ল । ‘ৰাতিপুৱালৈকে মোৰ ভোক লাগিব, তেতিয়া মই গোটেইবোৰ জিলাপী খাই পেলাম । মই কম, মোৰ সপোন অতি অদ্ভুত আৰু সেই মূৰ্খই তাৰ কোনো উত্তৰেই দিব নোৱাৰিব ।’ ৰঘুবীৰে নিজৰ মনতে ভাবিলে ।

বিনায়কে অতি সোনকালে তেওঁৰ মালিকে টোপনিতে নাক বজোৱা শব্দ শুনিবলৈ পালে । তেওঁৰ পেটত খুব ভোক লাগিছিল। তেওঁ ৰান্ধনি ঘৰলৈ সোমাই গৈ জিলাপী থোৱা পাত্ৰটো উলিয়াই আনি ঢাকোনখন খুলিলে । “বাঃ..., কি সুন্দৰ গন্ধ।” বেচেৰাই ৰাতিপুৱাৰ পৰা একোকে খোৱা নাছিল। সকলোবোৰ খোৱা বস্তু ৰাক্ষস মালিকেই খাই পেলাইছিল । ভোকাতুৰ বিনায়কে সকলোবোৰ জিলাপী খাই পেলালে আৰু তাৰ পিছত তেওঁ শুবলৈ গ’ল ।

ৰঘুবীৰে ৰাতিপুৱাতে উঠি বিনায়কক মাতিলে । “এতিয়া কোৱাচোন যোৱা ৰাতি তুমি কি সপোন দেখিছা ।” তেওঁ বিনায়কক সুধিলে।

“মালিক, মই খুব ভাল সপোন দেখিছো ।”

বিনায়কে নিজৰ হাতখন বুকুত ৰাখি কলে।

"মই কি সপোন দেখিছো তুমি জানিব নিবিচৰানে ? মোৰ সপোনটো অতি অদ্ভুত। মই সপোনত দেখিছো, মই এজনী ৰাজকুমাৰীক বিবাহ কৰাইছো আৰু তেওঁৰ ৰাজ্যৰ ৰজা হৈছো। ৰাজ্যাভিষেকৰ সময়ত মই আৰু মহাৰাণীয়ে দুখন সিংহাসনত বহিছিলো। আমাৰ সম্মুখত সভাসদাসকল বহি আছিল। অভিষেক উৎসৱ উপলক্ষে ৰাজ্যৰ প্ৰসিদ্ধ নৰ্ত্তক আৰু গায়ক সকলে নৃত্য প্ৰদৰ্শন কৰিছিল আৰু সুমধুৰ গান শুনাইছিল। এইদৰে মোৰ সময়বোৰ ভালদৰে পাৰ হৈছিল।" ৰঘুবীৰে কলে।

বিনায়কে খুব দুখ মনেৰে কলে, "মালিক, মই শোৱাৰ পাছতেই কালীমাই আহি মোৰ সম্মুখত দেখা দি অতি খঙেৰে কৈছিল, "মূৰ্খ, এই উৎসৱৰ দিনাটো তই ৰাতিপুৱাৰ পৰা সন্ধিয়ালৈকে কিয় সুদাপেটে আছ ? এতিয়াই ৰান্ধনিঘৰলৈ গৈ গোটেইবোৰ জিলাপী খাই পেলা, নহলে তোক মই শাস্তি দিম।" এইবুলি তেওঁ মোক ধমক দিছিল। মই ভয়ে ভয়ে কৈছিলো, "মা, মই জিলাপী খাব নোৱাৰো। কাৰণ মালিকৰ লগত মই বাজি মাৰিছো, যিয়ে ভাল সপোন দেখিব সিয়ে জিলাপী খাব পাৰিব। গতিকে মোক জোৰ নকৰিব, মই প্ৰতিজ্ঞা ভঙ্গ কৰিব নোৱাৰো। কিন্তু, তেওঁ মোৰ কথা শুনিবলৈ মান্তি নহল।"

"মই কোনো কথাই শুনিব নোখোজো। আগতে তই গৈ জিলাপীবোৰ খাই পেলা, নহলে তোক মাৰি পেলাম।" এইবুলি তৈ তেওঁ মোক ৰঙা চকু কৰি চালে। "হে মালিক, তেওঁৰ ভয়তে মই আটাইবোৰ জিলাপী খাই পেলাইছো।" বিনায়কে কলে।

তেতিয়া ৰঘুবীৰে কলে, "এইটো কেনেকৈ



সম্ভৱ, মইতো কোনো মাত শুনিবলৈ পোৱা নাই। তোমাৰ কাষৰ কোঠাটোতে মই শুই আছিলো। তুমি মোক মতাই নাই কিজানি, নহলে মই তোমাক সহায় কৰিব পাৰিলো-হেতেন। ভয়তে তুমি আটাইবোৰ জিলাপী খাব নালাগিছিল।"

"মালিক, মই আপোনাক মাতিব গৈছিলো ! কিন্তু আপুনি সেই সময়ত ৰাণীৰ সৈতে ৰাজসভাত বহি আছিল আপোনাৰ চাৰিওফালে সভাসদসকল আছিল। সেই সময়ত নাচ-গান চলি আছিল। মই আপোনাক লগ কৰিব খোজোতে আপোনাৰ সৈনিকে মোক খেদি দিছিল। আপোনাৰ ওচৰলৈ যাবই নিদিলে।" বিনায়কে নম্ৰভাৱে কলে।

তেতিয়া আৰু ৰঘুবীৰৰ কোনো উত্তৰ নাছিল। তেওঁ নিজৰ চালাকিৰ বাবে নিজেই লাজ পালে। বিনায়কেও ঠিক সময়তে নিজৰ বুদ্ধিৰ পৰিচয় দিলে। সেইদিনাৰ পৰা মালিকে অকল নিজেই নহয়, ৰান্ধনি বিনায়ককো পেটভৰাই খাবলৈ দিছিল।

10

চান্দমামাৰ নিবেদন
অজেয় গৰুড়
চিত্ৰ: পাণি
পিতৃৰ আজ্ঞানুসাৰে আদিত্যই গৰুড়ৰ মূৰ্ত্তিৰ পূজা কৰি থাকিল । এদিন ৰাতি পূজা কৰি থাকোতে হঠাতে গোটেই কোঠালীটো পোহৰ হৈ উঠিল । মূৰ্ত্তিৰ সন্মুখৰ পাখীবোৰ ডাঙৰ হবলৈ ধৰিলে । আদিত্যই নিজৰ শাৰীৰিক পৰিবৰ্তন অনুভব কৰিলে । হঠাতে কোনোবাই যেন কলে, তেওঁ ভগবানৰ আশীৰ্বাদ লাভ কৰিছে মানুহে তেওঁক অপৰিবৰ্তিত ৰূপতহে দেখা পাব । বহুতো লোকে গৰুড়ৰ বেশ ধাৰণ কৰা দেখা গ'ল । ফাঁচী দিয়া চাবলৈ লোকবোৰ গোট খাবলৈ ধৰিলে । সেনাপতি তেওঁৰ পুত্ৰই ইয়াক চেষ্টা । ইয়াৰ
কি, তুমি আদিত্যক বন্দী কৰিছা ?
প্ৰধানমন্ত্ৰী নিজৰ বাসস্থানত নাই ।
যদি মোৰ পৰিকল্পনা সফল হয়, ইয়ে চন্দ্ৰপুৰীৰ ভাগ্যই পৰিবৰ্তন কৰিব ।
আমি এই সকলোবোৰ কালিলৈকে এৰিছো ।
যোৱা আৰু মহলৰ সুৰক্ষাকৰ্মীবোৰ বদলি কৰি দিয়া আৰু ৰজাক বন্দী কৰা...।
...আৰু তেওঁক সেই গোপন ঠাইত ৰাখিবা ! লগতে সকলোকে কবা যে, ৰজাক গৰুড়ে অপহৰণ কৰি লৈ গৈছে ।
বাৰু, সেনাপতি মহাশয় ।

যদি গৰুড় আমাৰ হাতলৈ আহে তেতিয়া....!
হা ৰবীন্দ্ৰ, তেওঁ সোনকালেই নিজৰ লগৰ মানুহৰ লগতে দেখা কৰিব।
এজন বিষয়া আহি নৰেন্দ্ৰদেৱক এখন জাননী দিলে, যিখন ৰজাৰ কক্ষত লিখি ৰখা হৈছিল।
এইখন কি হব পাৰে? কোনে ৰাখিব পাৰে?
মই ৰজাৰ শত্ৰু নহয়, বৰং তেওঁৰ মিত্ৰহে। মই ৰজা আৰু প্ৰধানমন্ত্ৰীক নিজৰ কবলত ৰাখিছো....।
...যাতে মই তেওঁক ৰক্ষা কৰিব পাৰো। এতিয়াহে আচল যুদ্ধ আৰম্ভ হব, যি ভাল আৰু বেয়াৰ মাজত হব। এতিয়া আচল....।
শত্ৰুসকল সৰধান হবা! গৰুড়!
গৰুড়! গৰুড়!! তোমালোকে গৈ ৰজা আৰু প্ৰধানমন্ত্ৰীক বিচৰা। তেওঁলোকক মাৰি পেলোৱা! আনক কবা যে এইটো মোৰ আদেশ!
গৰুড়ৰ বিষয়ে কোনোবাই সংবাদ দিলে পুৰস্কাৰ দিয়া হব। ময়ো নজৰ কৰি থাকিম।
ৰাজহুৱা ঠাইত ঘোষণা কৰি দিয়া হ'ল যে ৰজা আৰু প্ৰধানমন্ত্ৰী হঠাতে নোহোৱা হোৱাত ৰবীন্দ্ৰদেৱক চৰকাৰ চলোৱাৰ ভাৰ দিয়া হ'ল।

ৰজাৰ সৈনিকসকল পাহাৰৰ ফালে আগবাঢ়িবলৈ ধৰিলে।
মহাৰাজ, এইসকলোবোৰ সেনাপতিৰ মানুহ।
তেওঁলোকে গৰুড়ৰ দৰে মুখা পিন্ধি ঘূৰি আছে।
...প্ৰজাসকলক কষ্ট দি আছে।
...সকলোকে হত্যা কৰি আছে।
...ঘৰবোৰ জ্বলাই দিছে।
...সকলো ধৰণৰ বেয়া কামেই কৰি আছে।

...মই ইয়াকো শুনিছো যে নৰেন্দ্ৰদেৱে সকলোবোৰ বিশ্বাসী সুৰক্ষাকৰ্মীকে আঁতৰাই নিজৰ মানুহ নিযুক্ত কৰি আপোনাক আপহৰণ কৰিব বিচাৰিছে।
...মই বিপদৰ সংকেত পাই আপোনাক ইয়ালৈ লৈ আহিছো। এই ৰথ চলোৱাজন হ'ল ৰামসিংহ। ৰাজমহলৰ কোনেও একো জানিব পৰা নাই, মই আপোনাক কলৈ লৈ আহিছো।
এই ঝৰ্ণাটোৰ পিছফালৰ গুহাটো অধিক সুৰক্ষিত।
আদিত্য, তুমি মোৰ সৈতে থাকিবা নহয়?
মই ৰাজধানীলৈ গৈ পৰিস্থিতিৰ বুজ লব লাগিব। ৰামসিংহই আপোনৰ সুৰক্ষাৰ তদাৰক কৰিব। ৰামসিংহ!
ৰামসিংহ সোমাই আহিল।
অৰুণা ইয়াতে আগৰে পৰাই আছে।
আহা আমি মহাৰাজৰ সৈতে দেখা কৰো।
মহাৰাজ, এইজন ৰামসিংহ। অৰুনাই মোৰ পিতাৰ ওচৰত আয়ুৰ্বেদ পঢ়িছিল। এওঁ আপোনাৰ লগত থাকিব।
বেশ পৰিবৰ্তন কৰি আদিত্যই ৰাজধানী গৈ পালে।
আমাৰ প্ৰধানমন্ত্ৰী কিমান ভাল মানুহ আছিল। এইটো দুৰ্ভাগ্যৰ কথা যে, তেওঁও নোহোৱা হ'ল।
কি বুদ্ধি! এতিয়াও তেওঁক শিক্ষা দিবলৈ বাকী।
ক্ৰমশঃ

বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা



কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

নৱেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজয়ী

বিভূতি কলিতা

ঢেকিয়াজুলি, শোণিতাপুৰ,

অসম

বিজয়ী বাক্য

পুতলাৰ সৈতে আছো খেলি ।

বৈ আছো পুতলা আনিব বুলি ।

চান্দমামাৰ বছৰেকীয়া বৰঙণি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED

No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

Looking for a Birthday Gift?



What else than good old Chandamama!

CHANDAMAMA

An ideal growth scheme for the Indian child

Gift an annual subscription of Chandamama, India's oldest and best-loved children's magazine.

Available in 12 languages.

For subscription details, please see facing page.



CHANDAMAMA (Assamese) JANUARY 2002
Regd. with RNI. No. 30278/76
Registered No. TN/Chief PMG-870/2001